www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

স্বাধীনতাৰ শত্ৰুসকলে কেতিয়াও যুক্তি সহকাৰে তৰ্ক নকৰে; তেওঁলোকে চিঞৰ-বাখৰ কৰে আৰু গুলী কৰে। -উইলিয়াম বালফ ইঞ্জ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ ❑ সংখ্যা- ২১৩ ❑ বৃহস্পতিবাৰ ❑ ১১ জুন, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 213 ❑ Thursday ❑ 10th June, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page- 8

চাহ বাগিচাৰ শিক্ষাৰ্থীৰ বাবে বিনামূলীয়া পৰিবহণ

■ ৰাজ্যৰ ১১খন জিলাৰ ১৯৮খন চৰকাৰী বিদ্যালয় সামৰি ল'ব এই ব্যৱস্থাই ■

নিউজ ডেস্ক, অসম বাৰ্তা, ১০ জুন ঃ অসম চৰকাৰে চাহ বাগিচাৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ এখন নতুন অভিযাৰী আঁচনি আৰম্ভ কৰিছে। এই আঁচনিৰ অধীনত চাহ বাগিচা অঞ্চলত পঢ়া শিক্ষাৰ্থীসকলক বিনামূলীয়া পৰিবহণৰ ব্যৱস্থা প্ৰদান কৰা হ'ব। ৰাজ্যৰ মুঠ ৰৰখন জিলাত এই সুবিধা কাৰ্যকৰী কৰা হৈছে। বুধবাৰে সামাজিক মাধ্যমযোগে এই সম্ভাৱনা পদক্ষেপৰ কথা সদৰি কৰে শিক্ষামন্ত্ৰী ডাঃ ৰুণোজ পেগুৱে। শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, "কোনো শিশুৱে যাতে যাতায়াতৰ অসুবিধাৰ বাবে বিদ্যালয়ৰ শিক্ষাৰ পৰা বঞ্চিত নহয়, সেই লক্ষ্যৰে সমগ্ৰ শিক্ষা, অসমৰ উদ্যোগত আজি, অৰ্থাৎ ১০ জুনৰ পৰা চাহ বাগিচা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া পৰিবহণ বা সুৰক্ষা বাহন সুবিধা আৰম্ভ কৰা হৈছে।" এই পদক্ষেপৰ জৰিয়তে চাহ বাগিচা অঞ্চলত বাস কৰা প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে অধ্যয়নৰত প্ৰাথমিক আৰু বঞ্চিত সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীসকলক নিৰাপদ আৰু বিনামূলীয়া পৰিবহণ সুবিধা প্ৰদান কৰা হ'ব। যাৰ ফলত বিদ্যালয়ত নিয়মীয়া উপস্থিতি নিশ্চিত কৰাত সহায় হ'ব। শিক্ষামন্ত্ৰীগৰাকীয়ে জনোৱা অনুসৰি, এই আঁচনিৰ জৰিয়তে মুঠ ৯,৭১৪ গৰাকী ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব। আঁচনিখন ১৯৮খন বিদ্যালয় অন্তৰ্ভুক্ত কৰা হৈছে। ১০ জুনৰ পৰা ২০২৭ চনৰ ৩১ মাৰ্চলৈকে (জুলাই মাহৰ বাহিৰে) আঁচনিখন কাৰ্যকৰী হ'ব। প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষাবৰ্ষটোত ❑ ৬ পৃষ্ঠাত

জৱাহৰলাল নেহৰুক চেৰ পেলাই দীৰ্ঘসময়ৰ প্ৰধানমন্ত্ৰীৰ অভিলেখ নৰেন্দ্ৰ মোদীৰ

দেশ-বিদেশৰ নেতাৰ প্ৰশংসা; বিশ্বৰ শীৰ্ষ ৰাজনৈতিক ব্যক্তিৰ শুভেচ্ছা

নিউজ ডেস্ক, অসম বাৰ্তা, ১০ জুন ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ভাৰতৰ ইতিহাসত সৰ্বাধিক কাৰ্যকালৰ নিৰ্বাচিত প্ৰধানমন্ত্ৰী হিচাপে পৰিগণিত হৈছে। দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ দীৰ্ঘদিনীয়া অভিলেখ আজি ভঙ্গ কৰিলে মোদীয়ে। এই সাফল্যক লৈ সমগ্ৰ বিশ্বৰ শীৰ্ষ ৰাজনৈতিক নেতাসকলে প্ৰধানমন্ত্ৰীগৰাকীক অভিনন্দন জ্ঞাপন কৰিছে আৰু তেওঁৰ নেতৃত্বৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰিছে। ১৯৫২ চনৰ ১০ জুনত সাধাৰণ নিৰ্বাচনৰ পিছত প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হৈছিল জৱাহৰলাল নেহৰু। তেওঁ মুঠ ৪,৩৯৯ দিন ক্ষমতাত থাকি এটা অভিলেখ গঢ়ি তুলিছিল। কিন্তু বৰ্তমান প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ ❑ ৬ পৃষ্ঠাত

মুছলপুৰত মন্ত্ৰী চৰণ বড়োৰ পৰ্যালোচনা বৈঠক, উন্নয়ন আৰু বান প্ৰস্তুতিৰ পৰ্যালোচনা

অৰুণোদয়, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানকে ধৰি মুখ্য আঁচনিসমূহৰ ৰূপায়ণৰ খতিয়ান

ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১০ জুন ঃ বুধবাৰে মুছলপুৰৰ জিলা আয়ুক্তৰ সন্মিলন কক্ষত অনুষ্ঠিত এক পৰ্যালোচনা বৈঠকত পৰিবহণ আৰু বড়োলেণ্ড কল্যাণ বিভাগৰ মন্ত্ৰী চৰণ বড়োৱে জিলাখনত চলি থকা বিভিন্ন চৰকাৰী আঁচনি আৰু উন্নয়নমূলক পদক্ষেপসমূহৰ অগ্ৰগতি পৰ্যালোচনা কৰে। বৈঠকখনত উপস্থিত থাকে বিধায়ক থানেশ্বৰ বসুমতাৰী, বিধায়ক মনেশ্বৰ ব্ৰহ্ম, বড়োলেণ্ড পৰিষদ (বিটিচি)ৰ কাৰ্যবাহী সদস্য বেগম আখতাৰা আৰু অগাষ্টাছ টিয়া, বিটিচিৰ এমচিএলএ দিগন্ত গয়াৰী আৰু বেখা ৰাণী দাস বড়ো। লগতে বাক্সা জিলাৰ আয়ুক্ত কিমনেই চাংচন, ❑ ৬ পৃষ্ঠাত

ফাষ্ট ট্ৰেক আদালতত অব্যাহত জুবিন গাৰ্গৰ হত্যাৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া

তৃতীয় দিনা সাক্ষ্যদানৰ বাবে আহিল পাঁচগৰাকী এজাহাৰকাৰী

নিউজ ডেস্ক, অসম বাৰ্তা, ১০ জুন ঃ ফাষ্ট ট্ৰেক আদালতত জুবিন গাৰ্গৰ হত্যা গোচৰৰ বিচাৰ অব্যাহত আছে। আজি এই গোচৰৰ সাক্ষ্যদান প্ৰক্ৰিয়াৰ তৃতীয় দিন। তৃতীয় দিনটোত মুঠ তিনিগৰাকী ব্যক্তিৰ সাক্ষ্য গ্ৰহণ কৰা হয়। এজাহাৰকাৰী বেবী বৰা, প্ৰভাকৰ ফুকন আৰু অনুজ কুমাৰ বিষয়াৰ সাক্ষ্য লোৱা হয়। কিন্তু সময়ৰ অভাৱত ❑ ৬ পৃষ্ঠাত

তৃণমূল কংগ্ৰেছ-কংগ্ৰেছ একত্ৰীকৰণৰ উৰাবাতৰি ভুৱা; তৃণমূল কংগ্ৰেছৰ স্পষ্টীকৰণ

ছোনিয়া-মমতা বৈঠকৰ পিছত জল্পনা; বিৰোধী ঐক্যৰ বাবে একেলগে কাম কৰাৰ সিদ্ধান্ত

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১০ জুন ঃ নতুন দিল্লীত কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছ দলৰ মাজত একত্ৰীকৰণ হ'ব বুলি চলি থকা চৰ্চাকে সম্পূৰ্ণৰূপে নাকচ কৰিছে তৃণমূল কংগ্ৰেছে। বিৰোধী মিত্ৰজোঁটৰ বৈঠকৰ পিছত মমতা বেনাৰ্জী আৰু ছোনিয়া ❑ ৬ পৃষ্ঠাত

গোৱালপাৰা কৃষ্ণাইত ২০ বছৰীয়া ৰীমাৰ চৰম পন্থা

অসমৰ প্ৰথম গৰাকী 'নীট' শিক্ষাৰ্থীৰ আত্মহত্যা

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১০ জুন ঃ সমগ্ৰ দেশজুৰি তোলপাৰ লগোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ চিকিৎসা বিজ্ঞানৰ প্ৰৱেশ পৰীক্ষা 'নীট' (NEET)-ৰ প্ৰশ্নকাকত ফাদিল আৰু ফলাফলৰ কেলেংকাৰীয়ে এইবাৰ জোকাৰি গৈছে অসমকো। নীট পৰীক্ষাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা ভয়াবহ খেলিমেলি আৰু অনিশ্চয়তাৰ বলি হৈ গোৱালপাৰা জিলাৰ ❑ ৬ পৃষ্ঠাত

পাঁচ বছৰত প্ৰতিজিলাতে মেডিকেল কলেজ স্থাপনৰ লক্ষ্য

অসমত কৰ্কট ৰোগীৰ হাৰ দেশতকৈ অধিক, উদ্বিগ্ন স্বাস্থ্যমন্ত্ৰী সিংহল

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১০ জুন ঃ অসম মন্ত্ৰীসভাত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ দায়িত্ব লাভ কৰাৰ পাছতেই বিভাগীয় মন্ত্ৰী অশোক সিংহলে ৰাইজক উন্নত মানদণ্ডৰ চিকিৎসা প্ৰদানৰ ❑ ৬ পৃষ্ঠাত

- তৃণমূল কংগ্ৰেছ ত্যাগ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ সুস্মিতা দেৱৰ
- ৰাজ্যসভাৰ সাংসদ পদো ত্যাগ সুস্মিতা দেৱৰ; বিজেপিত যোগদানৰ প্ৰস্তুতি

মই বৰ্তমান ফ্ৰী, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগত কংগ্ৰেছত থাকোঁতেও একেলগে কাম কৰিছোঁ, আজি সৌজন্যমূলক সাক্ষাৎ কৰিছোঁ ঃ সুস্মিতা দেৱ

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১০ জুন ঃ পশ্চিম বংগৰ শাসকদল তৃণমূল কংগ্ৰেছত এক যোগ্য বিপৰ্যয় নমি আহিছে। এইবাৰ ৰাজ্যসভাৰ সাংসদ পদ ত্যাগ কৰিছে দলটোৰ জ্যেষ্ঠ নেত্ৰী তথা প্ৰাক্তন কংগ্ৰেছ নেত্ৰী সুস্মিতা দেৱে। একেসপ্তাহৰ ভিতৰতে তৃণমূলৰ দ্বিতীয়গৰাকী সাংসদ হিচাপে ৰাজ্যসভাৰ সদস্যপদৰ পৰা ইস্তফা দিয়ে তেওঁ। ইয়াৰ কিছুদিন পূৰ্বেই আন এগৰাকী প্ৰবীণ সাংসদ সুখেন্দু শেখৰ ৰয়েও একেদৰে পদত্যাগ কৰিছিল। সুস্মিতা দেৱে ❑ ৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰধানমন্ত্ৰী মোদীলৈ বিশেষ পত্ৰ

সৰ্বাধিক কাৰ্যকালৰ কৃতিত্বত মোদীক অভিনন্দন

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১০ জুন ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ভাৰতৰ ৰাজনৈতিক ইতিহাসত সৰ্বাধিক সময়ৰ বাবে নিৰ্বাচিত প্ৰধানমন্ত্ৰী হিচাপে পৰিগণিত হোৱাত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গভীৰ কৃতজ্ঞতা আৰু শুভেচ্ছা জ্ঞাপন কৰিছে। এই উপলক্ষে তেওঁ প্ৰধানমন্ত্ৰীগৰাকীক এখন বিশেষ পত্ৰ প্ৰেৰণ কৰি অসমৰ উন্নয়নৰ ক্ষেত্ৰত তেওঁৰ স্থিতি আৰু ভূমিকা স্পষ্টভাৱে উল্লেখ কৰে। সামাজিক মাধ্যমত শেয়াৰ কৰা এখন পোষ্টত মুখ্যমন্ত্ৰীয়ে লিখে, "শ্ৰী নৰেন্দ্ৰ মোদী-এটি নাম, যি নামত সমৃদ্ধ ৰুচবছৰীয়া কাৰ্যকালৰ ভাৰতৰ প্ৰায় প্ৰতিটো ঐতিহাসিক উন্নয়ন আৰু ৰূপান্তৰৰ অধ্যায়। আজি তেওঁ ভাৰতৰ সৰ্বাধিক সময় ধৰি কাৰ্যনিৰ্বাহ কৰা প্ৰধানমন্ত্ৰী হিচাপে এক নতুন ইতিহাস ৰচিলে। এই ক্ষণ কেৱল এটা ৰাজনৈতিক মাইলৰ খুঁটি নহয়; ই এক শক্তিশালী, আত্মবিশ্বাসী আৰু বিশ্বমঞ্চত আগবাঢ়ি যোৱা ভাৰতৰ যাত্ৰাৰ স্বীকৃতি।" প্ৰধানমন্ত্ৰীক উদ্দেশ্যি লিখা পত্ৰখনত হিমন্ত বিশ্ব শৰ্মাই কয় যে অসমৰ ৩.৫ কোটি জনতাই মোদীৰ নেতৃত্বত অসমৰ ৰূপান্তৰ দেখি অভিভূত। তেওঁৰ মতে, মোদীয়ে অসমৰ বিকাশৰ গতিপথ পুনৰ নিৰ্ধাৰণ কৰিছে- যি ৰাজ্যই পূৰ্বে কেন্দ্ৰৰ ওপৰত নিৰ্ভৰশীল আছিল, সেয়া এতিয়া এক আৱদানকাৰী ৰাজ্যলৈ পৰিণত হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে উল্লেখ কৰে যে দীৰ্ঘদিন ধৰি ❑ ৬ পৃষ্ঠাত

নিৰ্ধাৰিত সময়ত আঁতৰি নগ'লে ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ ন্যায়ালয়ৰ

ৰাজ্যৰ ৪ সংৰক্ষিত বনাঞ্চলত চলিব উচ্ছেদ

ষ্টাফ ৰিপৰ্টাৰ, দিছপুৰ, ১০ জুন ঃ ৰাজ্যৰ সংৰক্ষিত বনাঞ্চলসমূহ দখলমুক্ত কৰাৰ সন্দৰ্ভত গুৱাহাটী উচ্চন্যায়ালয়ে এক গুৰুত্বপূৰ্ণ ৰায়দান কৰিছে। বিচাৰপীঠে স্পষ্টভাৱে কয় যে পৰিবেশ সুৰক্ষা, বনাঞ্চল আৰু বন্যপ্ৰাণী সংৰক্ষণ কৰাটো ৰাজ্য চৰকাৰৰ এক গুৰুতৰ সাংবিধানিক দায়িত্ব। সেই দায়িত্ব পালনৰ অংশ হিচাপে ন্যায়ালয়ে বনাঞ্চলৰ বেদখলকাৰীসকলক ৩০ দিনৰ ভিতৰত ভূমি খালী কৰিবলৈ নিৰ্দেশ দিছে। ন্যায়াধীশ দেৱাশিস বৰুৱাৰ এককে বিচাৰপীঠে লুটুমাই আৰু বৰপানী সংৰক্ষিত বনাঞ্চলকে ধৰি ৰাজ্যৰ বিভিন্ন সংৰক্ষিত বনাঞ্চলত বেদখলৰ অভিযোগ উত্থাপন হোৱা গোচৰত এই ৰায় প্ৰদান কৰে। বন বিভাগে জাৰি ❑ ৬ পৃষ্ঠাত

মাজুলীত বিদ্যুৎস্পৃষ্ট হৈ বৃদ্ধৰ কৰুণ মৃত্যু

অসম বাৰ্তা, উজনী মাজুলী, ১০ জুন ঃ মাজুলী জিলাৰ নতুন বজাৰ তহলদাৰী আৰক্ষী চকীৰ অন্তৰ্গত হালধিবাৰী গাঁৱত কালি সন্ধিয়া এক অতি মৰ্মান্তিক ঘটনা সংঘটিত হয়। ঘৰৰ বাৰীতে চিগি পৰি থকা বিদ্যুতৰ জীৱন্ত তাঁৰত লাগি বিদ্যুৎস্পৃষ্ট হৈ কৰুণ মৃত্যুক সাৱটি লয় ভোগেশ্বৰ বৰা (৭৫)নামৰ এজন ব্যক্তিয়ে। প্ৰাপ্ত খবৰ অনুসৰি, কালি সন্ধিয়া দৈনিক যোৱাৰ দৰেই ভোগেশ্বৰ বৰাই ঘৰৰ গৰু আনিবলৈ বুলি গলাই গৈছিল। তেনে সময়তে তেওঁ নিজৰ ঘৰৰ বাৰিতে ❑ ৬ পৃষ্ঠাত

নলবাৰীত মন্ত্ৰী বিশ্বজিত দৈমাৰী-জয়ন্তমল্ল বৰুৱাৰ পৰ্যালোচনা বৈঠক

সম্ভাব্য দুৰ্যোগ পৰিস্থিতি মোকাবিলা সন্দৰ্ভত পৰ্যালোচনা

অসম বাৰ্তা, নলবাৰী, ১০ জুন ঃ অসম চৰকাৰৰ হস্তাৰ্ত্তত আৰু বস্ত্ৰ শিল্প, ক্ৰীড়া আৰু যুৱ কল্যাণ, দক্ষতা, নিয়োগ আৰু উদ্যোগ, খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি আদি বিভাগৰ মন্ত্ৰী তথা নলবাৰী জিলাৰ অভিভাৱক মন্ত্ৰী বিশ্বজিৎ দৈমাৰী আৰু নলবাৰী সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ বিদ্যু, বন আৰু পৰিবেশ, খনি আৰু খনিজ সম্পদ বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই আজি নলবাৰী জিলাত উপস্থিত হৈ এক পৰ্যালোচনা সভাত মিলিত হয়। নলবাৰী সন্মিলন কেন্দ্ৰত জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ লগতে জিলা প্ৰশাসনৰ বিষয়া, জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু নলবাৰী জিলাৰ দুৰ্যোগ ❑ ৬ পৃষ্ঠাত

আৰ্টেমিছ-৩ অভিযানৰ চাৰি মহাকাশচাৰীৰ নাম ঘোষণা নাছাৰ

অনলাইন ডেস্ক, অসম বাৰ্তা, ১০ জুন ঃ আমেৰিকাৰ মহাকাশ সংস্থা নাছাই বহু প্ৰত্যাশিত আৰ্টেমিছ্ৰ-৩ অভিযানৰ বাবে চাৰিজন মহাকাশচাৰীৰ নাম ঘোষণা কৰিছে। চন্দ্ৰত মানৱৰ বহনক্ষম উপস্থিতি প্ৰতিষ্ঠা কৰা আৰু ভবিষ্যতে মংগল গ্ৰহ অভিযানৰ বাবে প্ৰয়োজনীয় প্ৰযুক্তি বিকশিত কৰাই এই অভিযানৰ মূল উদ্দেশ্য। দ্বিতীয় আৰ্টেমিছে চন্দ্ৰৰ চাৰিওফালে অভিলেখ ভংগ কৰা ভ্ৰমণৰ দুমাহৰ ❑ ৬ পৃষ্ঠাত

সংকটত সৰ্থেবাৰী কাঁহ শিল্প! কেন্দ্ৰীয় বিষয়াৰ পৰিদৰ্শন

বাণিজ্য মন্ত্ৰণালয়ৰ যুটীয়া সচিব কপিল চৌধুৰীৰ নেতৃত্বত বিষয়া দলৰ শিল্পনগৰী পৰিদৰ্শন

ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১০ জুন ঃ অসমীয়া সংস্কৃতিৰ প্ৰাণস্বৰূপ তথা ৰাজ্যৰ গৌৰৱময় এক ঐতিহ্য বিশ্ববিখ্যাত সৰ্থেবাৰীৰ কাঁহ শিল্প আজি ভয়াবহ সংকটৰ মাজেৰে পাৰ হৈছে। চৰকাৰী অবহেলা আৰু বিষয়া-কৰ্মচাৰীৰ নিৰ্লিপ্ত ভূমিকাই ইতিহাসপ্ৰসিদ্ধ এই কুটিৰ শিল্পটোৰ লগতে ইয়াৰ সৈতে জড়িত প্ৰায় দুই হাজাৰ প্ৰত্যক্ষ আৰু তিনি সহস্ৰাধিক পৰোক্ষ শিল্পীৰ জীৱনলৈ আমনিশা নামি আহিছে। এই দুৰ্দশাৰ মাজতে কেন্দ্ৰীয় চৰকাৰৰ বাণিজ্য মন্ত্ৰণালয়ৰ যুটীয়া সচিব কপিল চৌধুৰীৰ নেতৃত্বত ৰাজ্য চৰকাৰৰ বিষয়াৰ এটা দল কালি সৰ্থেবাৰীৰ ঐতিহ্যমণ্ডিত কাঁহ শিল্পনগৰী পৰিদৰ্শন কৰে। এই পৰিদৰ্শনে শিল্পীসকলৰ মাজত কিছু আশাৰ বেঙেনি সঞ্চাৰ কৰিছে। ভাৰত চৰকাৰৰ বাণিজ্য মন্ত্ৰণালয়ৰ যুটীয়া সচিব শ্ৰীমতী কপিল চৌধুৰীক এই পৰিদৰ্শনত সংগ দিয়ে ৰবপেটা জিলাৰ ❑ ৬ পৃষ্ঠাত

ডিব্ৰুগড়ৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ে ফিট ইণ্ডিয়া চাইকেল অভিযানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় যুৱ কল্যাণ মন্ত্ৰালয়ৰ পৰা স্বৰ্ণ পদক লাভ

দেশ জুৰি হাজাৰ হাজাৰ স্থানত ৪ লাখতকৈ অধিক লোকৰ অংশগ্ৰহণ; সৰ্বানন্দ সোণোৱালৰ অভিনন্দন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১০ জুন ঃ সমগ্ৰ দেশজুৰি ব্যাপক উৎসাহ-উদ্দীপনাৰে উদযাপিত হৈ 'বিশ্ব চাইকেল দিৱস'ৰ মঞ্চিয়াত অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে গৌৰৱৰ বতৰা কঢ়িয়াই আনিছে ডিব্ৰুগড়ৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ে। কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ-কল্যাণ মন্ত্ৰালয়ৰ উদ্যোগত আয়োজিত এই ৰাষ্ট্ৰীয় কাৰ্যসূচীত বিশ্ববিদ্যালয়খনক এক বিশেষ শিতানত শীৰ্ষ সন্মানেৰে অলংকৃত কৰি স্বৰ্ণ পদক প্ৰদান কৰা হয়। নতুন দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী ডঃ মনসুখ মাণ্ডৱিয়াই এক অনুষ্ঠানত ডিব্ৰুগড়ৰ বিশ্ববিদ্যালয়খনক এই বঁটা অৰ্পণ কৰে। বঁটাটো গ্ৰহণ কৰে বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ ৰবঠাকুৰে। শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ে নিজৰ নতুন চৌহদতো প্ৰথম দিনৰ পৰাই সম্পূৰ্ণৰূপে বাহনমুক্ত (Vehicle-free) কৰি ৰখা আৰু ফিট ইণ্ডিয়াৰ নীতি-নিয়মসমূহ সুচাৰুৰূপে পালন কৰাৰ বাবে এই সৰ্বোচ্চ স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। বঁটা প্ৰদানৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰী ডঃ মনসুখ মাণ্ডৱিয়াই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ এই ক্ৰীড়া বিশ্ববিদ্যালয়খনক বিশেষ প্ৰশংসা কৰে। তেওঁ উল্লেখ কৰে যে বিশ্ববিদ্যালয়খনে নিজৰ সমগ্ৰ চৌহদ সম্পূৰ্ণৰূপে বাহনমুক্ত কৰি দেশৰ সমুখত এক অনন্য আৰু ঐতিহাসিক নিদৰ্শন দাঙি ধৰিছে, যাৰ ফলত তেওঁলোকক এই শীৰ্ষ সন্মানলৈ পুৰস্কৃত কৰা হৈছে। এয়া সমগ্ৰ দেশৰে শিক্ষানুষ্ঠানসমূহৰ বাবে এক অনুকৰণীয় সেউজ আদৰ্শ বুলিও তেওঁ অভিহিত কৰে। পৰিবেশ সুৰক্ষা, বহনক্ষমতা আৰু সুস্থাস্থ্যৰ বাৰ্তাৰে আয়োজিত এই বৰ্ষৰ বিশ্ব চাইকেল দিৱসৰ কাৰ্যসূচী সমগ্ৰ দেশতে আছিল অত্যন্ত ব্যাপক। এইবাৰ কেন্দ্ৰীয় মন্ত্ৰালয় আৰু ভাৰতীয় চাইক্লিং ফেডাৰেশ্যনৰ উদ্যোগত দেশজুৰি "ফিট ইণ্ডিয়া চাইকেল অভিযান"ৰ ৭৭ তম সংস্কৰণ অনুষ্ঠিত হয়। দেশৰ কাগিল, লেহৰ পৰা আৰম্ভ কৰি কন্যাকুমাৰী আৰু ত্ৰিপুৰাৰ পৰা বদোদৰালৈকে হাজাৰ হাজাৰ স্থানত প্ৰায় ৪ লাখতকৈও অধিক লোকে এই এদিনীয়া চাইকেল ড্ৰাইভত অংশগ্ৰহণ কৰি এক অনন্য জনজাগৰণৰ সৃষ্টি কৰে। দিল্লীৰ মূল কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে জনপ্ৰিয় অভিনেতা বিক্ৰান্ত মেছী, বিশ্ব চেম্পিয়নশিপৰ ৰূপৰ পদক বিজয়ী ৰঞ্জাৰ নূপুৰ শেউৰাণকে ধৰি ১৫ হাজাৰতকৈও অধিক ক্ৰীড়াপ্ৰেমী তথা ফিটনেছ উৎসাহীয়ে চাইকেল চলাই সুস্থাস্থ্য আৰু পৰিবেশ অনুকূল জীৱনশৈলীৰ সপক্ষে সজাগতা সৃষ্টি কৰে। এই অনুষ্ঠানতে মন্ত্ৰী মাণ্ডৱিয়াই দেশবাসীক দৈনিক অতি কমেও ৩০ মিনিট শাৰীৰিক ব্যায়াম বা চাইক্লিং কৰিবলৈ আহ্বান জনায়, যাৰ দ্বাৰা ইন্ধন ৰাহি হোৱাৰ লগতে প্ৰদূষণমুক্ত ধৰিত্ৰী গঢ়ন আৰু যান-জঁটৰ সমস্যা সমাধান সম্ভৱ হ'ব। ৰাষ্ট্ৰীয় পৰ্যায়ৰ বৃহৎ মঞ্চত ডিব্ৰুগড়ৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ে লাভ কৰা এই গৌৰৱোজ্জ্বল কৃতিত্বৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অভিনন্দন জ্ঞাপন কৰা লগতে এই বঁটা প্ৰদান কৰাৰ খবৰ লাভ কৰাত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পৰিয়ালৰ লগতে ডিব্ৰুগড়ৰ ৰাইজে এই সন্মান পোৱাৰ বাবে উৎফুল্ল হয়।

যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ প্ৰাক্তন বিদ্যাৰ্থী সংগঠনৰ বিংশতম বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

'প্ৰদূষণকাৰী কয়লা আৰু ধূলিকণাক অতি মূল্যবান কাৰ্বন সামগ্ৰীলৈ ৰূপান্তৰ কৰাৰ সম্ভাৱনা'- ডঃ বিনয় কুমাৰ শইকীয়া

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১০ জুন ঃ যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ প্ৰাক্তন বিদ্যাৰ্থী সংগঠনৰ বিংশতম বাৰ্ষিক সাধাৰণ সভাখন কালি সংগঠনটোৰ গোলাঘাট শাখাৰ উদ্যোগত সফলতাৰে সম্পন্ন হয়। গোলাঘাট জিলাৰ নৱ নিৰ্মিত সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত এই সভাৰ আৰম্ভণিতে সংগঠনৰ পতাকা উত্তোলন কৰে কেন্দ্ৰীয় সভাপতি অভিযন্তা অৰিন্দম চৌধুৰীয়ে। ইয়াৰ পিছতে প্ৰয়াত সতীৰ্থসকলৰ স্মৰণত স্মৃতি তৰ্পণ অনুষ্ঠান সম্পন্ন কৰা হয়। ইয়াৰ পাছতে অনুষ্ঠিত হয় মুকলি সভা। সংগঠনটোৰ গোলাঘাট শাখাৰ সভাপতি অভিযন্তা পুলক গগৈয়ে আদৰণি ভাষণ প্ৰদান কৰা এই মুকলি সভাৰ আঁত ধৰে অভিযন্তা বিবেকানন্দ হাজৰিকাই। মুকলি সভাখনৰ আৰম্ভণিতে ভাৰত চৰকাৰৰ সন্মানীয় 'শান্তি স্বৰূপ ভাটনগৰ বঁটা' প্ৰাপক বিশিষ্ট বিজ্ঞানী ডঃ বিনয় কুমাৰ শইকীয়াক শৰাই আৰু স্মাৰক প্ৰদান কৰি উষ্ণ আদৰণি জনোৱা হয়। একেদৰে সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক জি. চিংগায়াহাক উষ্ণ আদৰণি জনোৱা হয়। অনুষ্ঠানত তিনিগৰাকী শিশু শিল্পীৰ কণ্ঠত পৰিবেশিত বৰগীত আৰু এগৰাকী কিশোৰীৰ আকৰ্ষণীয় সত্ৰীয়া নৃত্যই উপস্থিত সকলোকে আপ্লুত কৰে। সভাৰ মুখ্য বক্তা ডঃ বিনয় কুমাৰ শইকীয়াই কাৰ্বন নেনো-মেটেৰিয়েল ছ (Carbon Nanomaterials) আৰু কয়লাৰ বৈকল্পিক ব্যৱহাৰৰ ওপৰত কৰা তেওঁৰ যুগান্তকাৰী গৱেষণাৰ বিষয়ে এক দৃশ্য-শ্ৰাব্য (Audio-Visual) মাধ্যমৰ জৰিয়তে সুন্দৰ উপস্থাপন আগবঢ়ায়। ডঃ শইকীয়াই পৰিবেশ প্ৰদূষণকাৰী কয়লা আৰু ধূলিকণাক অতি মূল্যবান কাৰ্বন সামগ্ৰীলৈ ৰূপান্তৰ কৰাৰ সম্ভাৱনাৰ বিষয়ে ব্যাখ্যা কৰে। ইয়াৰ উপৰিও ভাৰতীয় কয়লা, বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ কয়লা ব্যৱহাৰ কৰি অতি কম খৰচতে 'কাৰ্বন কোৱাণ্টাম ডটছ' (CQDs) প্ৰস্তুত কৰা আৰু চিকিৎসা শাস্ত্ৰত ইয়াৰ গুৰুত্বপূৰ্ণ ব্যৱহাৰ সম্পৰ্কে এক তত্ত্বগধুৰ বক্তব্য ডাঙি ধৰে। বিয়লি অনুষ্ঠিত হোৱা বাৰ্ষিক সাধাৰণ সভাত সংগঠনটোৰ সাংগঠনিক দিশ মজবুত কৰাৰ লগতে ব্যাপক সদস্য ভৰ্তি অভিযানৰ ওপৰত আলোকপাত কৰা হয়। যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ প্ৰাক্তন বিদ্যাৰ্থী সংগঠন কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ৰাতুল ৰবদৈলৈয়ে বিগত কাৰ্যকালৰ বিতং খতিয়ান দাঙি ধৰাৰ লগতে আয় ব্যয়ৰ হিচাপ দাখিল কৰে। এই সভাতে আগন্তুক দুবছৰীয়া কাৰ্যকালৰ বাবে কেন্দ্ৰীয় সমিতিখন নতুনকৈ গঠন কৰা হয়। ইয়াত অভিযন্তা অৰিন্দম চৌধুৰীক সভাপতি, আধ্যাত্ম অজয় কৃষ্ণ দত্ত কাৰ্যকৰী সভাপতি আৰু অভিযন্তা ৰাতুল চন্দ্ৰ ৰবদৈলক সাধাৰণ সম্পাদক হিচাপে লৈ এখন পূৰ্ণাংগ কেন্দ্ৰীয় সমিতি গঠন কৰা হয়। শেষত সংগঠনৰ গোলাঘাট শাখাৰ সম্পাদক অভিযন্তা জ্ঞানদীপ বৰাই ধন্যবাদ সূচক শলাগৰ শৰাই আগবঢ়োৱাৰ পিছতে সভাৰ সামৰণি পৰে।

ইউৰোপীয় সংঘৰ এক উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলৰ জাগীৰোডস্থিত টাটা ইলেক্ট্ৰনিক্সৰ OSAT প্ৰকল্প পৰিদৰ্শন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৯ জুন ঃ ইউৰোপীয় সংঘৰ এক উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলে আজি মৰিগাঁও জিলাৰ জাগীৰোডস্থিত টাটা ইলেক্ট্ৰনিক্সৰ OSAT প্ৰকল্প পৰিদৰ্শন কৰে। প্ৰতিনিধি দলটোৰ নেতৃত্ব দিয়ে ভাৰতস্থিত ইউৰোপীয় সংঘৰ ৰাষ্ট্ৰদূত মহামান্য হাৰ্ভে ডেলফিন আৰু ভাৰতস্থিত বেলজিয়ামৰ ৰাষ্ট্ৰদূত মহামান্য ডিডিয়েৰ ভাণ্ডাৰহাছেল্টে। তেওঁলোকৰ সৈতে ইউৰোপীয় সংঘৰ আন কেই বাগৰাকীও প্ৰতিনিধি উপস্থিত আছিল। মৰিগাঁও জিলাৰ জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে বিশিষ্ট অতিথিসকলক আদৰণি জনায় আৰু পৰিদৰ্শনকালত তেওঁলোকৰ সৈতে উপস্থিত থাকে। এই পৰিদৰ্শনৰ জৰিয়তে প্ৰতিনিধি দলটোৱে জাগীৰোডত গঢ় লৈ উঠা অত্যাধুনিক ইলেক্ট্ৰনিক্স আৰু ছেমিকণ্ডাক্টৰ উৎপাদন ব্যৱস্থাৰ অগ্ৰগতিৰ বিষয়ে প্ৰত্যক্ষভাৱে অৱগত হয়।

১ জানুৱাৰী '২৬ৰ পৰা অষ্টম দৰমহা আয়োগ কাৰ্যকৰী কৰাৰ দাবী

মাজুলীত সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা

অসম বাৰ্তা, মাজুলী, ১০ জুন ঃ মাজুলীৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ নিয়মীয়াকৰণ, অষ্টম দৰমহা আয়োগ আৰু টেটৰ পৰা ৰেহাইৰ দাবীৰে মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ ৰংগমঞ্চত অনুষ্ঠিত হোৱা সদৌ অসম কৰ্মচাৰী পৰিষদৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা মাজুলী জিলা কৰ্মচাৰী পৰিষদৰ আহ্বান আৰু আতিথ্যত অনুষ্ঠিত হৈ যায়। এই গুৰুত্বপূৰ্ণ সভাত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা কেন্দ্ৰীয় সমিতিৰ সন্মানীয় বিষয়ববীয়া, কৰ্মকৰ্তা আৰু কাৰ্যনিৰ্বাহক সদস্যসকলে অংশগ্ৰহণ কৰে। সংবাদ মাধ্যমৰ সন্মুখত পৰিষদৰ নেতৃত্বই সভাখনত গ্ৰহণ কৰা মূল প্ৰস্তাৱসমূহ ডাঙি ধৰে, যত প্ৰধানকৈ দৰমহাৰ গাঁথনি, চাকৰিৰ সুৰক্ষা আৰু আইনী ৰেহাইৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ অষ্টম দৰমহা আয়োগৰ প্ৰতিবেদন যাতে একে হয়, সেই সন্দৰ্ভত আজিৰ সভাত আলোচনা কৰা হয়। কৰ্মচাৰী পৰিষদে দাবী উত্থাপন কৰিছে যে ১ জানুৱাৰী, ২০২৬ তাৰিখৰ পৰাই এই অষ্টম দৰমহা আয়োগৰ প্ৰতিবেদন কাৰ্যকৰী কৰিব লাগে। দ্বিতীয় তে টেট (TET) বাধ্যতাবাধকতাৰ পৰা ৰেহাই: সন্মানীয় শিক্ষকসকলৰ বাবে টেটটো বাধ্যতামূলক কৰাৰ যি নিৰ্দেশনা উচ্চতম ন্যায়ালয়ে দিছে, সেই নিৰ্দেশনাৰ পৰা শিক্ষকসকলক ৰেহাই দিয়াৰ কি বিধিগত বা আইনী ব্যৱস্থা আছে, তাক নিৰূপণ কৰাৰ বাবে অসম চৰকাৰৰ ওচৰত দাবী জনোৱা হ'ব বুলি জানিবলৈ দিয়ে। অসম চৰকাৰৰ অধীনস্থ বৰ্কচাৰ (Work-charged), কেজুৱেল, ফিক্ড-পে' আৰু মান্থলি ৰুলৰ যিসকল কৰ্মচাৰীৰ চাকৰি এতিয়াও নিয়মীয়া হোৱা নাই আৰু অবসৰৰ পাছত কোনোধৰণৰ ভাট্টা বা সুৰক্ষাৰ ব্যৱস্থা নাই, তেওঁলোকক অতি সোনকালে নিয়মীয়াকৰণ কৰি অবসৰকালীন জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ অসম চৰকাৰক দাবী জনোৱা দাবীসমূহ উত্থাপন কৰাৰ লগতে, ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকলৰ বাবে গ্ৰহণ কৰা শেহতীয়া ঐতিহাসিক সিদ্ধান্তক কৰ্মচাৰী পৰিষদে আন্তৰিকতাৰে আদৰণি জনাইছে। আমাৰ বিদ্যালয়সমূহত কৰ্মৰত যিসকল অৰ্হতাসম্পন্ন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী যুগ যুগ ধৰি একেটা পদতে আছিল, তেওঁলোকক গ্ৰেড থ্ৰী (Grade 3) লৈ পদোন্নতি দিয়া বা সেই ধৰণে দৰমহা দিয়াৰ যি সিদ্ধান্ত চৰকাৰে কেবিনেটত গ্ৰহণ কৰিছে, তাক পৰিষদে প্ৰশংসা কৰিছে। বিশেষকৈ স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰিব চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি থকাসকলৰ বাবে এয়া এক অতি ভাল খবৰ আৰু ইয়াৰ দ্বাৰা তেওঁলোকে উচিত প্ৰাপ্য সন্মান আৰু মৰ্যাদা লাভ কৰিব। চৰকাৰী ব্যৱস্থা তথা ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ একো একোজন ভাগীদাৰ হিচাপে, সদৌ অসম কৰ্মচাৰী পৰিষদে চৰকাৰৰ ওপৰত যথেষ্ট প্ৰত্যাশা ৰাখিছে। তেওঁলোকে আশা প্ৰকাশ কৰিছে যে চৰকাৰে বিগত সময়ৰ দৰেই এই গুৰুত্বপূৰ্ণ সমস্যাসমূহো অতি সোনকালে সমাধান কৰিব। মাজুলীৰ প্ৰাকৃতিক পৰিবেশৰ মাজত মোহিত প্ৰতিনিধি সকলে মাজুলীৰ আতিথ্যত সন্তোষ প্ৰকাশ কৰে।

বগীনদী উচ্চ মাধ্যমিক বিদ্যালয়ত বিজ্ঞানাগাৰ উন্মোচন

অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১০ জুন ঃ লখিমপুৰ শিক্ষা খণ্ডৰ বগীনদী উচ্চ মাধ্যমিক বিদ্যালয়ত ৮ জুনত এটা বিজ্ঞানাগাৰ উন্মোচন কৰাৰ লগতে অভিভাৱক সভা অনুষ্ঠিত হয়। ১৮.৯৭ লাখ টকাৰে নিৰ্মাণ কৰা বিজ্ঞানাগাৰটো ফিতা কাটি উন্মোচন কৰে বগীনদী উচ্চ মাধ্যমিক বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি বিনাৰাম সোণোৱালে। বন্তি প্ৰজুলন কৰে বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষক প্ৰফুল্ল সোণোৱালে। বিজ্ঞানাগাৰটোৰ জৰিয়তে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞান বিষয়ক অধ্যয়নত যথেষ্ট উপকৃত হ'ব বুলি সকলোৱে মত ব্যক্ত কৰে। আনহাতে, বিজ্ঞানাগাৰ উন্মোচনৰ পিছতে অনুষ্ঠিত অভিভাৱক সভাত সভাপতিত্ব কৰে বগীনদী উচ্চ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতি আৰু উন্নয়ন সমিতিৰ উপদেষ্টা বিশ্বনাথ দত্তই। বিদ্যালয়খনৰ প্ৰধান শিক্ষক ফটিক চন্দ্ৰ শৰ্মাই আঁত ধৰা সভাত ছাত্ৰ-ছাত্ৰীসকলক বিদ্যায়তনিক দিশৰ লগতে সহঃবিদ্যায়তনিক দিশত আগবঢ়াই লৈ যোৱাৰ কথা কয়। শিক্ষক আৰু অভিভাৱকে মন্তব্য আগবঢ়োৱাৰ লগতে বিভিন্ন বিষয়ত বিশদভাৱে আলোচনা কৰা হয়। এই সভাতে বিদ্যালয়খনৰ মাতৃ গোটো গঠন কৰা হয়। সভাত বিদ্যালয়খনৰ শিক্ষক, কৰ্মচাৰী আৰু অভিভাৱক সমাজৰ লগতে বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ উপ-সভাপতি জ্যোতিকমল বৰা, অবসৰী কৰ্মচাৰী পদ্ম ভূঞা আদি উপস্থিত থাকে।

গুৱাহাটী পঞ্চৰত্ন অধিৱেশনত ব্যাপক বিত্তীয় অনিয়ম; পাঁচজনীয়া তদন্ত সমিতি গঠন

গোলাঘাটত অসম সাহিত্য সভাৰ পঞ্চম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক অধিৱেশন সম্পন্ন

সাহিত্য সভা এটা দবা নহয় যে যাৰ মন যাব সিয়ে বজাব ঃ ডঃ বসন্তকুমাৰ গোস্বামী

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১০ জুন ঃ গোলাঘাট জিলা সাহিত্য সভাৰ আতিথ্যত অসম সাহিত্য সভাৰ পঞ্চম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক অধিৱেশনখন গোলাঘাটৰ বীৰাংগনা সতী সাধনী কলাক্ষেত্ৰত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পূৱা ৮-৪৫ বজাত গোলাঘাট জিলা সাহিত্য সভাৰ সভাপতি বন্তি বৰাই সভাৰ পতাকা উত্তোলন কৰাৰ পাছতেই কাৰ্যকৰী সভাপতি দিগন্ত ভূঞাই স্মৃতি তৰ্পণ অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছতেই ৯-১০ বজাৰ পৰা বীৰাংগনা সতী সাধনী কলাক্ষেত্ৰত সদস্যসকলৰ পঞ্জীয়নপৰ্ব আৰম্ভ হয়। পূৱা ১০-৩০ বজাৰপৰা অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্তকুমাৰ গোস্বামীৰ সভাপতিত্বত ২০২৫-২৭ কাৰ্যবৰ্ষৰ পঞ্চম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক অধিৱেশন অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে 'চিৰ চেনেহী মোৰ ভাষা জননী'শীৰ্ষক গীত পৰিৱেশন কৰে গোলাঘাট জিলা সাহিত্য সভাৰ সদস্যসকলে। ইয়াৰ পাছতেই সভাৰ প্ৰধানসম্পাদক দেৱজিৎ বৰাই সভাৰ সভাপতি আৰু উপসভাপতিক আসন গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়। ইয়াৰ লগে লগে সভাপতি ডঃ বসন্তকুমাৰ গোস্বামী আৰু উপসভাপতি পদুম ৰাজখোৱাদেৱে বন্তি প্ৰজ্জ্বলন কৰি সভাৰ কাৰ্যক্ৰমণিকা আৰম্ভ কৰে। প্ৰধানসম্পাদকে ধনঈ ৰাজী মণিৰাম লাহন, আদৰণী সমিতিৰ সভাপতি ডঃ দেৱজিৎ ফুকন, অসম সাহিত্য সভাৰ কৰ্যধাৰ সমিতিৰ সদস্যসকল, যোৰহাট কেন্দ্ৰীয় কাৰ্যালয়ৰ ধৰি প্ৰতিটো আঞ্চলিক কাৰ্যালয়ৰ সম্পাদকসকল, বিভিন্ন জিলা সভাৰ বিষয়ববীয়াসকল আৰু বিভিন্ন উপশমিতিৰ কাৰ্যকৰী সভাপতি আৰু আহ্বায়ক প্ৰমুখ্যে বিষয়ববীয়াসকলক আসন গ্ৰহণ কৰিবলৈ আহ্বান জনায়। বিষয়ববীয়াসকলে আসন গ্ৰহণ কৰাৰ পিছতেই সভাপতিৰ আহ্বান ক্ৰমে শোক-প্ৰস্তাৱ পাঠ কৰিবলৈ কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ডঃ জ্যোতিৰেখা হাজৰিকাক অনুৰোধ জনায়। ডঃ হাজৰিকাই শোক-প্ৰস্তাৱটি সকলোৰে জ্ঞানাৰ্থে পাঠ কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। ইয়াৰ পাছতেই সভাপতি মহোদয়ৰ আহ্বান ক্ৰমে আদৰণী সমিতিৰ মাননিয় সভাপতি ডঃ দেৱজিৎ ফুকনে সভাৰ আদৰণী ভাষণ আগবঢ়ায়। তেখেতে বক্তব্য প্ৰসঙ্গত সভাখন আয়োজন কৰোঁতে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰে। তেখেতে এই পূৰ্ণাঙ্গ কাৰ্যনিৰ্বাহক অধিৱেশনে সাহিত্য সভা বিশেষ ভূমিকা পালন কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰে। ইয়াৰ পাছতে অসম সাহিত্য সভাৰ সভাপতি ডঃ গোস্বামীয়ে প্ৰাৰম্ভিক ভাষণ আগবঢ়াই প্ৰসংগক্ৰমে তেখেতে অসম সাহিত্য সভাই লোক পিয়লত ল'ব লগা সাৱধানতাৰ কথাও উল্লেখ কৰে। অসম সাহিত্য সভাৰ মূল লক্ষ্য হ'ল সমন্বয়। সেয়েহে আমি সকলো জাতি-জনগোষ্ঠী ভ্ৰাতৃ আৰু ভগ্নীৰূপে জীয়াই থাকিবলৈ আমাক লাগিব সাংস্কৃতিক আৰু বিদ্যায়তনিক কাৰ্যসূচী। এই দিশলৈ লক্ষ্য কৰি তিনিচুকীয়াত এখন সাংস্কৃতিক কাৰ্যসূচী কৰাৰ কথা তেখেতে অৱগত কৰে। বিত্তীয় অনিয়মত হোৱা বিভিন্ন আসোঁৱাহ, খেলিমেলি আৰু আৱৰ্জনাবোৰ দূৰ কৰিবলৈ অসম সাহিত্য সভাই পাটী পইচা এটাও হেৰফেৰ নকৰে বুলি ন-দি কয়। ভাষা-গৌৰৱ আঁচনিত যাতে কোনো খেলিমেলি নহয়, তাৰ বাবে অসম সাহিত্য সভাই সদায় দৃষ্টি ৰাখিব। অসম সাহিত্য সভাই 'উদাম আঁচনি' গ্ৰহণ কৰি মহাসভাখনৰ বাবে কাম কৰি যাব। লগতে সামাজিক মাধ্যমত প্ৰচাৰ হোৱা অহেতুক কথাৰ বিষয়ে অৱগত কৰে। তেখেত ভাষণ প্ৰসংগত কয়- "সাহিত্য সভা এটা দবা নহয় যে যাৰ মন যায় সিয়ে বজাব।" বৈদ্যুতিন মাধ্যমত বড়ো আৰু মিচিং ভাষাৰ বিষয়ে কোৱা কথাৰ বিকৃত ব্যাখ্যা সন্দৰ্ভত তেখেতে কোৱা মন্তব্য সভাক অৱগত কৰে। আনহাতে নেপাল এটি নামঘৰ প্ৰতিষ্ঠাৰ বাবে চৰকাৰৰ সহযোগিতা বিচাৰৰ কথাও তেখেতে উল্লেখ কৰে। এই বৰ্ষতে নোবেল সমিতিত অসম সাহিত্য সভাৰ উল্লেখ থাকিব বুলি কয়। সামাজিক মাধ্যমৰ বিষয়ে মন্তব্য দি তেওঁ কয়, সামাজিক মাধ্যমৰ কোনো সম্পাদক নাই, যাৰ যি মন যায়, তাকেই কয়। অসাহিত্যিকৰ দখল পনি সাহিত্য সভাত নীতিগত নহয় বুলিও তেখেতে অভিহিত কৰে। ইয়াৰ পাছতে আদৰণী সমিতিয়ে প্ৰকাশ কৰা আৰু দিলীপ কুমাৰ শৰ্মাই সম্পূৰ্ণ আৰ্থিক ব্যয় বহন কৰি সম্পাদনা কৰা স্মৃতিগ্ৰন্থ 'সাঁচিপাত' আৰু অসম সাহিত্য সভা পত্ৰিকা উন্মোচন কৰে সভাপতি ডঃ বসন্তকুমাৰ গোস্বামীয়ে। ছাইফুল ছুছেইন বৰাৰ 'গোলাঘাট' প্ৰধানসম্পাদক দেৱজিৎ বৰাই, শিশু-উপন্যাস 'পুৰস্কাৰ' উপসভাপতি পদুম ৰাজখুৱাই, ন' কম্প্ৰমাইজ' আদৰণী সমিতিৰ সভাপতি দেৱজিৎ ফুকনে আৰু মিনতি দলেৰ 'বেটিং ফৰ লাইট' জ্যোতিৰেখা হাজৰিকাই উন্মোচন কৰে। ইয়াৰ পাছতেই প্ৰধানসম্পাদক দেৱজিৎ বৰাই সম্পাদকীয় প্ৰতিবেদন, ধনঈৰালী মণিৰাম লাহনে বিত্তীয় প্ৰতিবেদন, স্থায়ী বিত্তীয় নিধিৰ আহ্বায়ক গোবিন্দ কলিতাই স্থায়ী বিত্তীয় নিধিৰ প্ৰতিবেদন পাঠ কৰে। প্ৰতিবেদন পাঠ কৰাৰ পাছতে অসম সাহিত্য সভাৰ স্থায়ী বিত্তীয় নিধিৰ আহ্বায়ক গোবিন্দ কলিতাৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা স্থায়ী সভ্য কোষ আৰু প্ৰচাৰ উপশমিতিৰ আহ্বায়ক শংকুসিদ্ধ নাথৰ সম্পাদনাত প্ৰকাশ কৰা বাৰ্তা আলোচনীখন উন্মোচন কৰে সভাৰ সভাপতি ডঃ বসন্তকুমাৰ গোস্বামীয়ে। ইয়াৰ পাছতে গুৱাহাটী পঞ্চৰত্ন অধিৱেশনৰ ব্যাপক হাৰৰ ধাৰৰ সম্পৰ্কে বিশদ আলোচনা কৰা হয়। গুৱাহাটী পঞ্চৰত্ন অধিৱেশনৰ ধাৰৰ বোজা আদৰণী সমিতিয়ে বহন কৰিব লাগিব। এই ধাৰৰ বোজা কেতিয়াও অসম সাহিত্য সভাই বহন নকৰে বুলি আজিৰ সভাত সিদ্ধান্ত গ্ৰহণ কৰে আৰু সভাৰ বিভিন্ন সাংগঠনিক দিশ আলোচনা কৰি প্ৰস্তাৱ গ্ৰহণ কৰে। শেষত সভাপতি ডঃ বসন্তকুমাৰ গোস্বামীয়ে সভাপতিৰ বক্তব্য আগবঢ়ায় সভাখন সফলভাৱে ৰূপায়ণ কৰাত উপস্থিত সকলোকে ধন্যবাদ জনোৱাৰ লগতে কৃতজ্ঞতা জ্ঞাপন কৰি জাতীয় সংগীতেৰে সভাখন পৰিসমাপ্তি ঘটায়।

অংশগ্ৰহণ কৰিব ঔপন্যাসিক জুৰী বৰা বৰগোহাঞিয়ে

১৮ জুনত গোলাঘাট জামুগুৰি প্ৰেছ ক্লাবৰ কৃতীমানক অভিনন্দন আৰু শৈক্ষিক বঁটা প্ৰদান অনুষ্ঠান

অসম বাৰ্তা, মেৰাপানী, ১০ জুন ঃ গোলাঘাট জিলাৰ জামুগুৰি প্ৰেছ ক্লাবৰ আজি এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা প্ৰেছ ক্লাবৰ সভাপতি প্ৰসেনজিৎ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক পাৰ্থ প্ৰতিম শইকীয়াই। উক্ত সভাত ক্লাবৰ উপদেষ্টা গৌৰি শংক

অনিত সতোলাৰ কুৰিৰো অধিক ছাত্ৰ-ছাত্ৰীক আৰ্থিক অনুদান

মেধাৱী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা; মাজুলী কমলাবাৰী ধাপক গাঁও উন্নয়ন সমিতিৰ অভিনৱ পদক্ষেপ

অসম বাৰ্তা, উজনী মাজুলী, ১০ জুন ঃ পঢ়া-শুনাৰ প্ৰতি গাঁৱৰ ল'ৰা-ছোৱালীক উৎসাহিত কৰাৰ লক্ষ্যৰে ৭ জুনত মাজুলীৰ কমলাবাৰীৰ ধাপক গাঁৱত এক হৃদয়স্পৰ্শী অনুষ্ঠানৰ আয়োজন কৰা হয়। ধাপক গাঁও উন্নয়ন সমিতিৰ উদ্যোগত আৰু গাঁৱৰে নিবাসী ভাৰতীয় সেনা জোৱান অনিত সতোলাৰ মুখ্য আতিথ্যৰে এই বাৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ধাপক গাঁও নামঘৰ প্ৰাংগনত অনুষ্ঠিত হোৱা এই সম্বৰ্ধনা অনুষ্ঠানত গাঁৱৰে কৃতী ছাত্ৰ-ছাত্ৰীসকলক এখনি ফুলাম গামোচা, প্ৰমাণ-পত্ৰ, কলম আৰু নগদ ধনৰে সম্বৰ্ধনা জনাই সেনাজোৱান অনিত সাতোলাই। অনিত সতোলাই ছাত্ৰ-ছাত্ৰীসকলক আশীৰ্বাদ দি কয় "তোমালোকেই হ'বা কাইলৈৰ দেশৰ ভৱিষ্যত। দেশসেৱা কৰাৰ লগতে সমাজ গঢ়াতো আগবাঢ়ি আধাৰসাৱ আৰু একাগ্ৰতাৰে পঢ়া-শুনা কৰিলে যিকোনো ক্ষেত্ৰতে সফল হ'ব পাৰিবা। সেনা, প্ৰশাসন, ডাক্তৰ, ইঞ্জিনিয়াৰ- যি হ'ব খুজা, সেই সপোন পূৰণ কৰা।" তেওঁৰ অনুপ্ৰেৰণা শুনি ছাত্ৰ-ছাত্ৰীৰ লগতে উপস্থিত ৰাইজো আপ্লুত হৈ পৰে। বহু অভিভাৱকে কয় যে গাঁৱৰে এজন সেনা জোৱানৰ হাতৰ পৰা সন্মান লাভ কৰি তেওঁলোকৰ সন্তান আৰু অধিক উৎসাহিত হ'ব। সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থকা গাঁৱৰ জ্যেষ্ঠ নাগৰিক, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলে ধাপক গাওঁ উন্নয়ন সমিতিৰ আৰু সেনা জোৱান অনিত সাতোলাৰ এই পদক্ষেপক শলাগ লয়। তেওঁলোকে কয় যে এনে অনুষ্ঠানে গাঁৱৰ শিক্ষাৰ পৰিৱেশ সুস্থ কৰি তুলিব। সমিতিয়ে ভৱিষ্যতে গাঁৱত এখন পাঠাগাৰ স্থাপন, দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পুথি-বহী বিতৰণ আৰু কেৰিয়াৰ কাউন্সেলিং শিবিৰ আয়োজন কৰাৰো প্ৰতিশ্ৰুতি দিয়ে। ধাপক গাঁৱৰ এই অনুষ্ঠানে প্ৰমাণ কৰিলে যে গাঁও এখনৰ উন্নয়নৰ মূল চাবিকাঠি হ'ল শিক্ষা। আৰু শিক্ষাক সন্মান দিলেই সমাজ আগবাঢ়ে। কালি সম্বৰ্ধনা পোৱা প্ৰতিভাৱাকী মেধাৱী ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে সেনা জোৱান অনিত সাতোলাই। জন্মগ্ৰহণ কৰি আজি মই দেশসেৱা কৰিব পাৰিছোঁ। তোমালোকেও অধ্যৱসায় আৰু একাগ্ৰতাৰে পঢ়া-শুনা কৰিলে যিকোনো ক্ষেত্ৰতে সফল হ'ব পাৰিবা। সেনা, প্ৰশাসন, ডাক্তৰ, ইঞ্জিনিয়াৰ- যি হ'ব খুজা, সেই সপোন পূৰণ কৰা।" তেওঁৰ অনুপ্ৰেৰণা শুনি ছাত্ৰ-ছাত্ৰীৰ লগতে উপস্থিত ৰাইজো আপ্লুত হৈ পৰে। বহু অভিভাৱকে কয় যে গাঁৱৰে এজন সেনা জোৱানৰ হাতৰ পৰা সন্মান লাভ কৰি তেওঁলোকৰ সন্তান আৰু অধিক উৎসাহিত হ'ব। সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থকা গাঁৱৰ জ্যেষ্ঠ নাগৰিক, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলে ধাপক গাওঁ উন্নয়ন সমিতিৰ আৰু সেনা জোৱান অনিত সাতোলাৰ এই পদক্ষেপক শলাগ লয়। তেওঁলোকে কয় যে এনে অনুষ্ঠানে গাঁৱৰ শিক্ষাৰ পৰিৱেশ সুস্থ কৰি তুলিব। সমিতিয়ে ভৱিষ্যতে গাঁৱত এখন পাঠাগাৰ স্থাপন, দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পুথি-বহী বিতৰণ আৰু কেৰিয়াৰ কাউন্সেলিং শিবিৰ আয়োজন কৰাৰো প্ৰতিশ্ৰুতি দিয়ে। ধাপক গাঁৱৰ এই অনুষ্ঠানে প্ৰমাণ কৰিলে যে গাঁও এখনৰ উন্নয়নৰ মূল চাবিকাঠি হ'ল শিক্ষা। আৰু শিক্ষাক সন্মান দিলেই সমাজ আগবাঢ়ে। কালি সম্বৰ্ধনা পোৱা প্ৰতিভাৱাকী মেধাৱী ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে সেনা জোৱান অনিত সাতোলাই।

দোতমা আৰক্ষীৰ তৎপৰতাত আটক দুটাকৈ গৰু চোৰ

অসম বাৰ্তা, কোকৰাঝাৰ, ১০ জুন ঃ যোৰা ৰৰিবাৰে কোকৰাঝাৰ জিলাৰ দোতমা থানাৰ অন্তৰ্গত শিকাৰগাঁৱৰ পৰা তিনিটাকৈ গৰু চুৰি হোৱাৰ বাতৰি প্ৰকাশ পাইছিল। বাতৰি প্ৰকাশ পোৱাৰ ২৪ ঘণ্টাৰ ভিতৰতে দোতমা আৰক্ষীয়ে আটক কৰে দুজনকৈ চোৰক। চোৰ দুজন দোতমা থানাৰ অন্তৰ্গত বাইগনবাৰীৰ পচা আলী আৰু পশ্চিম ছাৰাগাঁৱৰ ছপিজল সেখ বুলি জানিব পৰা গৈছে। উল্লেখ্য যে অকল দুজন লোকে তিনিটাকৈ গৰু চুৰি কৰি লৈ যোৱাটো অসম্ভৱ যেন অনুভৱ হয়। এনে বৃহৎ চুৰিকাণ্ডৰ লগত এটা বৃহৎ চক্ৰ জড়িত থকাৰ সন্দেহ হয়। এতিয়া লক্ষণীয় হ'ব আৰক্ষীয়ে তদন্ত কৰি কেইজন চোৰক কৰায়ত্ত কৰিবলৈ সক্ষম হয়, অপেক্ষা মাথোঁ চাৰি-পাঁচদিনৰ। ঘটনাটোৰ সৈতে জড়িত থকাৰ সন্দেহত আন এজন ব্যক্তিক আটক কৰিছিল যদিও এতিয়ালৈকে সেইজন ব্যক্তিৰ সবিশেষ তথ্য আমাৰ হাতত অহা নাই, পৰৱৰ্তী বাতৰিত আমি তথ্য সংগ্ৰহ কৰি জনাবলৈ চেষ্টা কৰিম।

২৫ চেপ্টেম্বৰত অসমৰ ছবিগৃহত মুক্তি লাভ কৰিব 'বীৰাংগনা সাধনী' বোলছবি

'কুণ্ডিল সেনা'ৰ বিৰুদ্ধে গৰজি উঠিল পাঁচটাকৈ চুতীয়া জনগোষ্ঠীয় সংগঠন

উন্নয়ন পৰিষদত চৰকাৰে দিয়া ১২০ কোটি টকাৰ কোনো ধৰণৰ অনিয়ম সংঘটিত হোৱা নাই

অসম বাৰ্তা, ষ্টাফ ৰিপ'টাৰ, ১০ জুন ঃ গোলাঘাট, সদৌ চুতীয়া জাতি সন্মিলন, অসম, চুতীয়া উন্নয়ন পৰিষদ, সদৌ অসম চুতীয়া ছাত্ৰ সন্থা, চুতীয়া যুৱ সন্মিলন, অসম আৰু চুতীয়া জাতি মহিলা সন্মিলন, অসমকে ধৰি কেইবাটাও কেন্দ্ৰীয় চুতীয়া সংগঠনে 'কুণ্ডিল সেনা' নামৰ এক স্বয়ম্ভু সংগঠনৰ জৰিয়তে কিছু ব্যক্তিয়ে চুতীয়া উন্নয়ন পৰিষদত দুৰ্নীতি সংঘটিত হোৱাবুলি অভিযোগ উত্থাপন কৰা সন্দৰ্ভত কালি গোলাঘাটত এক সংবাদমেল সম্বোধন কৰে। গোলাঘাটৰ 'হামদৈ হোটেল'ৰ সভাকক্ষত আয়োজিত সংবাদমেল সম্বোধন কৰি কেইটা সংগঠনে চুতীয়া উন্নয়ন পৰিষদ আৰু চুতীয়া জাতিৰ প্ৰতিষ্ঠিত সংগঠনসমূহক সামাজিকভাৱে হেয় প্ৰতিপন্ন কৰাৰ অপচেষ্টা চলোৱা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। তেওঁলোকে এনে অপচাৰক তীব্ৰ গৰিহণা দিয়াৰ লগতে প্ৰয়োজন হ'লে আইনী ব্যৱস্থা গ্ৰহণ কৰাৰো সতৰ্কবাণী দিয়ে। তেওঁলোকে জানিবলৈ দিয়ে যে চুতীয়া উন্নয়ন পৰিষদ আৰু চৰকাৰৰ সহযোগিতাত চুতীয়া অধ্যুষিত এলেকাৰ লগতে চুতীয়া জনগোষ্ঠৰ সৰ্বাংগীণ বিকাশৰ কাৰণে বিভিন্ন উন্নয়নমূলক আঁচনি সফলভাৱে ৰূপায়ণ কৰি আহিছে। উন্নয়ন পৰিষদে চুতীয়া জনগোষ্ঠীৰ উপযুক্ত হিতাধিকাৰীৰ মাজত আঁচনিৰ ধন প্ৰদান কৰি সহায়ৰ হাত আগবঢ়াই অহাৰ লগতে চুতীয়া জনগোষ্ঠীৰ ঐতিহ্য আৰু পৰম্পৰা, সংস্কৃতি, আত্মপৰিচয় সংৰক্ষণৰ লক্ষ্যৰে নিৰ্মিত চুতীয়া জাতিৰ উন্নয়ন পৰিষদৰ আৰ্থিক সাহায্যত নিৰ্মিত প্ৰথমখন চলচ্চিত্ৰ 'বীৰাঙ্গনা সাধনী' অহা ২৫ ছেপ্টেম্বৰত অসমৰ ছবিগৃহত মুক্তি লাভ কৰিব বুলি জানিবলৈ দিয়ে। চলচ্চিত্ৰখনক চুতীয়া জাতিৰ ইতিহাস, সংস্কৃতি আৰু আত্ম গৌৰৱৰ প্ৰতীক আখ্যা দি সকলোকে ছবিগৃহলৈ গৈ চিনেমাখন উপভোগ কৰাৰ আহ্বান জনায়। একে সময়তে মুখ্যমন্ত্ৰী আৰু অসম চৰকাৰক জনগোষ্ঠীটোৰ উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে সংগঠনসমূহে। এই সন্দৰ্ভত চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি মহেন বৰাই কয় উন্নয়ন পৰিষদৰ আঁচনিৰ ধন আৱণ্টনৰ সময়ত চুতীয়া জনগোষ্ঠীৰ পাঁচটা সংগঠনে এক সভাত মিলিত হও। চুতীয়া জাতিৰ কেইজনমান দুষ্কৃতিকাৰীয়ে 'কুণ্ডিল সেনা' নামৰ এটা অখ্যাত সংগঠনৰ জন্ম দি চুতীয়া জনগোষ্ঠীৰ সংগঠন সমূহক সামাজিকভাৱে হেয় প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰা দেখা গৈছে। যোৰহাট 'দহ পইচা' নামৰ এজন দাগী অপৰাধীক বহুবাৰ জেললৈ যোৱা আৰু এজন পোৰ্টেল সাংবাদিক 'ডগত নেওগ' যাৰ ঘৰৰ পৰা উচ্চপদস্থ বিষয়াৰ চীল মোহৰ জব্দ কৰাৰ লগতে গঁড়ৰ খৰ্গৰ চোৰাং বেহাৰ লগত জড়িতৰ অভিযোগত কেইবাবাৰো জেললৈ যোৱা ব্যক্তিসকলে চুতীয়া জনগোষ্ঠীৰ লোকৰ মাজত চুতীয়া সংগঠনসমূহক হেয় প্ৰতিপন্ন কৰাৰ অধিকাৰ নাই। আমি পাঁচটা চুতীয়া জাতি সংগঠনে 'কুণ্ডিল সেনাক' নিষিদ্ধ ঘোষণা কৰিছোঁ আৰু গুৱাহাটী সতী সাধনী কলাচক্ৰত তেওঁলোকৰ প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰিছোঁ। অসম চৰকাৰৰ লগত আলোচনা মৰ্মে চুতীয়া জনগোষ্ঠীৰ উন্নয়নৰ বাবে ১২৫ কোটি টকা ঘোষণা কৰিছিল আৰু ইতিমধ্যে ১২০ কোটি টকা আৱণ্টন দিছে সেই ধনেৰে চুতীয়া জনগোষ্ঠীৰ বিভিন্ন উন্নয়নমূলক কাম কাজ কৰি থকা হৈছে। ইতিমধ্যে প্ৰায় ৭০ কোটি টকা ব্যয় কৰা হৈছে আৰু ৫০ কোটি টকা বেংকত জমা আছে। তেনে ক্ষেত্ৰত তেওঁলোকে ১২৫ কোটি টকাৰ অবাধ দুৰ্নীতি হোৱা বুলি ভুৱা প্ৰচাৰ চলাই আছে। যাৰ বাবে তেওঁলোকক আমি সকিয়নী প্ৰদান কৰিছোঁ আৰু আইনগত ব্যৱস্থা গ্ৰহণ কৰিবলৈয়ো সিদ্ধান্ত গ্ৰহণ কৰিছোঁ। ইয়াৰ উপৰিও 'কুণ্ডিল সেনা'ক কোনোদিনে চুতীয়া উন্নয়ন পৰিষদৰ পৰা ধন আৱণ্টন নিদিয়াৰ সিদ্ধান্ত লোৱা হৈছে বুলিও সভাপতি মহেন বৰাই সংবাদমেলত জানিবলৈ দিয়ে। তেওঁলোকৰ সহ সাহস আছে আমাৰ সৈতে মুখামুখি বাইজমেল আয়োজন কৰি আমাৰ সৈতে বহক। চৰকাৰৰ লগত আলোচনা কৰি অসমৰ পাঁচটা স্থানত সাধনী ভৱন নিৰ্মাণ কৰা হৈছে চুতীয়া ৰাজ্যৰ কৃতিচিহ্ন প্ৰতিমাগড় পদুম পুখুৰী সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ উপৰিও সাংস্কৃতিক আৰু শৈক্ষিক ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। তেনে ক্ষেত্ৰত তেওঁলোকে কৰা অপবাদৰ আমি তীব্ৰ বিৰোধিতা কৰিছোঁ। আনহাতে চুতীয়া জনগোষ্ঠীৰ বীৰাংগনা সাধনীৰ ওপৰত ভিত্তি কৰি 'বীৰাংগনা সাধনী' নামৰ এখন বোলছবি নিৰ্মাণ কৰা হৈছে। ২৫ ছেপ্টেম্বৰত অসমৰ ছবিগৃহত মুক্তি লাভ কৰিব 'বীৰাংগনা সাধনী' বোলছবিখনে অসমৰ ছবিগৃহত মুক্তিলাভ বুলিও তেওঁ জানিবলৈ দিয়ে। আনহাতে সংবাদমেলত উপস্থিত থাকি চুতীয়া উন্নয়ন পৰিষদৰ আধ্যক্ষ কুলকমল বৰুৱাই কয় আজি কিছুদিন ধৰি 'কুণ্ডিল সেনা'ৰ কিছু ব্যক্তিয়ে আমাৰ চুতীয়া উন্নয়ন পৰিষদৰ বিৰুদ্ধে অশ্লীল গালি গালাজ কৰাৰ লগতে উন্নয়ন পৰিষদত দুৰ্নীতি সংঘটিত হোৱা বুলি অভিযোগ আনিছে। তেওঁলোকৰ এই অভিযোগ একেষাৰে নাকচ কৰাৰ লগতে পৰিষদক হেয় প্ৰতিপন্ন কৰা কাৰ্যক তীব্ৰ আমি গৰিহণা দিছোঁ। চুতীয়া উন্নয়ন পৰিষদৰ জৰিয়তে চুতীয়া জনগোষ্ঠীৰ জনকল্যাণমূলক আঁচনি গ্ৰহণ কৰো। তাৰে ভিতৰত চুতীয়া উন্নয়ন পৰিষদে এশ গৰাকী ছাত্ৰ-ছাত্ৰীৰ এউ পি এচ চিৰবাবে ছাত্ৰ সন্থাৰ উদ্যোগত শিক্ষা দি থকা হৈছে। চিকিৎসা, বিজ্ঞান, ইঞ্জিনিয়াৰিং, অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীক একঁকালীন সাহায্য প্ৰদান কৰাৰ লগতে চুতীয়া জনগোষ্ঠীৰ কলা, সাংস্কৃতিক দিশত বিশেষ আঁচনি গ্ৰহণ কৰা হৈছে। চুতীয়া জনগোষ্ঠীৰ আটাইবোৰ সংগঠনৰ সৈতে আলোচনা কৰিবহে সকলো আঁচনি গ্ৰহণ কৰা হয়। চুতীয়া অধ্যুষিত এলেকাত ২০০০কৈ অধিক নামঘৰক আমি চুতীয়া উন্নয়ন পৰিষদৰ পৰা সাহায্য প্ৰদান কৰা হৈছে। চুতীয়া ছাত্ৰ সন্থাৰ গুৱাহাটী কাৰ্যালয় নিৰ্মাণ কৰা হৈছে, চুতীয়া উন্নয়ন পৰিষদৰ গুৱাহাটী কাৰ্যালয়ত ছাত্ৰাবাস নিৰ্মাণ কৰা হৈছে, চুতীয়া অধ্যুষিত অঞ্চলত ৰংগমঞ্চ, অসমৰ বিভিন্ন ঠাইত চুতীয়া জনগোষ্ঠীৰ বীৰ বীৰাংগনাৰ প্ৰতিমূৰ্তি স্থাপন কৰিছোঁ বুলি অধ্যক্ষ বৰুৱাই সংবাদমেলত প্ৰকাশ কৰে। সংবাদমেলত চুতীয়া জাতি সন্মিলন, অসমৰ সভাপতি বিপুল হাজৰিকা, সম্পাদক নিপেন শইকীয়া, চুতীয়া উন্নয়ন পৰিষদৰ উপাধ্যক্ষ জ্যোতিপ্ৰসাদ চুতীয়া, প্ৰাঞ্জল ৰাজ খনিকৰ, চুতীয়া জাতি মহিলা সন্মিলনৰ সভানেত্ৰী জয়া বৰুৱা, সম্পাদিকা অৰ্পণা চুতীয়া, চুতীয়া যুৱ পৰিষদ, অসমৰ সভাপতি শ্যামল জ্যোতি বৰা, চুতীয়া যুৱ সন্মিলনৰ সম্পাদক পলাশ হাজৰিকা, সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সম্পাদক ৰাজু চুতীয়া আদি উপস্থিত থাকে।

বৰপেটা জিলাৰ প্ৰথমটো চৰকাৰী ভ্ৰমণকালত মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰৰ উন্নয়নমূলক কাৰ্যসূচীৰ পৰ্যালোচনা

অসম বাৰ্তা, বৰপেটাসদৰ, ১০ জুন ঃ অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ আদি বিভাগৰ মন্ত্ৰী তথা বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰী অশ্বিনী ৰায় সবকাৰে আজি বৰপেটা জিলাত প্ৰথমবাৰৰ বাবে চৰকাৰী কাৰ্যসূচীত উপস্থিত হৈ বিভিন্ন বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা উন্নয়নমূলক আঁচনিসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। অভিভাৱক মন্ত্ৰীগৰাকীয়ে তেওঁৰ এই ভ্ৰমণসূচীৰ আৰম্ভণিতে অসমৰ অন্যতম প্ৰধান বৈষ্ণৱ ধৰ্মীয় অনুষ্ঠান ঐতিহাসিক বৰপেটা সত্ৰত উপস্থিত হৈ সেৱা অৰ্পণ কৰে। ভ্ৰমণকালত তেওঁ সত্ৰ পৰিচালনা সমিতিৰ বিষয়ৰবীয়াসকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে সত্ৰৰ বিভিন্ন বিষয়ৰ ওপৰত বুজ লয়। ইয়াৰ পিছত, জিলাখনত চলি থকা বিভিন্ন চৰকাৰী আঁচনি আৰু উন্নয়নমূলক প্ৰকল্পসমূহৰ অগ্ৰগতিৰ বুজ লবলৈ মন্ত্ৰী সবকাৰে বৰপেটা জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। উক্ত বৈঠকত বিভিন্ন খণ্ডৰ উন্নয়নমূলক কাৰ্যসূচীৰ পৰ্যালোচনা কৰাৰ লগতে মূল উন্নয়ন মূলক কাৰ্যসূচীৰ মূল্যায়ন, আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বানসমূহ আৰু ৰাইজৰ ওচৰত কল্যাণকামী আঁচনিসমূহৰ ফলপ্ৰসূ তথা ৰাজহুৱা সেৱাসমূহ সঠিক আৰু সময়মতে প্ৰেৰণ কৰাৰ বাবে ল'বলগীয়া পদক্ষেপসমূহৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। উক্ত বৈঠকত মন্ত্ৰীগৰাকীয়ে সৰ্বাংগীণ উন্নয়ন ত্বৰান্বিত কৰিবলৈ আৰু জনকল্যাণ বৃদ্ধিৰ স্বাৰ্থত বিভিন্ন বিভাগৰ মাজত দৃঢ় সমন্বয়, চৰকাৰী কাৰ্যসূচীসমূহৰ দক্ষ ৰূপায়ণ আৰু চলি থকা প্ৰকল্পসমূহ সময়মতে সম্পূৰ্ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ উপৰি, তেওঁ চৰকাৰী বিষয়া-কৰ্মচাৰীসকলক কল্যাণকামী আঁচনিসমূহৰ ৰূপায়ণ আৰু সেৱা প্ৰদানৰ ব্যৱস্থাত অধিক জনমুখী দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ আহ্বান জনায়। পৰ্যালোচনা বৈঠকত স্থানীয় বিধায়ক দীপক কুমাৰ দাসেও অংশগ্ৰহণ কৰি জিলাখনৰ বিভিন্ন উন্নয়নমূলক আঁচনি আৰু কাৰ্যসূচীৰ খতিয়ান লয়। আজিৰ এই গুৰুত্বপূৰ্ণ বৈঠকত বৰপেটা জিলাৰ জিলা আয়ুক্ত, জিলা উন্নয়ন আয়ুক্ত (DDC), জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া (CEO), অতিৰিক্ত জিলা আয়ুক্ত (ADC) সকল, সহকাৰী আয়ুক্ত (AC) সকল, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া আৰু অন্যান্য জিলা পৰ্যায়ৰ বিষয়াসকলো উপস্থিত থাকে।

ডুমডুমাৰ ছেইণ্ট মেৰীজ স্কুলত ধঁপাত বিৰোধী সজাগতা কাৰ্যসূচী আৰু তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত

অসম বাৰ্তা, ষ্টাফ ৰিপ'টাৰ, তিনিচুকীয়া, ১০ জুন ঃ উঠি অহা প্ৰজন্মক নিচাযুক্ত দ্ৰব্যৰ কুপভাৱৰ পৰা আঁতৰাই ৰখাৰ লক্ষ্যৰে আজি ডুমডুমাৰ ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এক ধঁপাত বিৰোধী সজাগতা অভিযান অনুষ্ঠিত হয়। বিদ্যালয়খনৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত শিক্ষাৰ্থীসকলক এক স্বাস্থ্যসম্মত আৰু নিচামুক্ত সমাজ গঢ়াৰ বাবে উদ্বুদ্ধ কৰা হয়। অনুষ্ঠানটোৰ শুভাৰম্ভণি ভাষণত বিদ্যালয়খনৰ অধ্যক্ষা চিষ্টাৰ ৰ'জ মেৰী আংগামিলুৱে ধঁপাত সেবনে মানৱ দেহত সৃষ্টি কৰা মাৰাত্মক ৰোগসমূহৰ বিষয়ে বিস্তৃতভাৱে ব্যাখ্যা কৰে। তেওঁ শিক্ষাৰ্থীসকলক এনে ক্ষতিকাৰক অভ্যাস পৰা নিজকে নিলগাই ৰাখি এক সুস্থ জীৱনশৈলী গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ইয়াৰ পিছতে দশম শ্ৰেণীৰ ছাত্ৰ সুবাস মৰানে ধঁপাতৰ অপকাৰিতাৰ ওপৰত আলোক পাত কৰি উপস্থিত শিক্ষাৰ্থীসকলক ধঁপাতৰ বিৰুদ্ধে সজাগ হৈ থাকিবলৈ আহ্বান জনায়। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বিদ্যালয়খনৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু স্কাউট আৰু গাইডৰ সদস্যসকলে বিভিন্ন প্লে'কাৰ্ড প্ৰদৰ্শন কৰি ধঁপাতৰ কুফলৰ বিষয়ে শিক্ষাৰ্থীসকলক সজাগ কৰাৰ প্ৰয়াস কৰে। দিনজোৰা কাৰ্যসূচীৰ অংশ হিচাপে "কিশোৰ-কিশোৰীৰ মাজত ধঁপাতৰ বৰ্ধিত ব্যৱহাৰ সমাজৰ বাবে এক ভাবুকি" শীৰ্ষক এক তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। শিক্ষক অভিজিৎ খাটনিয়াৰৰ অধ্যক্ষতাত অনুষ্ঠিত এই প্ৰতিযোগিতাত মুঠ ৩০ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰি সপক্ষে আৰু বিপক্ষে যুক্তিপূৰ্ণ বক্তব্য আগবঢ়ায়। বিদ্যালয়খনৰ শিক্ষক ৰাজেশ সেন, অনিৰ্বান দেৱ, ৰিকুমণি মৰাণ আৰু ইলোৱা দেৱী গঁগৈৰ বিচাৰকৰ দলে প্ৰতিযোগিতাখন পৰিচালনা কৰে। প্ৰতিযোগিতাত দশম শ্ৰেণীৰ ই শিতা চেব্ৰীয়ে প্ৰথম আৰু আনন্দিতা দে'এ দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান অৰ্জন কৰিবলৈ সক্ষম হয়। বিদ্যালয়খনৰ এই প্ৰয়াসক স্থানীয় সচেতন মহলে শলাগ লৈছে।

'চণ্ডিকা দেৱালয় ন্যাসে' বিধৱা মহিলাৰ শিশুক শিক্ষাদান কৰাৰ অৰ্থে বিতৰণ কৰিলে চেক

চেক বিতৰণ কৰে বিধায়ক হিমাংশু শ্বেখৰ বৈশ্যই

অসম বাৰ্তা, ছয়গাঁও, ১০ জুন ঃ "চণ্ডিকা দেৱালয় ন্যাস"ৰ উদ্যোগত বিগত কেইবেলিম দৰে এইবেলিও বিধৱা মহিলাৰ শিশুক শিক্ষাদান কৰাৰ অৰ্থে আজি দ্বিতীয় কিস্তিৰ চেক বিতৰণ কৰা হয়। পলাশবাৰী সমষ্টিৰ বিধায়ক হিমাংশু শেখৰ বৈশ্যৰ হতুৱাই বিধৱা মহিলা সকলক একঁকালীন সাহায্য প্ৰদান কৰা হয়। এই উপলক্ষে আয়োজন কৰা সভাত সভাপতিত্ব কৰে বলেন্দ্ৰ কুমাৰ দাসে। সভাখন পৰিচালনা কৰে সম্পাদক ৰূপম দাসে। ন্যাস সংক্ৰান্তত "মাঁ চণ্ডিকা মুখপত্ৰ"ৰ সম্পাদক জগদীশ গোস্বামীয়ে ৰাইজৰ তৰফৰ পৰা ভাষণ প্ৰদান কৰে। আজিৰ সভাতে মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মাক দেৱালয়ৰ ৰাইজে এদিন সাক্ষাৎ কৰাৰ বাবে অনুমতিৰ ব্যৱস্থা কৰি দিবলৈ আহ্বান জনায়। লগতে এটি কাৰ্য্যালয় ভৱন নিৰ্মাণ, গোসানীমঠ ৰাই জৰ শ্মাসানৰ উন্নয়ন, দেৱালয়ৰ সন্মুখভাগত থকা বৈদ্যুতিক ট্ৰেন্সফাৰ স্থানান্তৰিত কৰিবলৈ দাবী জনাই এখন স্মাৰক পত্ৰ প্ৰদান কৰে। সভাৰ পূৰ্বে দেৱালয় চৌহদত বৃক্ষৰোপণ কৰে বিধায়ক হিমাংশু শেখৰ বৈশ্যই। সভাত উপস্থিত জিলা পৰিষদৰ সদস্য মিহিৰ ৰঞ্জন দাস, জিতু নাথ, আঞ্চলিক পঞ্চায়তৰ সভাপতি মল্লিকা বৰ্মন মেধি, উপ সভাপতি ৰবিতা দাস, বিশিষ্ট সমাজকৰ্মী মুকুট ঠাকুৰীয়া, মণ্ডল সভাপতি কমলেশ্বৰ দাস, জিলা বিজেপিৰ সম্পাদক বিকাশ বড়ো প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

জ্যোতিষাচাৰ্য হৰেকৃষ্ণ জ্যোতিষ শাস্ত্ৰৰ জৰিয়তে জনসাধাৰণক পৰামশ

অসম বাৰ্তা, চেঙা, ১০ জুন ঃ আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগতো ভাৰতীয় প্ৰাচীন জ্ঞান-পৰম্পৰাৰ এক গুৰুত্বপূৰ্ণ শাখা জ্যোতিষশাস্ত্ৰৰ প্ৰতি বহু লোকৰ আস্থা অব্যাহত আছে। জীৱনৰ বিভিন্ন সমস্যাৰ সমাধানৰ সন্ধানত আজিও বহু লোকে জ্যোতিষ পৰামৰ্শ গ্ৰহণ কৰে। এই ক্ষেত্ৰতে অসমৰ এগৰাকী সুপৰিচিত জ্যোতিষ পৰামৰ্শদাতা জ্যোতিষাচাৰ্য হৰেকৃষ্ণ দীৰ্ঘদিন ধৰি জ্যোতিষশাস্ত্ৰৰ জৰিয়তে সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকক পৰামৰ্শ আগবঢ়াই আহিছে। বৰপেটা জিলাৰ চেঙা আৰু মহানগৰী গুৱাহাটীৰ উভুৰাৰী স্থিত ব্ৰীজৰ তলত অবস্থিত তেওঁৰ চেম্বাৰত প্ৰতিদিনে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা বহু লোক উপস্থিত হৈ নিজৰ জীৱনৰ বিভিন্ন সমস্যা আৰু জটিলতাৰ সমাধান বিচাৰে। জন্মকুণ্ডলী বিশ্লেষণ, গ্ৰহ-নক্ষত্ৰৰ অৱস্থান আৰু বৈদিক জ্যোতিষৰ বিভিন্ন পদ্ধতিৰ জৰিয়তে তেওঁ শিক্ষা, চাকৰি, ব্যৱসায়-বাণিজ্য, বিবাহ, পাৰিবাৰিক জীৱনৰ অশান্তি, প্ৰেম-ভালপোৱা, সন্তান সম্পৰ্কীয় সমস্যা, আৰ্থিক দিশ আৰু অন্যান্য বিষয়ত পৰামৰ্শ আগবঢ়ায় বুলি জানিব পৰা গৈছে। অসমৰ উপৰিও চুবুৰীয়া ৰাজ্যসমূহৰ বহু লোকেও ফোনযোগে অথবা ব্যক্তিগতভাৱে তেওঁৰ সৈতে যোগাযোগ কৰি জ্যোতিষ পৰামৰ্শ গ্ৰহণ কৰি আহিছে। সময়ৰ লগে লগে অনলাইন আৰু দূৰভাষযোগেও পৰামৰ্শ গ্ৰহণৰ সুবিধা বৃদ্ধি পোৱাত অধিকসংখ্যক লোক তেওঁৰ সৈতে সংযুক্ত হ'ব পাৰিছে। জ্যোতিষাচাৰ্য হৰেকৃষ্ণৰ মতে, জ্যোতিষশাস্ত্ৰ কেৱল ভৱিষ্যৎবাণীৰ বিষয় নহয়, বৰঞ্চ মানুহৰ জীৱনত উদ্ভৱ হোৱা বিভিন্ন পৰিস্থিতি আৰু সম্ভাৱনাৰ বিষয়ে এক সামগ্ৰিক ধাৰণা লাভ ক

চেঁচাপানীত নৱনিৰ্মিত ৰাস্তা উদ্ঘোধন

অসম বাৰ্তা, উত্তৰ শালমাৰা, ১০ জুন ঃ উত্তৰ শালমাৰা সম জিলাৰ কাকৈজানা গাঁও পঞ্চায়তৰ অন্তৰ্গত বালাজানী চেছাপানী ৰাজহু গাঁৱৰ চেছাপানীত তুলেন ৰায়ৰ ঘৰৰ পৰা শৈলেন ৰায়ৰ ঘৰ লৈকে ২০২৪-২৫ ইং বৰ্ষৰ পঞ্চায়ত বাজেটৰে নিৰ্মাণ কৰা পকী ৰাস্তা আজি ১৬ নং অভয়াপুৰী বিধানসভা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক ভূপেন ৰায় দেৱে উদ্ঘোধন কৰে। উক্ত উদ্ঘোধনী সভাত চক্ৰভৌম জিলা পৰিষদৰ সদস্যা জানকী ৰায়, কাকৈজানা আঞ্চলিক পঞ্চায়তৰ সদস্য উত্তম বৰ্মন, কাকৈজানা গাঁও পঞ্চায়তৰ সভানেত্ৰী দৈৰকী ৰায়, কাকৈজানা গাঁও পঞ্চায়তৰ উপ সভাপতি অমৃত সিংহ, পঞ্চায়ত সদস্যা কহিনী ৰায়, পটেশ্বৰী ৰায় আদি উপস্থিত থাকে।

জোৰশিমুলীত ড্ৰাগছসহ গ্ৰেপ্তাৰ পতি-পত্নীক

অসম বাৰ্তা, গঁৰেমাৰী, ৯ জুন ঃ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত জোৰশিমুলীত আজি দুপৰীয়া আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছসহ সৰবৰাহকাৰী পতি-পত্নী দুটাক গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হয়। জানিব পৰামতে জোৰশিমুলী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া অঞ্জনজ্যোতি শৰ্মাই ড্ৰাগছ সৰবৰাহ কৰাৰ খবৰ পাই আজি দুপৰীয়া জোৰশিমুলীৰ পথাৰ এখনত খোপনি পাতে। সেই সময়ত জোৰশিমুলীৰ নুৰজামাল হকে নিজা বাসভৱনত ড্ৰাগছ বিক্ৰী কৰা অবস্থাত আৰক্ষী বিষয়াগৰাকীয়ে ড্ৰাগছসহ সৰবৰাহকাৰী পতি-পত্নী দুটাক গ্ৰেপ্তাৰ কৰে। ধৃত ড্ৰাগছ সৰবৰাহকাৰী পতি-পত্নী দুগৰাকী হৈছে জোৰশিমুলীত নুৰজামাল (৪০) আৰু ৰেজিয়া বেগম (৩৫)। ধৃত সৰবৰাহকাৰী দুটাৰ পৰা আৰক্ষীয়ে ২৮টা কন্টেইনাৰত থকা ৬৯ গ্ৰাম ড্ৰাগছ, নগদ ৭ হেজাৰ টকাৰ সৈতে দুটা ম'বাইল ফোন জব্দ কৰে। দুয়ো দীৰ্ঘদিন ধৰি অঞ্চলটোত ড্ৰাগছৰ বেহা চলাই আছিল। ধৃত সৰবৰাহকাৰী দুটাক আৰক্ষীৰ জিম্মাত ৰাখি তদন্ত অব্যাহত ৰখা বুলি জানিব পৰা গৈছে।

পিকনিক স্পা'ট, উদ্যান আৰু পৰ্যটন কেন্দ্ৰ গঢ়ি তোলাৰ আহ্বান

ঐতিহাসিক বাঘবৰ পাহাৰক পৰ্যটন মানচিত্ৰত স্থান দিয়াৰ দাবী

অসম বাৰ্তা, কুমুল্লীপৰা, ১০ জুন ঃ বৰপেটা জিলাৰ বাঘবৰ পাহাৰৰ পাদদেশত অৱস্থিত ঐতিহাসিক আৰু ধৰ্মীয় গুৰুত্বসম্পন্ন শ্ৰীশ্ৰী মাধৱদেৱৰ বৈঠাপুটা ঘাট সত্ৰ আৰু মনোমোহা প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা প্ৰাচীন বাঘেশ্বৰী মন্দিৰক কেন্দ্ৰ কৰি অঞ্চলটোক এক সমৃদ্ধ পৰ্যটন ক্ষেত্ৰ গঢ়ি তোলাৰ দাবী উত্থাপন কৰিছে সচেতন মহলে। ঐতিহাসিক, পুৰাতাত্ত্বিক আৰু প্ৰাকৃতিক সম্পদেৰে সমৃদ্ধ বাঘবৰ পাহাৰক অসমৰ অন্যতম আকৰ্ষণীয় পৰ্যটনস্থলী হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্যৰ পৰ্যটন বিভাগ আৰু জিলা প্ৰশাসনৰ হস্তক্ষেপ কামনা কৰা হৈছে। জানিব পৰা মতে, বাঘবৰ পাহাৰত পূৰ্বে মিৰজুমলাৰ সময়ৰ একাধিক মুদ্ৰা আৱিষ্কৃত হৈছিল, যিসমূহ বৰ্তমান বৰপেটা সংগ্ৰহালয়ত সংৰক্ষিত হৈ আছে। এই আৱিষ্কাৰে অঞ্চলটোৰ ঐতিহাসিক গুৰুত্ব অধিক স্পষ্ট কৰি তুলিছে। ইতিহাসবিদ আৰু সচেতন মহলৰ মতে, বহু যুগৰ ঘটনা-পৰিঘটনাৰ সাক্ষী হৈ থকা এই পাহাৰত নৃত্ত্ব, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ জৰিয়তে বৈজ্ঞানিক খনন কাৰ্য চলোৱা হ'লে মধ্যযুগীয় অসমৰ ইতিহাস সম্পৰ্কে বহু মূল্যবান তথ্য পোহৰলৈ আহিব পাৰে। ইয়াৰ মাজতে, অলপতে বাঘবৰ পাহাৰৰ পাদদেশত অৱস্থিত এখন বিশাল জলাশয়ৰ চাৰিওকাষে আগুৰি থকা প্ৰায় ৪০০ বিঘা বিস্তৃত ভূমি অস্থায়ী দোকান-পোহাৰেৰে সুসজ্জিত কৰি এক আকৰ্ষণীয় পৰ্যটনস্থলীৰ ৰূপ দিয়া হৈছে। প্ৰাকৃতিক সৌন্দৰ্য আৰু মনোৰম পৰিৱেশে আকৰ্ষিত কৰি ইতিমধ্যে হাজাৰ হাজাৰ লোকৰ সমাগম ঘটিছে এই স্থানত। বহু ভ্ৰমণপিপাসু লোকে ঠাইখনক 'অসমৰ পেহেলগাম' বুলিও অভিহিত কৰিবলৈ আৰম্ভ কৰিছে। এই পৰিপ্ৰেক্ষিতত, বাঘবৰ পাহাৰৰ অপৰিসীম পৰ্যটন সম্ভাৱনাক বাস্তৱায়িত কৰিবলৈ ইয়াত স্থায়ী পিকনিক স্পা'ট, সুসজ্জিত উদ্যান, পৰ্যটন কেন্দ্ৰ, বিশ্ৰামাগাৰ, শিশু উদ্যান, নৌকা বিহাৰ ব্যৱস্থা তথা অন্যান্য আধুনিক পৰ্যটন আন্তৰ্গাঁথনি গঢ়ি তোলাৰ বাবে অসম চৰকাৰৰ পৰ্যটন মন্ত্ৰী আৰু বৰপেটা জিলাৰ জিলা আয়ুক্তৰ দৃষ্টি আকৰ্ষণ কৰিছে সচেতন ৰাইজে। স্থানীয় লোকসকলৰ মতে, বাঘবৰ পাহাৰক পৰিকল্পিতভাৱে পৰ্যটনস্থলী হিচাপে উন্নীত কৰা হ'লে একেদৰে অঞ্চলটোৰ ঐতিহাসিক আৰু সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ হোৱাৰ লগতে স্থানীয় যুৱক-যুৱতীসকলৰ বাবে নতুন কৰ্মসংস্থানৰ সুযোগো সৃষ্টি হ'ব। সেয়েহে, এই সম্ভাৱনাময় অঞ্চলটোৰ সামগ্ৰিক উন্নয়নৰ বাবে চৰকাৰে শীঘ্ৰেই প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰিছে সচেতন মহলে।

বিলাতী সুৰাৰ বিপনীৰ সমীপতে শিক্ষানুষ্ঠান; সুৰাৰ আসক্তত বিপথগামী যুৱচাম

সৃজনগ্ৰামৰ সামাজিক সুস্থ পৰিৱেশ বিঘ্নিত

অসম বাৰ্তা, সৃজনগ্ৰাম, ১০ জুন ঃ বঙাইগাঁও জিলাৰ সৃজনগ্ৰামৰ কীৰ্তনপাৰাত চলি থকা মণ্ডল বিলাতী সুৰাৰ বিপনীখনে অঞ্চলটোৰ সুস্থ পৰিৱেশ বিঘ্নিত কৰাৰ অভিযোগ উঠিছে। উত্থাপিত অভিযোগ মতে চৰকাৰৰ অনুজ্ঞাপত্ৰ থকা বিপনীখনৰ স্বত্বাধিকাৰীয়ে অধিক মুনাফাৰ বাবে সকলো নীতিনিয়ম জলাঞ্জলি দিবাৰসায় চলাই আছে। অঞ্চলটোত অসামাজিক কাৰ্যকলাপ বৃদ্ধিত সুৰাৰ বিপনীখনে ইন্ধন যোগোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে সচেতন ৰাইজে। বিপনীৰ স্বত্বাধিকাৰীয়ে ব্যৱসায় প্ৰসাৰৰ বাবে সৃজনগ্ৰামৰ বিভিন্ন অঞ্চলত অবৈধ সুৰা ব্যৱসায়ী সৃষ্টি কৰি অবৈধ ভাবে সুৰা যোগান ধৰি আছিছে। ইপিনে সুৰাৰ বিপনীখনৰ সমীপতে শিক্ষানুষ্ঠান চলি থকা বিষয়টোকলৈ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মাত্ৰ ২০/২৫ মিটাৰ দূৰত্বত ব্যৱধানতে সুৰা আৰু শিক্ষা সম্পূৰ্ণ বিপৰীতমুখী প্ৰতিষ্ঠানৰ অৱস্থানক লৈ চিন্তিত হৈছে ৰাইজে। অভিযোগ মতে বিপনীখনৰ আচুতীয়া স্থানত সুৰা সেৱন কৰিব লিয়া হয় গ্ৰাহকক। সুৰাৰ বাগিত প্ৰায়ে গ্ৰাহকৰ মাজত সংঘটিত হয় মাৰপিটৰ ঘটনা। সুৰাপায়ীৰ মুখেৰে ওলোৱা অবাচ্য কথা-বতৰা, অশ্লীল শব্দ শুনিব লগা হয় পথচাৰীয়ে। বিশেষকৈ সন্ধিয়া পৰত পথটোৰে অহাযোৱা কৰাত চৰম নিৰাপত্তাহীনতাত ভুগিছে মহিলা সকলে। সুৰাপায়ীৰ মাজত হোৱা হাইকাজিয়া, চিএলবাখৰৰ হুলস্থূলীয়া পৰিৱেশে ওচৰৰ পৰিয়ালবোৰতো অশান্তি সৃষ্টি কৰি থকাৰ অভিযোগ পোৱা গৈছে। বিপনীৰ স্থানত বিলাতী সুৰা সেৱন কৰিব পৰা ব্যৱস্থাক সহজভাৱে মানিব লব পৰা নাই ৰাইজে। তেনেকুৱা নিয়ম যদি আছেই তেনেহলে বিপনীখন কিয় ৰাস্তাৰ কাষত বা জনবসতি অঞ্চলত খুলিবলৈ অনুমতি দিছে আবকাৰী বিভাগে। কোনো উচ্চপৰ্যায়ৰ বিষয়াক মেনেজ কৰি নিয়ম বহিৰ্ভূত ভাবে বিপনীখনৰ স্থান নিৰ্ণয় কৰা হৈছে নেকি? ৰাইজৰ বাবে সেয়া হৈ পৰিছে লাখটকীয়া প্ৰশ্ন। যাৰ সুযোগত অধিক মুনাফা সংগ্ৰহৰ স্বাৰ্থত বিপনীৰ আচুতীয়া স্থানত বহু নিশাঁলৈকে গ্ৰাহকক সুৰাপানৰ সুবিধা দিয়ে স্বত্বাধিকাৰীয়ে। ফলত মাত্ৰাধিক সুৰা সেৱন কৰি সুৰাসক্তই বাটেপথে চিচিৰুঙলা দি পৰি থকা দৃশ্য প্ৰায়ে পৰিলক্ষিত হয়। চিন্তনীয় বিষয় যে অঞ্চলটোত সহজলভ্য হৈ পৰা সুৰাৰ প্ৰতি আসক্তি বাঢ়িছে যুৱচামৰ। সুৰা সেৱনৰ ফলত বহু যুৱক বিপদগামী হৈ পৰা পৰিলক্ষিত হৈছে। আনহাতে উপাৰ্জনৰ সামান্য টকাৰে ঘৰৰ অত্যাৱশ্যকীয় সামগ্ৰী ক্ৰয় কৰিবলৈ অসমৰ্থ শ্ৰমিক লোকেও পদূলিতে পোৱা বিলাতী সুৰাৰ মোহত পৰি দিকবিদিক হেৰুৱাই পৰিয়ালত অশান্তিৰ সৃষ্টি কৰিছে। গুৰুত্বপূৰ্ণ বিষয়টো হ'ল গ্ৰামাঞ্চলত শিক্ষানুষ্ঠানৰ পৰা ১৫০ মিটাৰ দূৰত্বতে সুৰাৰ দোকান থাকিব পাৰে। কিন্তু মণ্ডল বিলাতী সুৰাৰ বিপনী আৰু শিক্ষানুষ্ঠানৰ অৱস্থানে সেই নিয়মক অংগুষ্ঠ প্ৰদৰ্শন কৰা বুলি ৰাজহুৱা অভিযোগ উঠিছে। শিক্ষাৰ্থী সকলৰ মনত যে ইয়াৰ কুপ্ৰভাৱ পৰিব সেয়া নিশ্চিত। এনে পৰিস্থিতিত ৰাইজক শিক্ষানুষ্ঠান লাগে নে বিলাতী সুৰাৰ দোকান লাগে তাকেলৈ সচেতন মহলৰ মাজত চলিছে ব্যাপক চৰ্চা। বিষয়টোৰ ক্ষেত্ৰত জিলা প্ৰশাসনৰ হস্তক্ষেপ বিচাৰিছে সচেতন ৰাইজে।

আপোন মানুহৰ সন্মুখত মন্ত্ৰী দেৱী - বিজেপি কৰাৰ বাবে মানুহে আমাক হাঁহিছিল

সম্বৰ্ধনা সভাত হুকহুকাই কান্দিলে মন্ত্ৰী নীলিমা দেৱীয়ে

অসম বাৰ্তা, মঙলদৈ, ১০ জুন ঃ সম্বৰ্ধনা সভাত হুকহুকাই কান্দিলে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী নীলিমা দেৱীয়ে। সম্বৰ্ধনা সভাত পূৰণি বিজেপিৰ সহকৰ্মীসকলক সন্মুখত দেখি, একালৰ দলীয় সহযোগী, সহকৰ্মী, যিসকল বৰ্তমান এই সংসাৰৰ নাই সেইসকল পূৰণি বিজেপি সহযোগীৰ কথা কৈ আৱেগিক হৈ পৰে আজিৰ কেবিনেট মন্ত্ৰী নীলিমা দেৱী। নীলিমা দেৱীয়ে কয়- ১৯৯৫ চনৰে পৰা এইসকল লোকৰ আঙুলিত ধৰি মই বিজেপি কৰিছিলোঁ, তেওঁলোক এতিয়া আমাৰ মাজত নাই। তেওঁলোকৰ ত্যাগ, কষ্ট আৰু আজিৰ বিজেপি দলৰ কাৰ্যকৰ্তাসকলৰ মৰমত, ত্যাগত মই আজিৰ নীলিমা দেৱী। আজি হাজাৰ হাজাৰ কাৰ্যকৰ্তা থকা বিজেপি দলত তাহানিতে আমি মাত্ৰকেইজনমান মানুহতে আছিলোঁ। আমি বিজেপি কৰাৰ বাবে মানুহে আমাক হাঁহিছিল। হাজাৰ হাজাৰ লোকৰ মৰম, আশীৰ্বাদত আজি মই নীলিমা দেৱী হিচাপে চিনাকি। আজি মই জনপ্ৰতিনিধি, আপোনালোকৰ বাবে, মই নিমিত্তমাত্ৰ। শনিবাৰে ভাৰতীয় জনতা পাৰ্টী, দৰং জিলা সমিতিয়ে মঙলদৈ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আবেলি আয়োজন কৰা সম্বৰ্ধনা জ্ঞাপন অনুষ্ঠানত দলীয় আত্মীয় সতীৰ্থসকলৰ সন্মুখত তাহানিৰ কথা মনত কৰি হুকহুকাই কান্দি উঠে অসম চৰকাৰৰ সদ্য নিযুক্তিপ্ৰাপ্ত কেবিনেট মন্ত্ৰী নীলিমা দেৱীয়ে। মন্ত্ৰী নীলিমা দেৱীয়ে কয়- আপোলোকে মোক যি অকৃত্ৰিম মৰম-আশীৰ্বাদ দিলে, মই অন্তৰৰ মণিকোঠাৰ সেইবোৰ চিৰ জীৱনৰ বাবে সাঁচি ৰাখিম। আজি মই মন্ত্ৰী হ'লেও মঙলদৈ সমষ্টিৰ বাবে মই বিধায়ক, মই ঘৰৰ মানুহ। নিৰ্বাচনত আপোনালোকে সততা-নিষ্ঠাৰে স্ব-দায়িত্বসমূহ পালন কৰাৰ ফলতেই মই বিধায়ক হিচাপে জয়লাভ কৰা সম্ভৱ হৈছে। অসমৰ কৰ্মদক্ষ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰৰ নেতৃত্বত অটল-অবিচল-অগ্ৰগামী অসমৰ স্বাৰ্থত নিজৰ দায়িত্বসমূহ পালন কৰি থাম। অনাগত দিনত প্ৰতিগাৰকী দলীয় সতীৰ্থৰ মৰম-আশীৰ্বাদকেই সাহস হিচাপে লৈ ৰাইজৰ সেৱা আগবঢ়াম। জিলা বিজেপিৰ সভাপতি মুকুন্দ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সম্বৰ্ধনা সভাত ভাৰতীয় জনতা পাৰ্টী দৰং জিলা সমিতিয়ে নব-নিযুক্ত কেবিনেট মন্ত্ৰী নীলিমা দেৱীক গামোচা, শৰাই, চেলেং, জাপিৰে সম্বৰ্ধনা জনোৱাৰ উপৰি জিলাখনৰ ভাৰতীয় জনতা পাৰ্টীৰ প্ৰতিটো মৰ্চা, প্ৰতিটো মণ্ডল আৰু প্ৰতিটো বুথে সুকীয়া সুকীয়াকৈ মন্ত্ৰীগৰাকীক সম্বৰ্ধনা জনায়। অনুষ্ঠানত মন্ত্ৰী নীলিমা দেৱীক জিলা বিজেপিৰ কাৰ্যকৰ্তাসকলে সম্বৰ্ধনা জনোৱাৰ উপৰি বহু সমৰ্থক আৰু জনসাধাৰণে সম্বৰ্ধনা জনায়। জিলা বিজেপিৰ এই সম্বৰ্ধনা সভাত বিজেপিৰ ৰাজ্যিক সভাপতি তথা দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, মুদৈবড়ী পৰিষদীয় সমষ্টিৰ এমচিএলএ দিগন্ত বৰুৱা, মঙলদৈ বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, দৰং জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা সমন্বিতে দলৰ জ্যেষ্ঠ কাৰ্যকৰ্তাসকল উপস্থিত থাকে। জিলা বিজেপিৰ সাধাৰণ সম্পাদক মানস প্ৰতিম বৰুৱাই আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানত পাঁচ শতাধিক দলীয় কৰ্মী, কাৰ্যকৰ্তা, জনসাধাৰণ উপস্থিত থাকে।

জুৰাপুখুৰী উপ-স্বাস্থ্য কেন্দ্ৰত জনভাগিদাৰী অভিযান আৰু আয়ুষ্মান আৰোগ্য মন্দিৰ শিবিৰ

যক্ষ্মা ৰোগ নিৰ্মূল অভিযানত সকলোৰে স্বতঃস্ফূৰ্ত অংশগ্ৰহণ অত্যাৱশ্যক ঃ বিধায়ক শিলাদিত্য দেৱ

অসম বাৰ্তা, মোৰাঘাৰ, ৯ জুন ঃ প্ৰতিকাৰতকৈ প্ৰতিৰোধেই শ্ৰেয় বুলি উল্লেখ কৰি হোজাই সমষ্টিৰ বিধায়ক শিলাদিত্য দেৱে সোমবাৰে লংকা ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ জুৰাপুখুৰী উপ-স্বাস্থ্য কেন্দ্ৰত অনুষ্ঠিত জনভাগিদাৰী অভিযান আৰু আয়ুষ্মান আৰোগ্য মন্দিৰ শিবিৰত অংশগ্ৰহণ কৰি সাধাৰণ ৰাইজৰ স্বাস্থ্যৰ সজাগতা বৃদ্ধি কৰিবলৈ আহ্বান জনায়। বিধায়ক শিলাদিত্য দেৱে ভাষণত কয় যে, বৰ্তমান সময়ত যক্ষ্মা ৰোগ বিশ্বৰ বাবে একবৃহত ভাবুকি হৈ পৰিছে। ভাৰত চৰকাৰে দেশৰ পৰা যক্ষ্মা ৰোগ নিৰ্মূল কৰাৰ যি লক্ষ্য লৈছে, সেই লক্ষ্য পূৰণ কৰিবলৈ হ'লে সমাজৰ প্ৰতিটো স্তৰৰ ব্যক্তিৰ সহযোগিতা অত্যাৱশ্যক। তেওঁ কয়, আমি যদি নিজৰ চৌপাশ পৰিষ্কাৰ-পৰিচ্ছন্ন ৰাখোঁ, ব্যক্তিগত স্বাস্থ্যবিধি মানি চলোঁ, তেন্তে বহু ৰোগৰ পৰা আমি নিজকে সুৰক্ষিত কৰি ৰাখিব পাৰোঁ। বিধায়ক গৰাকীয়ে লগতে অঞ্চলটোৰ সকলো পঞ্চায়তীৰাজ প্ৰতিনিধি, গাঁও প্ৰধান, আংগনবাড়ী কৰ্মী আৰু আশা কৰ্মীসকলক আয়ুষ্মান আৰোগ্য মন্দিৰ শিবিৰত অধিক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি গাঁৱে-ভূঞে ৰাইজক যক্ষ্মা ৰোগৰ লক্ষণ আৰু ইয়াৰ কিমানুলীয়া চিকিৎসা সেৱাৰ বিষয়ে সজাগ কৰিবলৈ কয়। তেওঁ কয়, প্ৰতিজন প্ৰতিনিধিয়ে নিজ নিজ এলেকাত যক্ষ্মা ৰোগী বিচাৰি উলিয়াই তেওঁলোকক চিকিৎসাৰ আওতালৈ অনাটো সকলোৰে নৈতিক দায়িত্ব। গাঁৱৰ ৰাইজে উন্নত আৰু সহজলভ্য স্বাস্থ্য সেৱা লাভ কৰাৰ স্বাৰ্থত অসম চৰকাৰে গ্ৰহণ কৰা আয়ুষ্মান আৰোগ্য মন্দিৰ আঁচনিৰ আন্তৰ্গাঁথনি আৰু সেৱাৰ মান উন্নত কৰাৰ ওপৰতো বিধায়কগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে, প্ৰতিখন আৰোগ্য মন্দিৰতে আধুনিক চিকিৎসাৰ সুবিধা থকাটো নিশ্চিত কৰিবলৈ চৰকাৰে ইতিমধ্যে কেই খনমান পদক্ষেপ গ্ৰহণ কৰিছে। এই কাৰ্যসূচীত উপস্থিত হৈ হোজাইৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ড° কবন তেৰংপিয়ে যক্ষ্মা ৰোগৰ বৰ্তমান অৱস্থা আৰু চৰকাৰী আঁচনিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। জিলা অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ড° বাসুদেৱ মালাকাৰ, ন'ডেল বিষয়া ড° সুবজিৎ বৰা, জিলা যক্ষ্মা ৰোগ বিষয়া, যোগীজান স্বাস্থ্য কেন্দ্ৰৰ অধীক্ষক ড° আবু ৰাবিফ আকন্দ আদিকৰি স্বাস্থ্য বিভাগৰ বহু বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

বিহালী মোনাবাৰী চাহ বাগিচাৰ একনিষ্ঠ অৱসৰপ্ৰাপ্ত চাহ কৰ্মচাৰী ঈশ্বৰ ভূঞাৰ মৃত্যুত অঞ্চলজুৰি শোক

অসম বাৰ্তা, জিনজিয়া, ৯ জুন ঃ এছিয়াৰ ভিতৰতে সৰ্ববৃহৎ মোনাবাৰী চাহ বাগিচাৰ একনিষ্ঠ অৱসৰ প্ৰাপ্ত চাহ কৰ্মচাৰী ঈশ্বৰ ভূঞাৰ কালি পৰলোক প্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স ৬৮ বছৰ হৈছিল। ব্যক্তিগৰাকী কিছুদিন ধৰি হৃদৰোগত হৈ আছিল। শেহতীয়া ভাবে স্বাস্থ্যৰ অৱনতি ঘটাত গুৱাহাটী নামকেয়াৰ হস্পিতালত ভৰ্তি কৰা হৈছিল আৰু তাতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। চৰিয়াৰ বিশিষ্ট সমাজ কৰ্মী প্ৰয়াত মীনাৰাম ভূঞাৰ পুত্ৰ ঈশ্বৰ ভূঞাই ১৯৭৯ চনত মোনাবাৰী চাহ বাগিচাত চাকৰিত যোগদান কৰে আৰু চাহ বাগিচা খনত একনিষ্ঠ ভাবে সুদীৰ্ঘ ৩৭ বছৰ কাল চাকৰি কৰি ফেক্টৰী চুপাৰভাইজাৰ হিচাপে ২০১৬ চনত অৱসৰ গ্ৰহণ কৰি বিশ্বনাথ চাৰিআলিত নিগাজী হয়। তেওঁৰ কাৰ্যকাল চোৱাত অসম চাহ কৰ্মচাৰী সংঘৰ্ষন-দুৱাৰ চাৰ্কোলৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি সংগঠনটিক সঠিক পথত আগবঢ়াই নিয়াত এক সবল ভূমিকা গ্ৰহণ কৰিছিল। বাগিচা খনত প্ৰয়াত তাৰিণী বৰা, বংশীদৰ মহন্ত, জামিনী বৰা, অঞ্জনা দাসৰ দৰে ব্যক্তি সকলৰ সান্নিধ্যত সাহিত্য-সংস্কৃতি, ক্ৰীড়া আদি দিশসমূহৰ উন্নৱণত ক্ষেত্ৰত ঈশ্বৰ ভূঞাৰ যথেষ্টখিনি অৰিহণা আছে। তেওঁৰ মৃত্যুৰ বাতৰিয়ে অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পৰে। তেওঁৰ মৃত্যুত অসম চাহ কৰ্মচাৰী সংঘ মোনাবাৰী চাহ বাগিচা শাখা, পৰিচালক মণ্ডলি, চাহ মজদুৰ সংঘ মোনাবাৰী শাখা আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। আজি এক শোকাকুল পৰিৱেশত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ, এজন ভাতৃ, দুজন পুত্ৰ আৰু এগৰাকী কন্যা সন্তান আৰু বহু আত্মীয় কুটুম্ব এৰি থৈ গৈছে।

বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব লাভ কৰাৰ পিছত পোন প্ৰথমবাৰৰ বাবে বৰপেটাত উপস্থিত মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ

অসম বাৰ্তা, বৰপেটা সদৰ, ৯ জুন ঃ অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ, ভূমি সংৰক্ষণ আৰু সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ কেবিনেট মন্ত্ৰী তথা বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰী মাননিয় অশ্বিনী ৰায় সৰকাৰে আজি বৰপেটাত উপস্থিত হৈ বৰপেটা সত্ৰ দৰ্শন কৰে। বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব দিয়াৰ বাবে মুখ্যমন্ত্ৰীক ধন্যবাদ মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰৰ। গুৰু দুজনাৰ পবিত্ৰ স্থান বৰপেটা সত্ৰত সেয়া আগবঢ়ায় ৰাইজৰ মঙ্গল কামনা কৰাৰ লগতে বৰপেটা জিলাৰ অভাৱ অভিযোগ নিৰ্মূল কৰিবলৈ কাম কৰি যোৱাৰ আশ্বাস দিয়ে মন্ত্ৰী গৰাকীৰে। লগতে তেওঁ কয় বৰপেটা বিধানসভা সমষ্টিৰ অগপৰ বিধায়ক দীপক কুমাৰ দাসৰ সৈতে একেলগে বৰপেটাৰ সমস্যা সমাধানৰ হকে কাম কৰিবলৈ আগবাঢ়িব। যিহেতু মুখ্যমন্ত্ৰী গৰাকীয়ে গুৰুজনাক সেৱা কৰাৰ যি সুযোগ দিছে নিশ্চিতভাৱে সেই বা তেওঁ পালন কৰিব। বৈদিক যুগৰ পৰা মধুপুৰ বৰপেটাৰ যি সমন্বয় আছে সেই সমন্বয় পুনৰ মজবুত হ'ব। বৰপেটা জিলাৰ বান খহনীয়া প্ৰতিৰোধৰ স্থায়ী সমাধান কৰিবলৈ তেওঁ চেষ্টা কৰাৰ লগতে উন্নয়ন মূলক কাম তেওঁ হাতত ল'ব। ইয়াত অঞ্চল ন্যায়ালয় নহয় নগৰে নহয় বৰপেটাৰ মানুহে গোটেই ভাৰততে বেলৰ শব্দ শুনাইছে। বৰপেটাৰ কাহিনী বহুত আছে। সেইখিনি জীৱিত কৰি আগবঢ়াই নিব লাগিব। নামনি অসমৰ অতি পূৰণি বৰপেটা নগৰখন অসমৰ ভিতৰত এখন উল্লেখযোগ্য নগৰ হিচাপে গঢ়ি তোলাবো কথা সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে।

গোলকগঞ্জত ডাকঘৰৰ কৰ্মচাৰী নিখোঁজ; গংগাধৰ নৈত জাঁপ দিয়াৰ সন্দেহ

অসম বাৰ্তা, গোলকগঞ্জ, ১০ জুন ঃ গোলকগঞ্জত চহৰৰ ৮নং ওৱাৰ্ডৰ বাসিন্দা তথা গোলকগঞ্জ ডাকঘৰৰ পিয়ন হিচাপে কৰ্মৰত বৰুন দাস (৫৭) যোৱা কালিৰ পৰা নিখোঁজ হৈ আছে। এই ঘটনাই সমগ্ৰ অঞ্চলটোত উদ্বেগ আৰু চাঞ্চল্যৰ সৃষ্টি কৰিছে। স্থানীয় ৰাইজৰ মতে, গংগাধৰ নৈ পাৰত এযোৰ চেঞ্চেল উদ্ধাৰ হোৱাৰ পাছত তেওঁ নৈত জাঁপ দিয়াৰ আশংকা অধিক বৃদ্ধি পাইছে। যদিও এই আনুষ্ঠানিক নিশ্চিতকৰণ এতিয়াও হোৱা নাই, তথাপিও বহু লোকে তেওঁ নৈত জাঁপ দিয়ে বুলি অনুমান কৰিছে। ঘটনাৰ খবৰ পোৱাৰ লগে লগে (NDRF আৰু SDRF)এ যৌথভাৱে অভিযান আৰম্ভ কৰিছে। ৰাতিপুৱাৰ পৰাই উদ্ধাৰকাৰী দল সমূহে গংগাধৰ নৈত ব্যাপক অনুসন্ধান অব্যাহত ৰাখিছে। নিখোঁজ ব্যক্তি জনৰ সন্ধানত পৰিয়ালৰ লোকে, স্থানীয় ৰাইজ আৰু উদ্ধাৰ কাৰী বাহিনীয়ে নিৰন্তৰ চেষ্টা চলাই আছে। ঘটনাটোৰ অধিক তথ্যৰ বাবে গোলকগঞ্জ আৰক্ষীয়েও তদন্ত অব্যাহত ৰাখিছে।

৪৮ ঘণ্টাৰ ভিতৰত মুখ্যমন্ত্ৰীৰ স্থিতি স্পষ্ট কৰাৰ আহ্বান আব্দুল জলিল তালুকদাৰৰ

বিশ্ব নবী (ছা.)ৰ বিৰুদ্ধে তাচ্ছিল্যকাৰীৰ বিৰুদ্ধে ব্যৱস্থাৰ দাবী

অসম বাৰ্তা, কুমুল্লী পৰা, ১০ জুন ঃ বিশ্ব নবী হজৰত মোহাম্মদ (ছা.)ৰ বিৰুদ্ধে তাচ্ছিল্যমূলক মন্তব্য বা আচৰণ কৰা ব্যক্তিসকলৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে, সেই বিষয়ে অসম চৰকাৰৰ মুখ্যমন্ত্ৰীয়ে ৪৮ ঘণ্টাৰ ভিতৰত ৰাজহুৱাভাৱে অৱগত কৰিবলৈ দাবী জনাইছে ঐক্য আৰু শান্তি মঞ্চ অসম আৰু সমাজবাদী পাৰ্টিৰ মজদুৰ সভা অসম ৰাজ্যিক কমিটিৰ সভাপতি আব্দুল জলিল তালুকদাৰে। এটা বিবৃতিত আব্দুল জলিল তালুকদাৰে কয় যে, বিশ্ব নবী হজৰত মোহাম্মদ (ছা.)ৰ বিৰুদ্ধে তাচ্ছিল্য প্ৰকাশ কৰা ঘটনাসমূহে একাংশ লোকৰ মাজত গভীৰ আঘাত আৰু উদ্বেগৰ সৃষ্টি ক

১৯৩০ চনত প্ৰতিষ্ঠা হোৱা বিদ্যালয়খনে শিক্ষাৰ ক্ষেত্ৰত পুৰণিগুদামত উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে

পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন বিদ্যালয়গৃহৰ আধাৰশিলা স্থাপন বিধায়ক জিতু গোস্বামীৰ

অসম বাৰ্তা, পুৰণিগুদাম, ৯ জুন ঃ নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অধীনৰ পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নিৰ্মাণ হ'ব লগা নতুন বিদ্যালয়গৃহৰ আধাৰশিলা আজি স্থাপন কৰে বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে। ১৯৩০ চনত প্ৰতিষ্ঠা হোৱা বিদ্যালয়খনে শৈক্ষিক উন্নৱণৰ ক্ষেত্ৰত বৃহত্তৰ পুৰণিগুদাম অঞ্চলত এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। বিদ্যালয়খনে দীঘলীয়া সময় শিক্ষাৰ পোহৰ বিলাই অহাৰ পিছতো বিদ্যালয়খনৰ শ্ৰেণী কোঠা সমূহ জৰাজীৰ্ণ হৈ পৰিছিল। এই বিষয়টো বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীক যোৱা কাৰ্যকালত বিদ্যালয় পৰিচালনা সমিতিৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলে অৱগত কৰাৰ পিছত বিধায়ক জিতু গোস্বামীয়ে বিদ্যালয় গৃহ নিৰ্মাণৰ বাবে বিভাগীয়াভাৱে আঁচনি প্ৰেৰণ কৰাৰ পিছত বিদ্যালয় গৃহ নিৰ্মাণৰ বাবে ২০২৪-২৫ বৰ্ষৰ গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন শিতানত পুঁজিৰ ব্যৱস্থা কৰিছিল। আজি এই পুঁজিৰ অধীনত আঠ কোটি টকা ব্যয় সাপেক্ষে বিদ্যালয় গৃহৰ নিৰ্মাণৰ কাম আৰম্ভ হয়। আজি বিদ্যালয় গৃহৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰি বিধায়কগৰাকীয়ে বিদ্যালয় গৃহ নিৰ্মাণ হৈ উঠিলে বিদ্যালয়খনে শিক্ষাৰ ক্ষেত্ৰত বৃহত্তৰ অঞ্চলটো আৰু অধিক আগুৱাই লৈ যাব বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে, সমষ্টিৰ সামগ্ৰিক উন্নয়নৰ লগতে শিক্ষাৰ ক্ষেত্ৰত সমষ্টিটো আৰু অধিক আগুৱাই যাব পাৰে তাৰ বাবে সমষ্টিৰ বহুকেইখন বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বিধায়ক গৰাকীয়ে। আজি বিদ্যালয়খনৰ আধাৰশিলা স্থাপন অনুষ্ঠানত বিদ্যালয়ৰ অধ্যক্ষা, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ উপৰিও পৰিচালনা সমিতিৰ সভাপতি জীৱন চন্দ্ৰ বৰা, সমাজকৰ্মী পুলিন হাজৰিকা, দ্বীপেন বৈৰাগী, অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰকাশ বৰঠাকুৰ, জয়ন্ত শইকীয়া, পুৰণিগুদাম জিলা পৰিষদ সদস্য মিণ্টু শৰ্মা, হালোবাগাঁও পঞ্চায়তৰ সভাপতি প্ৰশান্ত বৰা, বিজেপি নেতা ৰঞ্জিত বৰাৰ লগতে পুৰণিগুদাম অঞ্চলৰ কেইবাগৰাকী জ্যেষ্ঠ নাগৰিক উপস্থিত থাকে। আজি আধাৰশিলা অনুষ্ঠানৰ আঁত ধৰে বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী পূৰবী শইকীয়াই। বিদ্যালয় গৃহৰ আধাৰশিলা স্থাপন কৰাৰ পিছত ঢিকাদাৰ জিতুল পাটোৱাৰীক সোনকালে আৰু সুন্দৰভাৱে বিদ্যালয় গৃহ নিৰ্মাণ কৰিবলৈ বিধায়ক জিতু গোস্বামীয়ে আহ্বান জনায়।

মাজুলী জিলা ছিনিয়ৰ ছেকেণ্ডাৰী শিক্ষক- কৰ্মচাৰী সন্থাৰ নৱনিযুক্ত শিক্ষক কৰ্মচাৰীসকলক বিশেষ সম্বৰ্ধনা

শিক্ষাৰ্থীৰ মন, মগজুত প্ৰশ্নৰ উৰ্দ্ৰেক ঘটাব নোৱাৰা শিক্ষক সকলৰ শ্ৰম অথলে গৈছে ঃ উৎপল চক্ৰৱৰ্তী

অসম বাৰ্তা, উজনী মাজুলী, ৯ জুন ঃ আজি বিশ্বৰ ঐতিহ্য মণ্ডিত বৃহত্তম নদীদ্বীপ তথা সত্ৰনগৰী মাজুলীত মাজুলী জিলা ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয় সমূহত যোগদান কৰা নৱ নিযুক্ত শিক্ষক কৰ্মচাৰী সকলক সম্বৰ্ধনা জনোৱা হয়। আজি গড়মূৰত অৱস্থিত পীতাম্বৰ দেৱগোস্বামী ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ত ভাৰপ্ৰাপ্ত অধ্যক্ষ অজিত সভাপণ্ডিতৰ সভাপতিত্বত উক্ত সম্বৰ্ধনা সভাঅনুষ্ঠিত হয়। সভাত অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম জুনিয়ৰ কলেজ শিক্ষক- কৰ্মচাৰী সন্থাৰ প্ৰাক্তন সভাপতি ঘনকান্ত নাথে নৱ নিযুক্ত শিক্ষক কৰ্মচাৰী সকলক আন্মোৎছৰ্গ আৰু সেৱাৰ মনোভাৱেৰে শিক্ষাদানত জড়িত হৈ জাতিৰ সেৱাৰ নিয়োজিত হ'বলৈ আহ্বান জনায়। অসম জুনিয়ৰ কলেজ শিক্ষক-কৰ্মচাৰী সন্থাৰ সম্পাদক উৎপল চক্ৰৱৰ্তীয়ে সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি কয় যে ছাত্ৰ -ছাত্ৰীক শ্ৰেণী কোঠাত মন্ত্ৰমুগ্ধ কৰি ৰক্ষাৰ ক্ষেত্ৰত শিক্ষক সকলে এজন সামাজিক অভিযন্তা হিচাপে কাম কৰক। শিক্ষকতা এটা ক'লা বুলি উল্লেখ কৰি চক্ৰৱৰ্তীয়ে পুনৰ কয় যে যিসকল শিক্ষকে শ্ৰেণীকোঠাত শিক্ষাৰ্থীৰ মন মগজুত প্ৰশ্নৰ উৰ্দ্ৰেক ঘটাব নোৱাৰা নামনি মাজুলী জুনিয়ৰ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কুশল হাজৰিকা, পীতাম্বৰ দেৱগোস্বামী জুনিয়ৰ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ওমনিনাথ, লুইতপৰীয়া জুনিয়ৰ কলেজৰ অধ্যক্ষ নৱজ্যোতি দাস, উত্তৰ মাজুলী জুনিয়ৰ কলেজৰ অধ্যক্ষ কেনেডি দলে, নামনি মাজুলী জুনিয়ৰ কলেজৰ ইংৰাজী বিভাগৰ প্ৰৱক্তা জয়ন্ত দত্ত আৰু পিংকি শৰ্মা সংম্বোধিত শিক্ষক কৰ্মচাৰী সকলকে অগ্ৰজ সকলৰ পদাংক অনুসৰণ কৰি ছাত্ৰ-ছাত্ৰী তথা সমাজ সংস্কাৰৰ কামত নিয়োজিত হোৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। মাজুলী জিলা ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয় সন্থাৰ সম্পাদক অজিত কুমাৰ বৰুৱাই অনুষ্ঠানৰ আঁত ধৰে আৰু সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায়।

চিৰসেউজ কৃষিপাম সমবায় সমিতি লিমিটেডৰ প্ৰশংসনীয় পদক্ষেপ

অসম বাৰ্তা, মঙলদৈ, ৯ জুন ঃ অসম আন্দোলনৰ ফচল মোৱামাৰী চাপৰিৰ চিৰ সেউজ কৃষিপাম সমবায় সমিতি লিমিটেডে আজি মোৱামাৰী-গেৰিমাৰী কোঁচ ৰাজবংশী সম্মিলনীক এবিঘা মাটি প্ৰস্তাবিত বীৰ চিলাৱায় ভবন নিৰ্মাণৰ বাবে দান কৰে। এই উপলক্ষে দিনৰ ১২ বজাত অসম আন্দোলনৰ নেতা, বিশিষ্ট সমাজসেৱক হিৰেণ চহৰীয়াই ৰাইজৰ হৰ্ষোল্লাসৰ মাজত ৰঙা ফিতা কাটি ভূমিখিনি সম্মিলনীক চমজাই দিয়ে। অসম আন্দোলন কৰি জেইল খটা হিৰেণ চহৰীয়াই স্মৃতি ৰোমন্থন কৰি কয় যে, অসম আন্দোলনৰ অন্তত অগপ দলৰ চৰকাৰ গঠন হোৱাৰ পিছতে মুক্তিযোদ্ধা পানীৰাম দাসৰ নেতৃত্বত এদল জাতীয়তাবাদী ভাবধাৰাৰ যুৱকে মোৱামাৰী চৰৰ 'অচিনাকি'ক আঁতৰাই পঠিয়াইপ্ৰায় ১৩১৬ মাটি দখল কৰি খিলঞ্জীয়া যুৱকৰ দ্বাৰা আৰম্ভ কৰিছিল চিৰ সেউজ কৃষিপাম সমবায় সমিতি লিমিটেড। চৰকাৰৰ পঞ্জীয়নভুক্ত এই চিৰ সেউজ কৃষিপাম সমবায় সমিতি লিমিটেডৰ অধীনত বৰ্তমান আছে ৫১টা খিলঞ্জীয়া পৰিয়াল। বিভিন্ন প্ৰত্যাহ্বানৰ মাজতো এওঁলোকে কৃষি কৰ্ম কৰি আছে। এই চিৰ সেউজ কৃষিপাম সমবায় সমিতি লিমিটেডে কোচ ৰাজবংশী সম্মিলনীক এবিঘা মাটি দান কৰি এক মহৎ কাম কৰিছে। এই মাটিত অচিৰেই চিলাৱায় ভবন নিৰ্মাণ কৰাৰ লগতে বীৰ চিলাৱায়ৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰা হ'ব বুলি হিৰেণ চহৰীয়া ঘোষণা কৰে। সদৌ দৰং জিলা কোচ ৰাজবংশী সম্মিলনীৰ সাংগঠনিক সম্পাদক তপন ৰাজবংশীয়ে আঁত ধৰা এই অনুষ্ঠানত চিৰ সেউজ কৃষিপাম সমবায় সমিতি লিমিটেডৰ প্ৰতিষ্ঠাপক সম্পাদক তিলক ডেকা, সভাপতি নন্দীৰাম ডেকা, সম্পাদক তৰেণ ডেকা, প্ৰাক্তন সভাপতি হৰিচন্দ্ৰ ডেকা, মোৱামাৰী-গেৰিমাৰী কোঁচ ৰাজবংশী সম্মিলনীৰ উপদেষ্টা বিষ্ণুৰাম চলিহা, সভাপতি অৰবিন্দ ডেকা, সম্পাদক পূৰ্ণ ৰাজবংশী, সমাজ সেৱক বিনন্দ ডেকা, বিকাশ বৰুৱা, যোগেন্দ্ৰ নাথ চহৰীয়া, অৰুণ দলে আদিয়ে অতীত স্মৃতি ৰোমন্থন কৰি স্মৃতিকাতৰ হৈ পৰে।

দুগৰাকী কন্যা সন্তানৰ মাতৃৰ সন্ধানত উৎকণ্ঠিত পৰিয়াল

শ্ৰীৰামপুৰৰ স্বামীৰ ঘৰৰ পৰা ৰহস্যজনকভাৱে নিৰুদ্দেশ বিবাহিতা

অসম বাৰ্তা, কুমুল্লী পৰা, ৯ জুন ঃ ৰবপেটা জিলাৰ হাউলী থানাৰ অন্তৰ্গত শ্ৰীৰামপুৰ গাঁৱৰ স্বামীৰ বাসগৃহৰ পৰা এগৰাকী বিবাহিতা মহিলা যোৱা ২ জুনৰ পৰা ৰহস্যজনকভাৱে নিৰুদ্দেশ হৈ থকাক লৈ সমগ্ৰ অঞ্চলটোত উদ্বেগৰ পৰিবেশৰ সৃষ্টি হৈছে। নিৰুদ্দেশ মহিলাগৰাকী হৈছে কুমুল্লী পাৰাৰ নিবাসী মীৰ আহাম্মদ আলীৰ ৩৩ বছৰীয়া কন্যা সাজিদা খাতুন। জানিব পৰা মতে, প্ৰায় পোন্ধৰ বছৰ পূৰ্বে সাজিদা খাতুনৰ শ্ৰীৰামপুৰ গাঁৱৰ আনোৱাৰা ছছেইনৰ পুত্ৰ আখতাৰ ছছেইনৰ সৈতে বিবাহ সম্পন্ন হৈছিল। বৈবাহিক জীৱনত তেওঁলোকৰ দুগৰাকী কন্যা সন্তান আছে। বৰ্তমান সন্তান দুয়ো পিতৃৰ তত্ত্বাৱধানত আছে যদিও মাতৃৰ আকস্মিক নিৰুদ্দেশ হোৱাৰ ঘটনাই সমগ্ৰ পৰিয়ালটোক গভীৰ অনিশ্চয়তা আৰু মানসিক অস্থিৰতাৰ মাজলৈ ঠেলি দিছে। পৰিয়ালৰ সূত্ৰ অনুসৰি, যোৱা ২ জুনৰ পৰা সাজিদা খাতুনৰ কোনো ধৰণৰ খবৰ লাভ কৰা হোৱা নাই। নিৰুদ্দেশ হোৱাৰ পিছৰে পৰা আত্মীয়-স্বজন, পৰিচিত লোক আৰু বিভিন্ন সম্ভাব্য স্থানত ব্যাপক অনুসন্ধান চলোৱা হৈছে। তথাপিও এতিয়ালৈকে তেওঁৰ কোনো সন্ধান বা গুংসূত্ৰ লাভ নোহোৱাত পৰিয়ালৰ উদ্বেগ দিনে দিনে বৃদ্ধি পাইছে। ঘটনাটোৰ গুৰুত্ব অনুধাৱন কৰি নিৰুদ্দেশ মহিলাগৰাকীৰ পিতৃ মীৰ আহাম্মদ আলীয়ে যোৱা ৫ জুনত হাউলী আৰক্ষী থানাত এখন লিখিত এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে বিষয়টোক গুৰুত্বসহকাৰে গ্ৰহণ কৰি তদন্ত আৰম্ভ কৰিছে। সম্ভাব্য সকলো দিশ পৰ্যালোচনা কৰাৰ লগতে মহিলাগৰাকীৰ সন্ধানত আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে। কিন্তু এই প্ৰতিবেদন যুগুত কৰা পৰ্যন্ত তেওঁৰ কোনো সন্ধেদ লাভ কৰা হোৱা নাই। এগৰাকী বিবাহিতা মহিলা আৰু দুগৰাকী কন্যা সন্তানৰ মাতৃৰ এনেদৰে হঠাতে নিৰুদ্দেশ হৈ যোৱাৰ ঘটনাই স্থানীয় ৰাইজৰ মাজতো গভীৰ চিন্তাৰ সৃষ্টি কৰিছে। বিশেষকৈ কোনো ধৰণৰ তথ্য নোহোৱাকৈ কেইবাদিনো অতিবাহিত হোৱাত ঘটনাটোৰে অধিক ৰহস্যৰ সৃষ্টি কৰিছে। ইফালে, কন্যাগৰাকীৰ নিবাপদ প্ৰত্যাবৰ্তনৰ আশাত দিন গণি থকা পিতৃ-মাতৃ তথা পৰিয়ালৰ সদস্যসকলে আৰক্ষীৰ তদন্তৰ ওপৰত আস্থা প্ৰকাশ কৰিছে। লগতে কোনো ব্যক্তি বা সংস্থাই যদি সাজিদা খাতুনৰ সম্পৰ্কে কোনো তথ্য লাভ কৰে, তেন্তে মানৱীয় দায়বদ্ধতাৰ খাতিৰত তৎক্ষণাত হাউলী আৰক্ষী বা পৰিয়ালৰ সৈতে যোগাযোগ কৰি সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনাইছে। সাজিদা খাতুনৰ সন্ধানক কেন্দ্ৰ কৰি বৰ্তমান কুমুল্লী পাৰা আৰু শ্ৰীৰামপুৰ অঞ্চলত এক উদ্বিগ্ন অপেক্ষাৰ পৰিবেশ বিৰাজ কৰিছে।

৪০টা ড্ৰাগছভৰ্তি ভায়েলসহ যুৱকক আটক

শিঙৰীত ড্ৰাগছ বিৰোধী আৰক্ষীৰ বৃহৎ অভিযান

অসম বাৰ্তা, ঢেকীয়াজুলি, ৯ জুন ঃ শোণিতপুৰ জিলাৰ অন্তৰ্গত শিঙৰী আৰক্ষী চকী এলেকাত পুনৰ এবাৰ ড্ৰাগছ বিৰোধী অভিযানত সফলতা লাভ কৰিছে আৰক্ষীয়ে। এক গোপন সূত্ৰৰ ভিত্তিত চলোৱা অভিযানত ৪০টা ড্ৰাগছভৰ্তি ভায়েলসহ বাহাৰুল ইছলাম নামৰ এজন যুৱকক আটক কৰিবলৈ সক্ষম হয় শিঙৰী আৰক্ষী। প্ৰাপ্ত তথ্য অনুসৰি, শিঙৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া চমদন স্বৰ্গীয়াৰীৰ নেতৃত্বত আৰক্ষীৰ এটা দলে বছাৰমিলু গাঁৱত বিশেষ অভিযান চলায়। গোপন খবৰৰ ভিত্তিত সন্দেহজনক কাৰ্যকলাপৰ ওপৰত নজৰ ৰাখি চলোৱা এই অভিযানৰ সময়তে আৰক্ষীয়ে যুৱকজনক আটক কৰে। আৰক্ষীয়ে যুৱকজনৰ দখলৰ পৰা ৪০টা ড্ৰাগছভৰ্তি ভায়েল উদ্ধাৰ কৰাৰ লগতে এখন মটৰচাইকেল আৰু এটা ম'বাইল ফোন জব্দ কৰে। জব্দ কৰা সামগ্ৰীসমূহ তদন্তৰ স্বাৰ্থত আৰক্ষীৰ জিম্মাত ৰখা হৈছে। ঘটনাটোক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। শেহতীয়া সময়ত অঞ্চলটোত মাদক দ্ৰব্যৰ অবৈধ বাৰসায় ৰোধৰ ক্ষেত্ৰত আৰক্ষীয়ে কঠোৰ পদক্ষেপ গ্ৰহণ কৰি আহিছে। এই অভিযানকো সেই ধাৰাবাহিক অভিযানৰ অংশ হিচাপে গণ্য কৰা হৈছে। আটকাধীন বাহাৰুল ইছলামক সোধা-পোছাৰ জৰিয়তে ড্ৰাগছ সৰবৰাহ চক্ৰৰ সৈতে জড়িত আন ব্যক্তিসকলৰ সন্ধান উলিয়াবলৈ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। এই ঘটনাৰ সৈতে জড়িত অধিক তথ্য লাভ কৰাৰ বাবে শিঙৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া চমদন স্বৰ্গীয়াৰীয়ে অধিক অনুসন্ধান চলাই আছে।

অবৈধ মদ, চুলাইৰ বিৰুদ্ধ আমগুৰি আৰক্ষীৰ ধাৰাবাহিক অভিযান

হেজাৰ হেজাৰ লিটাৰ চুলাই নষ্ট

অসম বাৰ্তা, চেলেংহাট, ১০ জুন ঃ শিৱসাগৰ জিলাৰ বৃহত্তৰ আমগুৰি অঞ্চলৰ চুকে-কোণে চুলাই মদ, দেশী-বিদেশী অবৈধ মদৰ অবাধ প্ৰচলন দীৰ্ঘদিন ধৰি অব্যাহত আছে। এইমদ আৰু চুলাই মদৰ বেপাৰীবোৰে কাঁলৈকো কেৰেপ নকৰে। আনহে নালাগে সময়ে সময়ে অবৈধ মদৰ বিৰুদ্ধে মাত মতা লোকৰ বিৰুদ্ধে আঙুলি টোৱাবলৈও মৰসাহস কৰিছিল। আবকাৰী বিভাগৰ নিৰ্লিপ্ততা তথা গা এৰা দিয়া স্বভাৱৰ বাবে অলিয়ে-গলিয়ে চুলাই সন্ৰাট বিশাল নেটৰৰ্ক গঢ়ি উঠিছে। বিশেষকৈ গ্ৰামাঞ্চলত এই ৰববিহে শৈক্ষিক পৰিবেশ বিনষ্ট কৰাৰ লগতে সামাজিক পৰিবেশ কলংকিত কৰি বহুবোৰ পৰিয়াল ধ্বংসৰ মুখলৈ লৈ গৈছে। চুলাই আৰু অবৈধ মদৰ ব্যাপক প্ৰচলনৰ ফলত অধ্যয়নৰত ছাত্ৰও এই ৰববিহৰ চিকাৰ হৈছে। এনে পৰিস্থিতিত নাগৰিক নাগৰিকে ত্ৰাহি মধুসূধন দেখি গৈছে। শেহতীয়াকৈ আমগুৰিত সচেতন নাগৰিক, সাংবাদিক, একাংশ দল-সংগঠন আৰু মহিলা সমিতি অবৈধ মদৰ বিৰুদ্ধে সোচ্চাৰ হৈ উঠে। এই সন্দৰ্ভত আমগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মৃদুল হাজৰিকাৰ উদ্যোগত নিৰ্বাচিত লোকে এক আলোচনাত মিলিত হয়। শেহতীয়াকৈ যোৱা এসপ্তাহে আৰক্ষী বিষয়াজনৰ নেতৃত্বত আমগুৰি আৰক্ষীয়ে দেওবজা, মানটনীয়া, জেহেনীয়া, চামগুৰি আদি অঞ্চলত অবিৰতভাৱে চুলাই মদৰ বিৰুদ্ধে অভিযান চলাই হেজাৰ হেজাৰ লিটাৰ চুলাই মদ নষ্ট কৰাৰ লগতে চুলাই বনোৱা সামগ্ৰী ধ্বংস কৰিছে। চুলাই বেপাৰীয়ে গোপন স্থানত মটৰ আদিও স্থাপন কৰি চুলাই সৰবৰাহ কৰি আহিছে। এই চুলাই বনাবলৈ ব্যৱহাৰ কৰা লালীগুড় গৰুৰ খাদ্য যদিও লালীগুড়ৰ বেপাৰীয়ে গৰুৰ খাদ্য হিচাপে অনা লালীগুড় চুলাই বেপাৰীৰ দীৰ্ঘদিন ধৰি বিক্ৰী কৰি চুলাই বনোৱাত সহায় কৰি আহিছে। নামত আৱকাৰী বিভাগ এটা আছে যদিও নিধিৰাম চৰ্দাৰ এই বিভাগটোৰ ছত্ৰছায়াত চুলাই মদৰ লগতে আমগুৰি নগৰত গলিয়ে গলিয়ে, স্কুল-কলেজৰ সন্মুখৰ হোটেলতো অবৈধ মদ বিক্ৰী কেন্দ্ৰ গঢ়ি উঠিছে। নামত ভাতৰ হোটেলৰ চাইনবৰ্ড আঁৰি ভিতৰৰ ভাত, ৰুটি ইত্যাদিৰ নামত সৰহ সংখ্যক হোটেলদাৰীয়ে দিনে-ৰাতিয়ে কেৱল মদ বিক্ৰী কৰে বুলি বিভিন্ন সময়ত অভিযোগ উত্থাপন হৈ আহিছে হৈ আহিছে। শেহতীয়াকৈ আমগুৰি আৰক্ষীয়ে মদৰ বিৰুদ্ধে জোৰদাৰ অভিযান চলোৱাত বাইজে সন্তোষ প্ৰকাশ কৰিছে যদিও এই অভিযান অব্যাহত ৰখাটোও কামনা কৰিছে। লগতে ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ, ৰাতি ১০, ১১ বজালৈকে খোলা ৰখা অবৈধ মদ বিক্ৰী কৰা কেন্দ্ৰ সমূহো আৰক্ষীয়ে অভিযান চলোৱাটো সচেতন বাইজে কামনা কৰিছে।

বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ত বিজ্ঞানৰ আৰ্হি প্ৰতিযোগিতা সম্পন্ন

অসম বাৰ্তা, পাথৰিঘাট, ১০ জুন ঃ দৰঙৰ ডাঁহী জনাবাম চৌকাত অৱস্থিত মানৱ সম্পদ গঢ়া ৰাষ্ট্ৰ নিৰ্মাণৰ লক্ষ্যৰে স্থাপিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ শৈক্ষিক প্ৰতিষ্ঠান বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিজ্ঞানক জনপ্ৰিয় কৰা আৰু পাৰিপাৰ্শ্বিকতা অখুম ৰখা সজাগতা সৃষ্টিৰ উদ্দেশ্যে অনুষ্ঠিত হয় বিজ্ঞানৰ আৰ্হি প্ৰস্তুত আৰু প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত বিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ মুঠ ৪৫টা গ্ৰুপে অংশগ্ৰহণ কৰে। বিশ্ব পৰিবেশ দিৱস পালনৰ লগত সংগতি ৰাখি আয়োজন কৰা এই বিজ্ঞানৰ আৰ্হি প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে ২৪ নং গ্ৰুপৰ হিতাৰ্থ বৃজৰ বৰুৱা, মিলিন্দ প্ৰৱান কাশ্যপ আৰু জ্যোতিস্মান বৈশাই। দ্বিতীয় স্থান লাভ কৰে ১৩নং গ্ৰুপৰ প্ৰাশ্বৰ্য বৈশ্য, জ্ঞান বৈশাই আৰু তৃতীয় স্থান লাভ কৰে গ্ৰুপ পঞ্চমৰ মানস প্ৰতিম ডেকা আৰু বেদান্ত শৰ্মাই। প্ৰতিযোগিতাত স্থান প্ৰাপ্তসকলক ভিন্ন পুৰস্কাৰেৰে সন্মান জনোৱা হয়। ইয়াৰ উপৰিও চুটি নাটক প্ৰকৃতি সুৰক্ষা আৰু সংৰক্ষণৰ মাজেৰে ছাত্ৰ-ছাত্ৰী সকলক পৰিবেশৰ ওপৰত সজাগ সৃষ্টি কৰা হয়। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰী সকলৰ ছাদা চৌহদত গছ পুলি ৰোপণ কৰাৰ লগতে ভিন্ন সাংস্কৃতিক অনুষ্ঠান ৰূপায়ণ কৰা হয়। ছাত্ৰ-ছাত্ৰী সকলৰ মাজত ছবি আঁকা প্ৰতিযোগিতা, বেনাৰ প্ৰতিযোগিতা আৰু গছপুলি ৰোপণেৰে পৰিবেশৰ সজাগ কৰি তোলা হয়। ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সজাগতা সৃষ্টিৰ লক্ষ্যৰে আয়োজন কৰা বক্তৃতা আৰু সাংস্কৃতিক অনুষ্ঠানৰ আঁতধৰে শিক্ষাথী বিভাঞ্চি ডেকা আৰু কৌস্তুভ মণি বৰাই। অনুষ্ঠানত তত্ত্বাৱধায়ক হিচাপে উপস্থিত থাকে শিক্ষক হৃদয় ৰঞ্জন গগৈ, গৌৰাংগ মেধি। বিজ্ঞানৰ আৰ্হি পদৰ্শনীত সমল ব্যক্তি হিচাপে উপস্থিত থাকে থাকুপেটীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড' বুনিন চন্দ্ৰ হাজৰিকা আৰু ৰাষ্ট্ৰীয় কৃতি শিক্ষকৰ বঁটা প্ৰাপক শশাঙ্ক হাজৰিকাই। দুয়োগৰাকি অতিথিৰ আগত বিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ ভিন্ন সাংস্কৃতিক এক.টিভিটি প্ৰদৰ্শন কৰা হয় দুয়ো গৰাকি অতিথিয়ে পৰিবেশ দিৱসৰ তাৎপৰ্য আৰু ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যত, পৰিবেশৰ ওপৰত বক্তব্য দাঙি ধৰে। অনুষ্ঠানৰ শুভাৰম্ভণি গীত পৰিবেশন কৰে ছাত্ৰ ইভান চলিহা আৰু সংগীবৃন্দই। বিজ্ঞানৰ আৰ্হি প্ৰদৰ্শন তথা প্ৰতিযোগিতাত অভিভাৱক, স্থানীয় ৰাইজে বিদ্যালয়খনক ভূয়সী প্ৰশংসা কৰে। বিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰী সকলে পৰিবেশন কৰা প্ৰকৃতি ৰক্ষা ৰ ওপৰত চুটি নাট প্ৰদৰ্শনেৰে সকলোৰে সমাদৰ বুটলিবলৈ সক্ষম হয়। কণ কণ ছাত্ৰ ছাত্ৰী সকলে উছাহ আনন্দৰে ভাগ লয় ছবি অঙ্কা প্ৰতিযোগিতাত। সকলো ছাত্ৰ-ছাত্ৰী, শিক্ষক কৰ্মচাৰী, অভিভাৱকক সহায় সহযোগিতাৰ বাবে অধ্যক্ষ অংশুমান কাশ্যপে ধন্যবাদ জ্ঞাপন কৰে। ভিন্ন প্ৰতিযোগিতাৰ অন্তত স্থান প্ৰাপ্ত সকলৰ মাজত পুৰস্কাৰ বিতৰণ কৰা হয়।

বজ্ৰপাতত নিহত দুয়ো যুৱকৰ পৰিয়াললৈ ৪ লাখ টকাকৈ সাহায্য ঘোষণা

অসম বাৰ্তা, কুমুল্লী পৰা, ১০ জুন ঃ ৰবপেটা জিলাৰ কলগাছিয়া অঞ্চলত সংঘটিত শোকাবহ বজ্ৰপাতৰ ঘটনাত নিহত দুগৰাকী যুৱকৰ পৰিয়াললৈ ৪ লাখ টকাকৈ মুঠ ৮ লাখ টকাৰ চৰকাৰী সাহায্য মঞ্জুৰ কৰা হৈছে। এই কথা সামাজিক মাধ্যমযোগে ঘোষণা কৰিছে মন্দিয়া সমষ্টিৰ বিধায়ক শ্বেৰমান আলী আহমেদে। উল্লেখ্য যে, ৪ জুনত সংঘটিত বজ্ৰপাতৰ ফলত ৰবপেটা জিলাৰ আমগুৰি গাঁৱৰ জাহাঙ্গীৰ আলম আৰু কলগাছিয়াৰ হাফিজুৰ ৰহমানৰ অকাল মৃত্যু ঘটে। এই ঘটনাই সমগ্ৰ অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছিল। বিধায়ক শ্বেৰমান আলী আহমেদে জনোৱা অনুসৰি, নিহত দুয়োগৰাকী যুৱকৰ নিকট আত্মীয়ৰ বেংক একাউন্টত ৪ লাখ টকাকৈ চৰকাৰী সাহায্যৰ ধন অতি সোনকালে জমা হ'ব। ইয়াৰ লগতে বজ্ৰপাতত আহত হোৱা আন ছয়গৰাকী লোকক চৰকাৰী সাহায্য প্ৰদানৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ প্ৰচেষ্টা অব্যাহত আছে বুলি তেওঁ উল্লেখ কৰে। বিধায়কৰ এই ঘোষণাই শোকসন্তপ্ত পৰিয়ালসমূহক কিছু পৰিমাণে আৰ্থিক সহায় আগবঢ়াব বুলি স্থানীয় ৰাইজে আশা প্ৰকাশ কৰিছে। বজ্ৰপাতৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ সময়ত চৰকাৰী সহায়-সহযোগিতা আৰু সচেতনতা বৃদ্ধিৰ ওপৰতো বিভিন্ন মহলে গুৰুত্ব আৰোপ কৰিছে।

শিৱসাগৰ চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ নৱাগত আদৰণি সভা সম্পন্ন

অসম বাৰ্তা, জাঁজী, ১০ জুন ঃ ঐতিহাসিক শিৱসাগৰ জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান শিৱসাগৰ চিনিয়ৰ ছেকেণ্ডাৰী স্কুলত বিগত বৰ্ষ সমূহৰ দৰে এই বছৰেো নবাগত আদৰণি সভা অনুষ্ঠিত হয়। শিৱসাগৰ চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষা তৰুলতা ভূঞা শইকীয়ায়ে বস্তি প্ৰজ্বলন কৰাৰ পাছতেই দ্বিতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা সমবেত সংগীতেৰে সভাখন আৰম্ভ কৰে। এই নবাগত আদৰণি সভাখনত দ্বিতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰী সকলে জুবিন গাৰ্গৰ কালজয়ী গীত, শাস্ত্ৰীয় নৃত্য, গুজবাটী নৃত্য, দক্ষিণ ভাৰতীয় নৃত্য, নেপালী নৃত্য আদি পৰিবেশন কৰে। সভাখনত স্কুলৰ অধ্যক্ষা গৰাকীয়ে ছাত্ৰ-ছাত্ৰী সকলক পঢ়াৰ ওপ

/

চাহ বাগিচাৰ শিক্ষাৰ্থীৰ বাবে

৫, ৪০০ টকাকৈ আৰ্থিক সহায় প্ৰদান কৰা হ'ব। বিদ্যালয় পৰিচালনা সমিতি শ্চএছএমচি বা এছএমডিচিয়াৰ জৰিয়তে স্থানীয় পৰ্যায়ত পৰিবহণ ব্যৱস্থাৰ আয়োজন কৰা হ'ব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উল্লেখ কৰে যে শিক্ষাৰ অধিকাৰ সুনিশ্চিত কৰাৰ এই পদক্ষেপে চাহ বাগিচা অঞ্চলৰ হাজাৰ হাজাৰ শিক্ষাৰ্থীৰ বাবে বিদ্যালয়মুখী যাত্ৰা অধিক সহজ, সুৰক্ষিত আৰু সুলভ কৰি তুলিব। ই চৰকাৰৰ শিক্ষা বান্ধৱী আঁচনিসমূহৰ ভিতৰত এক গুৰুত্বপূৰ্ণ সংযোজন বুলি অভিহিত কৰে মন্ত্ৰীগৰাকীয়ে।

মুছলপুৰত মন্ত্ৰী চৰণ বড়োৰ পৰ্যালোচনা

অতিৰিক্ত জিলা আয়ুক্তসকল, ৰাজহ চক্ৰৰ বিষয়াসকল, বিভাগীয় মুৰব্বীসকল আৰু অন্যান্য সংশ্লিষ্ট বিষয়াসকল বৈঠকত অংশ লয়। অভিভাৱক মন্ত্ৰীগৰাকীয়ে জিলা বিষয়াসকলৰ সৈতে এক মত-বিনিময় অনুষ্ঠিত কৰি বৈঠকৰ আৰম্ভণি কৰে। অভিভাৱক মন্ত্ৰী চৰণ বড়োৱে জিলাখনৰ উন্নয়নমূলক আৰু কল্যাণমুখী আঁচনিসমূহৰ পৰ্যালোচনা কৰি অৰুণাচলৰ আৰু মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান (CMAAA)কে ধৰি চৰকাৰৰ অন্যান্য মুখ্য আঁচনিসমূহৰ ৰূপায়ণৰ বিস্তাৰিত খতিয়ান লয়। ইফালে, বৈঠকখনত 'অসম দৰ্শন' আৰু 'ভাইব্ৰেণ্ট ভিলেজ প্ৰগ্ৰেম' (Vibrant Village Programme)ৰ অধীনত গ্ৰহণ কৰা উন্নয়নমূলক পদক্ষেপসমূহৰো গভীৰ পৰ্যালোচনা কৰা হয়। জিলাখনৰ বান প্ৰস্তুতিৰ স্থিতি নিৰূপণ কৰি অভিভাৱক মন্ত্ৰীগৰাকীয়ে বানপ্ৰৱণ অঞ্চলসমূহত প্ৰয়োজনীয় সামগ্ৰীৰ উপলব্ধতা, একাকালীন সাহায্য (ex-gratia) প্ৰদানৰ প্ৰস্তুতি আৰু জৰুৰীকালীন সঁহাৰিৰ ব্যৱস্থাসমূহৰ মূল্যায়ন কৰে। একেদৰে, বানপানীৰ সময়ত পশুধনৰ সুৰক্ষা নিশ্চিত কৰিবলৈ ওখ স্থানৰ (highlands) উপলব্ধতা আৰু পশুপালন বিভাগৰ প্ৰস্তুতি সম্পৰ্কেও তেওঁ বুজ লয়। বৈঠকত মানুহ-হাতীৰ সংঘাত সম্পৰ্কীয় সমস্যাৰো পৰ্যালোচনা কৰি এই সংঘাত ৰোধ কৰাৰ বাবে সৌৰ বেদ্যুতিক বেৰা (solar electric fencing) আৰু জৈৱ-বেৰা (bio-fencing) আদি ব্যৱস্থাৰ বিষয়ে বিশদ আলোচনা কৰা হয়। লগতে জিলাখনৰ পথ আৰু ভৱন আন্তৃৰ্গাথনি, পৰিবহণ সেৱা আৰু স্বাস্থ্যসেৱা প্ৰদানৰ সামগ্ৰিক স্থিতিও এই বৈঠকত বিশ্লেষণ কৰা হয়। অভিভাৱক মন্ত্ৰী বড়োৱে স্পষ্ট কৰে যে জিলাখনৰ উন্নয়নমূলক কাৰ্যকলাপ আৰু চৰকাৰী আঁচনিসমূহৰ প্ৰগতিৰ ওপৰত নিয়মীয়া নজৰ ৰাখিবলৈ তেওঁ ভৱিষ্যতেও পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰিব। তেওঁ লগতে জানিবলৈ দিয়ে যে বিভিন্ন আঁচনি আৰু উন্নয়নমূলক কাম-কাজৰ তুলমূল পৰ্যায়ৰ ৰূপায়ণৰ প্ৰত্যক্ষ মূল্যায়ন কৰিবলৈ অনাগত দিনবোৰত সমগ্ৰ জিলাখনতে ক্ষেত্ৰভিত্তিক পৰিদৰ্শন (field visits) সম্পন্ন কৰিব। জিলা আয়ুক্ত আৰু বিভাগীয় বিষয়াসকলে এই বৈঠকত চলি থকা প্ৰকল্পসমূহৰ প্ৰগতি, সমুখীন হোৱা ডাঙৰ প্ৰত্যাহ্বানসমূহ আৰু সেই সমস্যাসমাধানৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে অভিভাৱক মন্ত্ৰীগৰাকীক বিস্তাৰভাৱে অৱগত কৰে।

জৱাহৰলাল নেহৰুক চেৰ পেলাই

মোদীয়ে সেই অভিলেখ অতিক্ৰম কৰি নিজৰ নামত নতুন নজিৰ সৃষ্টি কৰে। উল্লেখযোগ্য যে, ১৯৪৭ চনৰ পৰা ১৯৫২ চনলৈ নেহৰুৰে অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল, কাৰণ সেই সময়ছোৱাত নিৰ্বাচন অনুষ্ঠিত হোৱা নাছিল। গতিকে তেওঁৰ নিৰ্বাচিত কাৰ্যকাল গণনা কৰা হয় ১৯৫২ চনৰ পৰাহে। প্ৰধানমন্ত্ৰী মোদীৰ দীৰ্ঘ কাৰ্যকাল উপলক্ষে বিশ্বৰ বিভিন্ন দেশৰ নেতাই আনুষ্ঠানিকভাৱে শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁলোকে মোদীৰ পৰিবৰ্তনশীল শাসনব্যৱস্থা, গ্ল'বেল ছাউথৰ প্ৰতি মনোভাৱ আৰু এক শক্তিশালী, অৰ্থনৈতিকভাৱে গতিশীল ভাৰত গঢ় দিয়া দৃষ্টিভংগীৰ ভূয়সী প্ৰশংসা কৰে। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰ দিশানায়কে প্ৰধানমন্ত্ৰী মোদীক উদ্দেশ্যি কয়, "এই কৃতিত্ব কেৱল আপোনাৰ দীৰ্ঘ কাৰ্যকালৰ প্ৰমাণ নহয়, বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ জনসাধাৰণে আপোনাক নেতৃত্বৰ ওপৰত বাবে বাবে যি আস্থা আৰু বিশ্বাস ৰাখিছে, তাৰো এক জ্বলন্ত প্ৰমাণ।" শ্ৰীলংকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰতৰ অৰ্থনৈতিক আৰু সামাজিক পৰিবৰ্তনৰ প্ৰশংসা কৰি কয় যে মোদীৰ দৃষ্টিভংগীয়ে শ্ৰীলংকাকে ধৰি বহু দেশৰ লোকক অনুপ্ৰাণিত কৰিছে। পাপুয়া নিউগিনিৰ প্ৰধানমন্ত্ৰী জেমছ মাৰাপে এক ভিডিঅ' বাৰ্তাত মোদীক 'ৰোল মডেল' বুলি অভিহিত কৰি কয়, "২০ কোটিৰো অধিক লোকক দৰিদ্ৰতাৰ পৰা উদ্ধাৰ কৰি তেওঁলোকলৈ উন্নত জীৱন প্ৰদান কৰা এক উল্লেখযোগ্য কৃতিত্ব।" তেওঁ ভাৰতৰ সৈতে বহুমুখ দ্ৰব্য কৰাৰ ইচ্ছা প্ৰকাশ কৰে। টিনিদাদ আৰু টবাগোৰ প্ৰধানমন্ত্ৰী কমলা পেৰছাদ-বিচ্ছেছাৰে কয়, "প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত ভাৰত বিশ্বৰ বিভিন্ন বিষয়ত এক সুকীয়া কণ্ঠ হিচাপে আত্মপ্ৰকাশ কৰিছে।" তেওঁ মোদীৰ তিনিটা কাৰ্যকালৰ ওপৰত আলোকপাত কৰি কয় যে ১.৪ বিলিয়ন জনসংখ্যাৰ দেশক নেতৃত্ব দিয়া যাত্ৰা অতুলনীয়। প্ৰধানমন্ত্ৰী মোদীয়ে সম্প্ৰতি শ্ৰীলংকা, পাপুয়া নিউগিনি আৰু ট্ৰিনিদাদ আৰু ট'বাগোলৈ কৰা ভ্ৰমণক লৈয়ো নেতাসকলে স্মৰণ কৰে। ২০২৫ চনৰ এপ্ৰিলত শ্ৰীলংকা ভ্ৰমণৰ সময়ত তেওঁক দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান 'মিত্ৰ বিভূষণ' প্ৰদান কৰা হয়। ২০২৩ চনৰ মে'ত পাপুয়া নিউগিনি ভ্ৰমণ আছিল ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে প্ৰথমটো ভ্ৰমণ, যিয়ে প্ৰশান্ত মহাসাগৰীয় দ্বীপৰাষ্ট্ৰসমূহৰ সৈতে সম্পৰ্ক সুদৃঢ় কৰে। একেদৰে ট্ৰিনিদাদ আৰু ট'বাগোলৈ মোদীৰ ভ্ৰমণ আছিল বিগত ২৬ বছৰৰ ভিতৰত ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথমটো দ্বিপাক্ষিক ভ্ৰমণ। এই অভিনন্দনবাৰ্তাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বৈশ্বিক নেতৃত্ব আৰু 'চুবুৰীয়া প্ৰথম' নীতিৰ সফলতাকে প্ৰতিফলিত কৰে বুলি ৰাজনৈতিক বিশ্লেষকসকলে মন্তব্য কৰিছে।

মই বৰ্তমান ফ্ৰী, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব

শুক্ৰবাৰে দিল্লীস্থিত ৰাজ্যসভা সচিবালয়ত এখন আনুষ্ঠানিক পত্ৰ জমা দি নিজৰ সাংসদ পদ ত্যাগ কৰে। পত্ৰত তেওঁ লিখে, "মই ইয়াৰ দ্বাৰা ৰাজ্যসভাৰ সদস্যপদৰ পৰা পদত্যাগ কৰিছো। তৎকালীন কাৰ্যকৰী হোৱাকৈ এই পদত্যাগ গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছো। মোৰ কাৰ্যকালত সকলো সহায়-সহযোগিতা আগবঢ়োৱা মাননীয় উপৰাষ্ট্ৰপতি আৰু ৰাজ্যসভা সচিবালয়ৰ সকলো কৰ্মকৰ্তালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।" পদত্যাগ কৰাৰ কিছুসময়ৰ পিছতে তেওঁ নতুন দিল্লীত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে। এই সাক্ষাৎকে ৰাজনৈতিক মহলত তীব্ৰ চাঞ্চল্য সৃষ্টি হয়। অনানুষ্ঠানিকভাৱে মুখ্যমন্ত্ৰী গৰাকীয়ে ইংগিত দিয়ে যে অতি সোনকালেই সুস্মিতা দেৱে ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ত যোগদান কৰিব। সুস্মিতা দেৱে তৃণমূল কংগ্ৰেছ এৰি অহাৰ সিদ্ধান্ত নিশ্চিত কৰি সংবাদ মাধ্যমক কয়, "মই তৃণমূল কংগ্ৰেছ এৰিছো। কিয় এৰিলোঁ সেয়া দীঘলীয়া কাহিনী। মই এনে পৰিস্থিতিত থাকিব নিবিচাৰো যাত মই এনে সময়তে দুখন নাৱত উঠিবলগীয়া হয়। মমতা দিদিৰ সন্দৰ্ভত মই কোনো মন্তব্য নকৰো।" মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰাৰ প্ৰসংগত তেওঁ কয়, "আজি মই এগৰাকী মুক্ত মহিলা। হিমন্ত দাক মই বহুদিনৰ পৰা চিনি পাওঁ। তেওঁৰ ওচৰলৈ গৈ কেৱল সৌজন্যমূলক সাক্ষাৎ কৰিলোঁ। কোনে কি কৰি আছে তাৰ সৈতে মই সম্পৰ্কীয় নহয়। লগতে, মই অসমৰ বাসিন্দা হোৱা হেতুকে বংগৰ ৰাজনীতিৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত হৈ থকা নাই।" উল্লেখ্য যে, সুস্মিতা দেৱ পূৰ্বতে ভাৰতীয় জাতীয় কংগ্ৰেছৰ এগৰাকী শক্তিশালী নেত্ৰী আছিল। তেওঁ সৰ্বভাৰতীয় মহিলা কংগ্ৰেছৰ সভানেত্ৰীৰ দায়িত্বও নিৰ্বাহ কৰিছিল। প্ৰয়াত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী সন্তোষ মোহন দেৱৰ কন্যা সুস্মিতাই চঞ্চল চন্দ্ৰ দাসক কংগ্ৰেছ এৰি তৃণমূল কংগ্ৰেছত যোগদান কৰি পশ্চিম বংগৰ পৰা ৰাজ্যসভালৈ নিৰ্বাচিত হয়। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত তৃণমূল কংগ্ৰেছ ধৰাশায়ী হোৱাৰ পিছৰে পৰা দলটোত এক প্ৰস্থানৰ ধাৰা চলি আছিছে, যাত এজনৰ পিছত এজনকৈ নেতাই দল এৰি দিয়া পৰিলক্ষিত হৈছে। ৰাজনৈতিক বিশ্লেষকসকলৰ মতে, উত্তৰ-পূব ৰাজ্যবোৰত তৃণমূল কংগ্ৰেছৰ সম্প্ৰসাৰণৰ পৰিকল্পনা সম্পূৰ্ণ বিফল হৈছে। বিশেষকৈ অসমত কংগ্ৰেছৰ দুৰ্গ ভাঙিবলৈ তেওঁলোকে সুস্মিতা দেৱকে ধৰি কিছুমান নেতাক দললৈ আনি ৰাজ্যসভালৈ পঠিয়াইছিল, কিন্তু সেয়া কামত নালিল। ইফালে শেহতীয়া লোকসভা নিৰ্বাচনত তৃণমূলৰ টিকটত নিৰ্বাচিত হোৱা কমেও ২০ গৰাকী সাংসদে ইতিমধ্যে দল এৰিছে। ইয়াৰে বহুতে এনডিএ চৰকাৰত যোগদানৰ ইচ্ছা প্ৰকাশ কৰা বুলি সূত্ৰই জানিবলৈ দিছে। সম্মিলিতভাৱে পশ্চিম বংগত ১৬খন ৰাজ্যসভাৰ আসনৰ ভিতৰত তৃণমূল কংগ্ৰেছে এতিয়ালৈকে হেৰুৱাইছে দুখন আসন-সুখেদু শেখৰ ৰায় আৰু সুস্মিতা দেৱৰ পদত্যাগৰ ফলত। ইফালে, তৃণমূলৰ ভিতৰতে গোট বান্ধি বিদ্ৰোহৰ সূত্ৰপাত ঘটিছে। ৰীতাব্ৰত বেনাৰ্জীৰ নেতৃত্বত ৫৮গৰাকী বিধায়কে 'নতুন তৃণমূল' গঠনৰ প্ৰচেষ্টা চলাই থকাৰ লগতে কাকলি ঘোষ দস্তিদাৰৰ নেতৃত্বত প্ৰায় ৫০গৰাকী সাংসদে লোকসভাত পৃথক ফ্ৰন্ট গঢ়ন কৰি এনডিএক সমৰ্থন দিবলৈ সাজু হৈ উঠিছে। এই অভ্যন্তৰীণ অস্থিৰতাৰ মাজতে সুস্মিতা দেৱৰ পদত্যাগে তৃণমূল শিবিৰত চাঞ্চল্য আৰু অধিক তীব্ৰ কৰি তুলিছে।

সংকটত সৰ্থেবাৰী কাঁহ শিল্প!

অতিৰিক্ত জিলা আয়ুক্ত কৌস্তভ কলিতা, সহকাৰী আয়ুক্ত নৱদ্বীপ ভাগৱতী, উদ্যোগ আৰু বাণিজ্য বিভাগৰ বিষয়া শ্ৰীমতী ৰেচিন ফুকন, বৰপেটা জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ মহাপ্ৰবন্ধক অৰূপ ডেকা, সহকাৰী মহাপ্ৰবন্ধক দিলীপ কুমাৰ দাস তথা বিভাগটোৰ আন বিষয়াসকলে। বিষয়া দলটোৱে সৰ্থেবাৰীত অবস্থিত অসম সমবায় কঁহাৰ সংঘ লিমিটেডৰ প্ৰধান কাৰ্যালয় পৰিদৰ্শন কৰে আৰু কঁহাৰ সংঘৰ বিষয়া তথা সঞ্চালকসকলৰ সৈতে মত বিনিময় কৰে। পৰিদৰ্শনকালত কেন্দ্ৰীয় বিষয়া কপিল চৌধুৰীকে ধৰি দলটোক অসম সমবায় কঁহাৰ সংঘৰ হকে শিপিনীয়ে হাতে বোৱা গামোচাকে আদৰণি জনায় সমবায়খনৰ সহ সম্পাদক কুণাল তামুলীয়ে। আদৰণি গ্ৰহণৰ পিছত সৰ্থেবাৰীৰ বিশ্ববিখ্যাত কাঁহশিল্পৰ ঐতিহ্য, স্থানীয় কঁহাৰ শিল্পীসকলৰ নিপুণতা আৰু হাতে গঢ়া কাঁহৰ সামগ্ৰীৰ বিশেষত্ব সম্পৰ্কে বিস্তৃতভাৱে আলোচনা অনুষ্ঠিত হয়। ইয়াৰ পিছত বিষয়াসকলে পোনপটীয়াকৈ কঁহাৰশালসমূহত উপস্থিত হৈ শিল্পীসকলৰ কাৰ্যপ্ৰণালী পৰ্যবেক্ষণ কৰে। কাঁহ গড়াল পৰিদৰ্শন কৰি শিল্পীসকলৰ অসাধাৰণ শিল্পকুশলতাৰ ভূয়সী প্ৰশংসা কৰে বিষয়াসকলে। এই আলোচনাৰ সময়ত বৰ্তমান কাঁহ শিল্প আৰু সমবায় সংঘই সমুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়েও গুৰুত্বসহকাৰে পৰ্যালোচনা কৰা হয়। শিল্পীসকলে আশা প্ৰকাশ কৰিছে যে কেন্দ্ৰীয় চৰকাৰৰ বিষয়াৰ এই সাক্ষাত আৰু পৰিদৰ্শনে কাঁহশিল্পৰ সংকট মোচন কৰি এক নতুন অধ্যায়ৰ সূচনা কৰিব।

অসমৰ প্ৰথম গৰাকী 'নীট'

কৃষ্ণহিত সংঘটিত হৈছে এক অত্যন্ত হৃদয়বিদাৰক ঘটনা। পৰীক্ষা বাতিল হোৱাৰ আশংকাত মানসিকভাৱে ভাগি পৰি এগৰাকী ২০ বছৰীয়া মেধাৱী ছাত্ৰীয়ে নিজ গৃহতে আত্মহত্যাৰ দৰে চৰম পথ বাছি লৈছে। এই কৰুণ মৃত্যুক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোতে তীব্ৰ শোকৰ ছাঁ পৰিছে। নিহত মেধাৱী ছাত্ৰীগৰাকী কৃষ্ণহিৰ নয়াপাৰা গাঁৱৰ ৰেজাউল ইছলামৰ কন্যা বীমা বেগম (২০)। উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত ৭৮ শতাংশ নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱা বীমাৰ সপোন আছিল এগৰাকী সফল চিকিৎসক হোৱাৰ। তাৰ বাবেই বিগত দুবছৰ ধৰি তেওঁ একাগৰতীয়াভাৱে নীট পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাইছিল। পৰিয়ালৰ লোকে জনোৱা মতে, যোৱা, মে'ত অনুষ্ঠিত হোৱা নীট পৰীক্ষাত তেওঁ অকতীৰ্ণ হৈছিল আৰু পৰীক্ষাও যথেষ্ট ভাল হৈছিল। পৰীক্ষা ভাল হোৱাৰ পিছতো সমগ্ৰ দেশত নীট পৰীক্ষাক লৈ সৃষ্টি হোৱা বৃহৎ কেলেংকাৰী আৰু পুনৰ পৰীক্ষা অনুষ্ঠিত হ'ব পাৰে বুলি ওলোৱা খবৰে বীমাৰ মনলৈ তীব্ৰ মানসিক চাপ কঢ়িয়াই আনিছিল। "মোৰ পৰীক্ষাত বহিব লাগিবহু"- এই এটা আশংকাই বীমাক দিনে-নিশেই যেন ফুৰিছিল আৰু তেওঁ হতাশাত ভুগিবলৈ আৰম্ভ কৰিছিল। ওচৰ-চুবুৰীয়াৰ মতে, নীটৰ খেলিমেলিৰ খবৰ পোৱাৰ পিছৰে পৰা শান্ত স্বভাৱৰ ছাত্ৰীগৰাকীয়ে কাৰো সৈতে বিশেষ বাৰ্তালাপ কৰা নাছিল।ঘটনাৰ দিনা পুৱা বীমাৰ দেউতাক বেজাউল ইছলাম ৰজাবলৈ আৰু মাক অংগনাৱাড়ী কেন্দ্ৰলৈ গৈছিল। ঘৰত কোনো নথকাৰ সুযোগ লৈ বীমা বেগমে নিজৰ কোঠাৰ চিলিং ফেনত ওলমি আত্মহত্যা কৰে। দিনৰ প্ৰায় ১০ বজাত পৰিয়ালৰ লোকে কোঠাৰ ভিতৰত ওলমি থকা অৱস্থাত তেওঁৰ মৃতদেহ প্ৰত্যক্ষ কৰে। লগে লগে তেওঁক কৃষ্ণহি ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে।ঘটনাৰ খবৰ পাই কৃষ্ণহি থানাৰ আৰক্ষী কাৰ্যবাহী দণ্ডাধীশৰ উপস্থিতিত ঘটনাস্থলীত উপস্থিত হৈ যাৱতীয় কাৰ্যসূচী সম্পন্ন কৰে। মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে গোৱালপাৰা জিলা আসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। মৰণোত্তৰ পৰীক্ষাৰ অন্তত সন্ধিয়া জানাজা সম্পন্ন কৰি গাঁৱৰে ৰাজহুৱা কবৰস্থানত বীমাৰ শেষকৃত্য সম্পন্ন কৰা হয়। আৰক্ষীয়ে এই সন্দৰ্ভত এটা ইউ ডি (UD) গোচৰ ৰজু কৰি তদন্ত অব্যাহত ৰাখিছে। অৱশ্যে মৃতদেহৰ ওচৰত কোনো ধৰণৰ 'ছুইচাইড নোট'উদ্ধাৰ হোৱা নাই বুলি আৰক্ষীয়ে জানিবলৈ দিছে। এক মেধাৱী ছাত্ৰীৰ এনে অকাল আৰু কৰুণ মৃত্যুৱে এতিয়া ৰাষ্ট্ৰীয় পৰীক্ষা ব্যৱস্থাৰ ত্ৰুটিপূৰ্ণ দিশটোক লৈ সমগ্ৰ ৰাজ্যতে তীব্ৰ ক্ষোভ আৰু প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

মাজুলীত বিদ্যুৎস্পৃষ্ট হৈ বৃদ্ধৰ

থকা বিদ্যুৎ পৰিবাহী মূল তাঁবদাল চিগি ৰাস্তাত পৰি থকা প্ৰত্যক্ষ কৰে। বিপদৰ সম্ভাৱনা দেখি তেওঁ হাতত থকা এখন দীঘল দাৰে তাঁবদাল আঁতৰাই দিবলৈ চেষ্টা কৰে। কিন্তু দুৰ্ভাগ্যবশতঃ সেই সময়তে বিদ্যুৎ পৰিবাহী তাঁবদালে মানুহজনক মেৰিয়াই ধৰে। ফলত কোনো সুযোগ পোৱাৰ পূৰ্বেই থিতাতে মানুহজনৰ কৰুণ মৃত্যু ঘটে। এই আকস্মিক আৰু কৰুণ ঘটনাত সমগ্ৰ হালধিবাৰী অঞ্চলতে গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, পুত্ৰ, বোৱাৰী, নাতি-নাতিনীসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি ঘৈ যায়। স্থানীয় ৰাইজে এই ঘটনাৰ পিছতে বিদ্যুৎ বিভাগৰ চৰম গাফিলতিৰ ওপৰতো ক্ষোভ প্ৰকাশ কৰিছে। ইফালে এই কৰুণ বাৰ্তাই লাভ কৰা খবৰ অনুসৰি, মাজুলী সমষ্টিৰ মাননীয় বিধায়ক ভুবন গামে আজি প্ৰয়াত ভোলেশ্বৰ বৰাৰ হালধিবাৰীস্থিত বাসগৃহত উপস্থিত হয়। বিধায়কগৰাকীয়ে শোকসন্তপ্ত পৰিয়ালবৰ্গক সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰাৰ লগতে এই কঠিন সময়ত তেওঁলোকৰ দুখৰ সমভাগী হয়। তেখেতে প্ৰয়াত আত্মাৰ চিৰ-সদগতিৰ বাবে ভগৱানৰ ওচৰত গভীৰ প্ৰাৰ্থনাও জনায়। দুৰ্ভাগ্যজনক ঘটনাটোৰ পৰিপ্ৰেক্ষিতত বিধায়ক ভুবন গামে ভুক্তভোগী পৰিয়ালটোলৈ যাতে অতি শীঘ্ৰে যাৱতীয় চৰকাৰী সাহায্য লাভ কৰে, তাৰ বাবে ইতিমধ্যে জিলা প্ৰশাসন আৰু বিদ্যুৎ বিভাগক তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰিবলৈ কঠোৰ নিৰ্দেশ জাৰি কৰিছে। ইয়াৰ উপৰিও, ভৱিষ্যতে যাতে মাজুলীত এনে কোনো শোকাৱহ ঘটনাৰ পুনৰাবৃত্তি নঘটে, তাৰ বাবে বিদ্যুৎ বিভাগক সম্পূৰ্ণ সজাগ আৰু সতৰ্ক হ'বলৈ তেখেতে জৰুৰী আহ্বান জনায়। পৰিয়ালটোৰ এই চৰম দুৰ্দিন বিধায়কগৰাকীয়ে তেওঁলোকৰ কাষত সম্পূৰ্ণভাৱে থকাৰ দৃঢ় আশ্বাস প্ৰদান কৰে। স্থানীয় ৰাইজেও বিধায়কগৰাকীৰ এই তৎপৰতা আৰু সহানুভূতিক আদৰণি জনাইছে।

ফাষ্ট ট্ৰেক আদালতত অব্যাহত

বিৰিঞ্চি বৰা আৰু ৰাজা অসমৰ সাক্ষ্য আজি লোৱা নহ'ল। কাইলৈ পলাশ ৰঞ্জন বৰুৱা, অভিজিত শৰ্মা আৰু ৰিংকু নাথৰ সাক্ষ্য লোৱা হ'ব। লগতে বিষ্ণু শৰ্মা আৰু আজি সাক্ষ্য গ্ৰহণ নকৰা বিৰিঞ্চি বৰা আৰু ৰাজা অসমৰ সাক্ষ্যও কাইলৈ লোৱা হ'ব।

অসমত কৰ্কট ৰোগীৰ হাৰ

ওপৰত গুৰুত্ব আৰোপ কৰিছে। বুধবাৰে অসম সচিবালয়ৰ কাৰ্যালয়ত উপস্থিত হৈ তেওঁ সংবাদ মাধ্যমক কয় যে আগন্তুক সময়ত স্বাস্থ্য বিভাগে 'ভাল চিকিৎসা, সময়মতে চিকিৎসা আৰু উন্নত মানদণ্ডৰ চিকিৎসা' প্ৰদানৰ লক্ষ্য স্থিৰ কৰি কাম কৰিব। মন্ত্ৰী সিংহলে উল্লেখ কৰে যে মানুহৰ জীৱন আৰোগ্যময়, শান্তিময় আৰু সুখময় কৰি তোলাৰ চিন্তাতে অসমৰ চাৰে তিনি কোটি জনতাৰ কল্যাণৰ বাবে বিভাগটো আগুৱাই যাব। তেওঁ লগতে কয় যে কিছু সপ্তাহৰ ভিতৰতে বঙাইগাঁও মেডিকেল কলেজ আৰম্ভ কৰা হ'ব, তাৰ পিছতে বিশ্বনাথ মেডিকেল কলেজ কাৰ্যকৰী কৰা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিখন জিলাতে একোখন

কানৈ মহাবিদ্যালয়ত আবৃত্তি মহাৰণত তুমুল প্ৰতিযোগিতা

ডিব্ৰুগড় জিলাৰ ১১২ গৰাকী প্ৰতিযোগীৰ অংশগ্ৰহণ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১১ জুন ঃ অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে জিলা ভিত্তিত এখনি একক কবিতা আবৃত্তি প্ৰতিযোগিতা "আবৃত্তি মহাৰণ' ডিব্ৰুগড় হনুমানবক্স' সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত হয়। ইতিমধ্যে শাখাৰ দ্বাৰা নিৰ্বাচিত হৈ অহা জিলাখনৰ বিভিন্ন প্ৰান্তৰ সৰ্বমুঠ ১১২ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্দিপ্ৰস্তুলন কৰি অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ কেন্দ্ৰীয় উপ-সভাপতি, বিশিষ্ট আবৃত্তিকাৰ ৰিজুমণি শইকীয়া তামোলীয়ে কয়- আবৃত্তিক এক বিদ্যায়তনিক বিষয় হিচাপে প্ৰতিষ্ঠা কৰাৰ লগতে আবৃত্তি শিল্পক জনমানসত প্ৰসাৰিত কৰাই হৈছে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ উদ্দেশ্য। প্ৰতিযোগিতাখনি শুভ উদ্বোধন কৰে ডিব্ৰুগড়ৰ সুপৰিচিত ব্যক্তি তথা বিশিষ্ট সমাজকৰ্মী জ্যোতি প্ৰসাদ কানৈয়ে। কানৈয়ে এনে পদক্ষেপৰ বাবে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদক প্ৰশংসা কৰাৰ লগতে ড° ভূপেন হাজৰিকাৰ মানৱতাবাদী মহত্বক শ্ৰদ্ধাৰে স্মৰণ কৰে। শুভেচ্ছামূলক বক্তব্যত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি তথা বিশিষ্ট সাহিত্যিক ড° শশীকান্ত শইকীয়াই কয়- আবৃত্তি হ'ল সাহিত্যক কাণেৰে শুনা আৰু হৃদয়ৰ অনুভৱৰ এক অনন্য কলা। ই শিশুৰ পৰা বৃদ্ধলৈকে সকলোৰে বৌদ্ধিক আৰু মানসিক উত্তৰণত এক সঞ্জীৱনী সুধাৰ দৰে কাম কৰে। তেওঁ কয়- আবৃত্তি চৰ্চাৰ জৰিয়তে ভাষাৰ বিকাশ আৰু স্পষ্ট উচ্চাৰণ, শব্দৰ ভাব আৰু আৱেগ নিয়ন্ত্ৰণ, স্মৃতি শক্তি আৰু মনোযোগ বৃদ্ধি, আত্মবিশ্বাস বৃদ্ধি আৰু মঞ্চভীতি দূৰীকৰণ, মানসিক প্ৰশান্তি আৰু মানসিক চাপ হ্ৰাস, সাহিত্য সংস্কৃতিৰ প্ৰতি অনুৰাগ আৰু সু-বক্তা হোৱাত সহায় কৰে। তেওঁ কয়- কবিতা হ'ল মানুহৰ অন্তৰৰ আটাইতকৈ কোমল আৰু গভীৰ অনুভৱৰ প্ৰকাশ, কিন্তু সেই কবিতাক যেতিয়া আবৃত্তিকাৰৰ কণ্ঠৰ জৰিয়তে প্ৰাণ দিয়া হয়, তেতিয়া সি সাধাৰণ মানুহৰ হৃদয় স্পৰ্শ কৰে। তেওঁ কয় যে আজিৰ যান্ত্ৰিক যুগত য'ত মানুহ লাহে লাহে মৰ্বীল আৰু প্ৰযুক্তি জগতৰ মাজত আৱদ্ধ হৈ পৰিছে তেনে সময়তে নতুন প্ৰজন্মক সাহিত্য-সংস্কৃতিৰ এই সুন্দৰ মাধ্যমটোৰ প্ৰতি আকৰ্ষিত কৰাতো অতি প্ৰয়োজনীয় হৈ পৰিছে। তেওঁ কয় যে সাংস্কৃতিক ইতিহাসত ডিব্ৰুগড় জিলাত ই ইতিহাস সৃষ্টি কৰিব আৰু নতুন মাত্ৰা সংযোগ হ'ব। ডিব্ৰুগড় জিলাৰ অন্তৰ্গত দুলীয়াজান শাখা, ভাৰ্দি পাঁচআলি শাখা, নামৰূপ শাখা, মহমাৰী শাখা, ডিব্ৰুগড় মহানগৰ শাখা, চাবুৱা শাখা, মানকটা শাখা, কুমাৰীচিগা শাখা আৰু শংকৰদেৱ শাখাৰ পৰা নিৰ্বাচিত হৈ অহা প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাত বিচাৰক হিচাপে উপস্থিত থাকে বিশিষ্ট আবৃত্তিকাৰ, নাট্যকৰ্মী ভৈৰৱ কুমাৰ ফুকন, বিশিষ্ট আবৃত্তিকাৰ, কবি তথা নাট্যকৰ্মী সুকুমাৰ চেতিয়া আৰু বিশিষ্ট আবৃত্তিকাৰ তথা অনাঙীৰ ঘোষক ৰাজশ্ৰী বৰুৱা। মুঠ সাতটা শাখাত অনুষ্ঠিত হোৱা আবৃত্তি মহাৰণৰ গজালি শাখাত প্ৰথমস্থান লাভ কৰে স্পৃহা হাতীবৰুৱা, দ্বিতীয় স্থান লাভ কৰে ঋতম ৰাজ হাজৰিকা, তৃতীয় স্থান লাভ কৰে আদ্যাশা চেতিয়াই, কিশলয় শাখাত প্ৰথমস্থান লাভ কৰে দীশা খনিকৰ, দ্বিতীয় স্থান লাভ কৰে দেৱদৰ্শিনী দত্ত, তৃতীয়স্থান লাভ কৰে পৰিধি কলিতাই, জোনাকী শাখাত প্ৰথমস্থান লাভ কৰে আৰ্হি চেতিয়া, দ্বিতীয় স্থান লাভ কৰে অয়না সুমন কলিতা, তৃতীয় স্থান লাভ কৰে অনন্যা বৰাই, ৰামধেনু শাখাত প্ৰথমস্থান লাভ কৰে অনিন্দিতা বৰুৱা, দ্বিতীয়স্থান লাভ কৰে প্ৰবাহিনী গগৈ, তৃতীয়স্থান লাভ কৰে ৰুমী চেংহা বৰগোহাঁয়ে, মুকলি শাখাত প্ৰথমস্থান লাভ কৰে ডিম্পী বৰশই কীয়া, দ্বিতীয়স্থান লাভ কৰে ডিম্বেশ্বৰ চেতিয়া, তৃতীয় স্থান লাভ কৰে স্মৃতা বৰুৱা দত্তই, প্ৰশিক্ষক শাখাত প্ৰথমস্থান লাভ কৰে পুষ্পাঞ্জলি পৰাশৰ, দ্বিতীয় স্থান লাভ কৰে লিপিকা নেওগ, তৃতীয় স্থান লাভ কৰে ৰুবী গগৈয়ে, প্ৰবীণ শাখাত প্ৰথমস্থান লাভ কৰে পদ্মাবৃন্দগোহাঁই, দ্বিতীয় স্থান লাভ কৰে বিবি বড়া, তৃতীয় স্থান লাভ কৰে ৰেখা গগৈয়ে। দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত আবৃত্তি মহাৰণ প্ৰতিযোগিতাখনি পৰিচালনাত সহায় কৰে মিনাক্ষী শৰ্মা আৰু বিতুমণি ফুকনে। সমগ্ৰ অনুষ্ঠানটিৰ আঁত ধৰে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই আৰু সাংগঠনিক সম্পাদক নীলাভ নয়ন ৰৰদৈলৈয়ে।

কেৱল প্ৰশিক্ষণ নহয়, লক্ষ্য হ'ব লাগিব নিয়োগ সৃষ্টি, বহনক্ষম জীৱিকা আৰু স্ব-নিয়োজন ঃ জিলা আয়ুক্ত অনামিকা তেৰাৰী

মৰিগাঁৱত গ্ৰাম্য স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ পৰ্যালোচনা বৈঠক

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১১ জুন ঃ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ ডিচেম্বৰ ২০২৫ আৰু মাৰ্চ ২০২৬ ত্ৰৈমাসিকৰ বাবে মৰিগাঁৱৰ গ্ৰাম্য স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠান চমুকৈ আৰম্ভেছিৰ কাম-কাজৰ পৰ্যালোচনাৰ উদ্দেশ্যে জিলা পৰ্যায়ৰ পৰ্যালোচনা আৰু পৰামৰ্শদাতা সমিতিৰ এখন বৈঠক আজি মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। বৈঠকত সভাপতিত্ব কৰে মৰিগাঁৱৰ জিলা আয়ুক্ত অনামিকা তেৰাৰীয়ে। পিএনবি-আৰছেটি, মৰিগাঁৱৰ কাম-কাজৰ পৰ্যালোচনা উদ্দেশ্যে জিলা পৰামৰ্শদাতা সমিতিৰ এখন বৈঠক আজি মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। বৈঠকত সভাপতিত্ব কৰে মৰিগাঁৱৰ জিলা আয়ুক্ত অনামিকা তেৰাৰীয়ে। পিএনবি-আৰছেটি, মৰিগাঁৱৰ কাম-কাজৰ পৰ্যালোচনা কৰি জিলা আয়ুক্তগৰাকীয়ে কয় যে দক্ষতা বিকাশ কাৰ্যসূচীৰ মূল উদ্দেশ্য হ'ব লাগিব প্ৰশিক্ষাৰ্থীসকলৰ বাবে অৰ্থবহ নিয়োজন আৰু স্বনিয়োজনৰ সুযোগ সৃষ্টি কৰা। তেওঁ উল্লেখ কৰে যে প্ৰশিক্ষণৰ ফলত যদি নিয়োজন, উদ্যোগ স্থাপন বা বহনক্ষম জীৱিকাৰ সুযোগ সৃষ্টি নহয়, তেন্তে সেই প্ৰশিক্ষণ অৰ্থহীন। জিলা আয়ুক্তগৰাকীয়ে উদ্যোগ স্থাপনৰ বাবে ঋণ আবেদন কৰা নিবনুৱা যুৱক-যুৱতীসকলৰ ক্ষেত্ৰত বেংকসমূহক ঋণ মঞ্জুৰি প্ৰক্ৰিয়া অধিক সহজ আৰু দ্ৰুত কৰাৰ আহ্বান জনায়। নিয়োজন আৰু জীৱিকা সৃষ্টিক সকলো প্ৰশিক্ষণ কাৰ্যসূচীৰ মূল লক্ষ্য হিচাপে চিহ্নিত কৰি তেওঁ বিদ্যালয় আধাতে ত্যাগ কৰা যুৱক-যুৱতীসকলক উপযুক্ত বয়সত দক্ষতা বিকাশমূলক প্ৰশিক্ষণত অন্তৰ্ভুক্ত কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আবেদন আহ্বান জনায়। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত নীতিশা বৰাই প্ৰশিক্ষণ কাৰ্যসূচীত পূৰ্বক্ষ প্ৰাৰ্থীৰ অংশগ্ৰহণ বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ জিলাখনৰ বিভিন্ন মহাবিদ্যালয়ত সজাগতা কাৰ্যসূচীৰ আয়োজন কৰি অধিক সংখ্যক যুৱক-যুৱতীক দক্ষতা বিকাশৰ ক্ষেত্ৰলৈ আকৰ্ষিত কৰাৰ পৰামৰ্শ আগবঢ়ায়। লগতে উদ্যোগ স্থাপন আৰু নিয়োজনৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিবলৈ প্ৰশিক্ষাৰ্থীসকলৰ বাবে আবছেটিক জিলা নিয়োগ বিনিময় কাৰ্যালয়ৰ সৈতে সমন্বয় স্থাপন কৰি প্ৰশিক্ষণপ্ৰাপ্ত প্ৰাৰ্থীসকলৰ নিয়োজনৰ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে। লগতে তেওঁ ইণ্টাৰ্ণশিপ, ক্ষেত্ৰ পৰিদৰ্শন আৰু বিভিন্ন উদ্যোগ তথা প্ৰতিষ্ঠানৰ সৈতে সংযোগ বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে ইয়াৰ জৰিয়তে প্ৰশিক্ষাৰ্থীসকলৰ নিয়োগযোগ্যতা বৃদ্ধি পাব আৰু তেওঁলোকে ব্যৱহাৰিক অভিজ্ঞতা লাভ কৰিব। তেৰাৰীয়ে লগতে কয় যে প্ৰশিক্ষণপ্ৰাপ্ত যুৱক-যুৱতীসকলক নিয়োগ কৰা প্ৰতিষ্ঠানসমূহে প্ৰয়োজন অনুসৰি আবাসিক সুবিধা প্ৰদানৰ বিষয়টো বিবেচনা কৰা উচিত। গাড়ী চলোৱাৰ প্ৰশিক্ষণৰ ক্ষেত্ৰত তেওঁ আবছেটিৰ সঞ্চালকক প্ৰশিক্ষণ সম্পূৰ্ণ কৰা প্ৰশিক্ষাৰ্থীসকলক শিকাৰুৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে, যাতে অধিক সংখ্যক যুৱক-যুৱতী এই পাঠ্যক্ৰমৰ প্ৰতি আকৰ্ষিত হয় আৰু নিয়োগৰ সুযোগ লাভ কৰিব পাৰে। তেওঁ লগতে আবছেটিৰ পৰা প্ৰশিক্ষণ লাভ কৰি নিজা ক্ষেত্ৰ পৰিদৰ্শনৰ ব্যৱস্থা কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। ইয়াৰ পূৰ্বে পিএনবি-আৰছেটি, মৰিগাঁৱৰ সঞ্চালক পূৰ্ণানন্দ পেগুৱে প্ৰতিষ্ঠানটোৰ সাফল্য আৰু কাম-কাজৰ এক বিস্তৃত খতিয়ান বৈঠকত দাঙি ধৰে। তেওঁ জনায় যে ২০২৫-২৬ বিত্তীয় বৰ্ষত প্ৰতিষ্ঠানটোৱে ৩১টা প্ৰশিক্ষণ কাৰ্যসূচী সফলতাৰে সম্পন্ন কৰি মুঠ ১, ০২৪জন প্ৰশিক্ষণাৰ্থীক প্ৰশিক্ষণ প্ৰদান কৰিছে, যি নিৰ্ধাৰিত লক্ষ্যৰ প্ৰায় ৯০ শতাংশ। এইসকলৰ ভিতৰত ৯৯০জন দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ সদস্য আৰু মহিলাৰ অংশগ্ৰহণ উল্লেখযোগ্যভাৱে অধিক। ইয়াৰ উপৰি প্ৰতিষ্ঠানটোৱে জিলাখনৰ বিভিন্ন স্থানত ১২৩টা উদ্যমিতা সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰি গ্ৰাম্য নিবনুৱা যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশ আৰু স্বনিয়োজনৰ ক্ষেত্ৰত উৎসাহিত কৰিছে। বৈঠকত সহকাৰী আয়ুক্ত সন্তোষ বুঢ়াগোহাঁই, বিভিন্ন বিভাগৰ মুখ্য বিষয়া আৰু বিভিন্ন বেংকৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

বানপানী প্ৰস্তুতি, উন্নয়নমূলক কাম আৰু চৰকাৰী আঁচনিৰ অগ্ৰগতিৰ বুজ ল'লে মন্ত্ৰীগৰাকীয়ে

গোৱালপাৰাত অভিভাৱক মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ প্ৰথম পৰ্যালোচনা সভা

অসম বাৰ্তা, গোৱালপাৰা সদৰ, ১১ জুন ঃ গোৱালপাৰা জিলাৰ অভিভাৱক মন্ত্ৰী তথা বাজৱ বিত্ত, পৰিবেশ আৰু কন, আৰু খনিজ পদাৰ্থ বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই মঙলবাৰে গোৱালপাৰা জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। অভিভাৱক মন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰাৰ দুদিন পাছতে জিলাখনত উপস্থিত হৈ তেখেতে প্ৰথমবাৰৰ বাবে জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ সৈতে উন্নয়নমূলক কাম-কাজৰ বুজ লয়। সভাৰ আৰম্ভণিতে ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইন কিছু সময়ৰ বাবে উপস্থিত থাকে। সভাত জলেশ্বৰ সমষ্টিৰ বিধায়ক আফতাব উদ্দিন মোল্লা, গোৱালপাৰা পশ্চিম (জনজাতি) সমষ্টিৰ বিধায়ক পবিত্ৰ কুমাৰ বাভা, গোৱালপাৰা পূব সমষ্টিৰ বিধায়ক এ কে ৰশিদ আলম, দুধনৈ (জনজাতি) সমষ্টিৰ বিধায়ক টংকেশ্বৰ বাভা আৰু গোৱালপাৰা জিলা পৰিষদৰ সভাপতি মহন্ত বাভাই অংশগ্ৰহণ কৰে। জিলা আয়ুক্ত প্ৰদীপ টিমুং, জিলা উন্নয়ন আয়ুক্ত প্ৰণব কুমাৰ বৰা, অতিৰিক্ত জিলা আয়ুক্ত, সহকাৰী আয়ুক্ত আৰু বিভিন্ন বিভাগৰ বিষয়াসকলেও সভাত উপস্থিত থাকে। সভাত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই সম্ভাব্য বানপানীৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসন আৰু সংশ্লিষ্ট বিভাগসমূহে গ্ৰহণ কৰা প্ৰস্তুতিৰ খতিয়ান লয়। লগতে পৰিবেশ আৰু কন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, শিক্ষা, কৃষি, জনস্বাস্থ্য কাৰিকৰী, লোকনিৰ্মাণ (পথ), লোক নিৰ্মাণ (গৃহ) আৰু পৰিবহণ বিভাগকে ধৰি বিভিন্ন বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰে। ইয়াৰ উপৰিও বিভিন্ন চৰকাৰী আঁচনিৰ ৰূপায়ণৰ অগ্ৰগতিৰ বিষয়েও বিশদ আলোচনা কৰা হয়। জিলাখনৰ উন্নয়ন ত্বৰান্বিত কৰাৰ লগতে চৰকাৰী সেৱা লাভৰ ক্ষেত্ৰত যাতে কোনো লোক সমস্যাৰ সন্মুখীন নহয়, সেই বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰি মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলক প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰে। আনহাতে, সাধাৰণ ৰাইজে নিজৰ সমস্যা, অভিযোগ বা অভাৱ-অভিযোগ সহজে অভিভাৱক মন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিব পৰাকৈ গোৱালপাৰাত অসম অসামৰিক সেৱাৰ এগৰাকী ন'ডেল বিষয়াক দায়িত্ব দিয়াৰ ব্যৱস্থাই কৰিবলৈ জিলা আয়ুক্তক নিৰ্দেশ দিয়ে। এইব্যৱস্থাই চৰকাৰ আৰু সাধাৰণ জনতাৰ মাজত সমন্বয় অধিক সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰা হয়।

গোলাঘাটৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত সেউজ পৃথিৱী গঢ়ি তোলাৰ সংকল্প

অসম বাৰ্তা, বাদুলিপাৰ, ১১ জুন ঃ বিশ্ব পৰিবেশ দিৱস উপলক্ষে পৰিবেশ সংৰক্ষণ আৰু সেউজীয়া পৰিবেশ গঢ়ি তোলাৰ মানসিৰে গোলাঘাট জিলাৰ বিদ্যালয়সমূহ পৰিদৰ্শক শ্ৰী হেমগিৰি নবহ, (অ. শি. সে-১)-এ পূবা গোলাঘাটস্থিত বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয় চৌহদত এক গছপুলি ৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি সফলতাৰে ৰূপায়ণ কৰে। এই উপলক্ষে তেওঁ পৰিবেশ সুৰক্ষা, প্ৰাকৃতিক সম্পদ সংৰক্ষণ আৰু ভবিষ্যত প্ৰজন্মৰ বাবে সেউজ পৃথিৱী গঢ়ি তোলা সংকল্পৰে সকলোকে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ইয়াৰ পিছতে শ্ৰী নবহদেৱে দেৰগাঁওস্থিত ইন্দ্ৰাণী দেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত নবাগত আদৰণি সভাত উপস্থিত থাকি শিক্ষাৰ্থীসকলক উদ্দেশ্যি প্ৰেৰণাদায়ক ভাষণেৰে অনুপ্ৰাণিত কৰে। ভাষণত তেওঁ নবাগত শিক্ষাৰ্থীসকলক শৃংখলাবোধ, সময়ানুবৰ্তিতা, অধ্যৱসায়, নৈতিক মূল্যবোধ আৰু নিয়মিত অধ্যয়নৰ জৰিয়তে জীৱনত সফলতা অৰ্জন কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে, এগৰাকী শিক্ষাৰ্থীৰ প্ৰকৃত সফলতা কেৱল পৰীক্ষাৰ ফলাফলত সীমাবদ্ধ নহয়; উত্তম চৰিত্ৰ, মানবীয় গুণ আৰু দায়িত্ববোধৰ বিকাশো সমানে গুৰুত্বপূৰ্ণ। শ্ৰী নবহদেৱে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ভূমিকাৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰি কয় যে, 'শিক্ষকসকল কেৱল জ্ঞানৰ বাহকেই নহয়, তেওঁলোক সমাজৰ মানৱ সম্পদ গঢ়াৰ প্ৰধান ৰনিকৰ।' তেওঁ বিদ্যালয়ৰ ভিতৰত সুস্থ, সৌহাৰ্দ্যপূৰ্ণ আৰু শিক্ষাৰ্থীকেন্দ্ৰিক পৰিবেশ গঢ়ি তোলাৰ ক্ষেত্ৰতো আহ্বান জনায়। লগতে, বিদ্যালয়ৰ ভিতৰত কোনো ধৰণৰ দলীয় বা ৰাজনীতিৰ স্থান নাই বুলি উল্লেখ কৰি শিক্ষক-শিক্ষয়িত্ৰীসকলক সকলো মতভেদ পৰিহাৰ কৰি শিক্ষাৰ্থীৰ সৰ্বাঙ্গীণ বিকাশ সাধন আৰু গুণগত শিক্ষা নিশ্চিতকৰণৰ লক্ষ্যৰে ঐক্যবদ্ধভাৱে কাম কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানৰ সময়ত বিদ্যালয়খনৰ শৈক্ষিক পৰিবেশ, পাঠদান-শিক্ষণ ব্যৱস্থা আৰু সামগ্ৰিক উন্নয়নৰ বিভিন্ন দিশ সম্পৰ্কেও মত বিনিময় কৰা হয়। তেওঁ বিদ্যালয় পৰিয়ালক গুণগত শিক্ষা নিশ্চিতকৰণৰ ক্ষেত্ৰত নিষ্ঠা আৰু দায়বদ্ধতাৰে কাম কৰি যাবলৈ উৎসাহিত কৰে। অনুষ্ঠানত বিদ্যালয় কৰ্তৃপক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু বহু সংখ্যক শিক্ষাৰ্থী উপস্থিত থাকে। বিশ্ব পৰিবেশ দিৱসৰ সেউজ বাৰ্তা আৰু নবাগত শিক্ষাৰ্থীসকলৰ জীৱনৰ নতুন যাত্ৰাক একেলগে সামৰি অনুষ্ঠিত এই কাৰ্যসূচীয়ে সকলোৰে মাজত এক ইতিবাচক আৰু অনুপ্ৰেৰণাদায়ক পৰিবেশৰ সৃষ্টি কৰে।

নৱনিযুক্ত স্বাস্থ্যমন্ত্ৰী অশোক সিংহলক ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান কৰ্মচাৰী সন্থাৰ অভিনন্দন

অসম বাৰ্তা, গহপুৰ, ১১ জুন ঃ অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ নৱনিযুক্ত মন্ত্ৰী অশোক সিংহলক সাক্ষাৎ কৰি মঙলবাৰে অভিনন্দন জ্ঞাপন কৰে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান কৰ্মচাৰী সন্থা(NEA)ই। বিগত কাৰ্যকালত অসমৰ স্বাস্থ্য খণ্ডৰ সৰ্বাংগীণ উন্নয়নৰ লগতে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কৰ্মচাৰীসকলৰ কল্যাণৰ হকে তেওঁ আগবঢ়োৱা বলিষ্ঠ নেতৃত্ব আৰু ইতিবাচক পদক্ষেপৰ বাবে তেওঁৰ ওচৰত গভীৰ কৃতজ্ঞতা প্ৰকাশ কৰি এখন ফুলাম গামোচা, এখন চেলেং চাদৰ আৰু সভাপতি হৰেন গগৈৰ লগতে সম্পাদক ৰাজীৱ শইকীয়াৰ স্বাক্ষৰ সম্বলিত এখন অভিনন্দন পত্ৰৰে অভিনন্দন জ্ঞাপন কৰে সন্থাৰে হৈ সভাপতি হৰেন গগৈয়ে। দিছপুৰৰ চৰকাৰী আবাসত সন্থাৰ তৰফৰ পৰা জনোৱা এই অভিনন্দন অনুষ্ঠানত সন্থাৰ সহকাৰী সম্পাদক সুব্ৰত ঘাটোৱাৰো উপস্থিত থাকি মন্ত্ৰীগৰাকীক অভিনন্দন জ্ঞাপন কৰে। আগাগুৰু দিনবোৰতো তেওঁৰ সবল আৰু দূৰদৰ্শী নেতৃত্বত অসমৰ স্বাস্থ্য খণ্ডই অধিক সফলতাৰ ধাৰা অব্যাহত ৰখাৰ লগতে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কৰ্মচাৰী সকলৰ বিভিন্ন সমস্যাসমূহ সুচাৰুৰূপে বিবেচনা কৰি সমাধান কৰিব বুলি সন্থাই আশা প্ৰকাশ কৰে।

মাকুমত পৰিত্যক্ত ৰে'লৰে আবাসত পুনৰ অচিনাক্ত বৃদ্ধৰ মৃতদেহ উদ্ধাৰ

অসম বাৰ্তা, মাকুম, ১১ জুন ঃ মাকুম ৰেলৱেৰ পৰিত্যক্ত আবাসত নিশা পুনৰ এজন অচিনাক্ত বৃদ্ধৰ মৃতদেহ উদ্ধাৰ কৰে আৰক্ষীয়ে। প্ৰাপ্ত তথ্য অনুসৰি, ৰেলৱেৰ চতুৰ্থ বৰ্গৰ এজন কৰ্মচাৰীয়ে নিশাৰ ভাগত আবাসত পৰিদৰ্শন কৰিবলৈ গৈ মৃতদেহটো প্ৰথমে প্ৰত্যক্ষ কৰে। ঘটনাৰ খবৰ পোৱাৰ লগে-লগে মাকুম আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ব্যক্তিজনৰ মৃত্যুৰ সঠিক কাৰণ জানিব পৰা হোৱা নাই, মৰণোত্তৰ পৰীক্ষাৰ পাছতহে জনিব লাগিব কাৰণ পাছতহে মৃত্যুৰ প্ৰকৃত কাৰণ স্পষ্ট হ'ব। ইফালে, মৃত ব্যক্তিজনৰ পৰিচয় উদ্ধাৰ কৰিবলৈ লগতে ঘটনাটোৰ আঁৰৰ ৰহস্য উদঘাটনৰ বাবে মাকুম আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে মাকুম ৰেলৱেৰ পৰিত্যক্ত আবাস সমূহৰ আৰু ইয়াৰ সমীপৰতী অঞ্চলত পূৰ্বতে একাধিকবাৰ মৃতদেহ উদ্ধাৰৰ ঘটনা সংঘটিত হৈছে। স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰি আছিছে যে পৰিত্যক্ত আবাসসমূহত নিশাৰ ভাগত ড্ৰাগছ আৰু অন্যান্য নিচাজাতীয় দ্ৰব্য সেৱনৰ আড্ডাস্থলীত পৰিণত হৈছে। কিন্তু এই সন্দৰ্ভত ৰেলৱে কৰ্তৃপক্ষই এতিয়ালৈকে কোনো ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ আছে। এনে পৰিস্থিতিত পুনৰ এজন অচিনাক্ত বৃদ্ধৰ মৃতদেহ উদ্ধাৰ হোৱাত সচেতন মহলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে আৰু পৰিত্যক্ত আবাসসমূহৰ ওপৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপিত হৈছে।

মাজুলীত ড্ৰাগছ বিৰোধী সজাগতা সভা

অসম বাৰ্তা, উজনী মাজুলী, ১১ জুন ঃ ড্ৰাগছমুক্ত জিলা হওক মাজুলী জিলা সংকল্পৰে মাজুলী জিলা আৰক্ষী প্ৰশাসন আৰু অসম ৰাজ্যিক মাদক দ্ৰব্য নিবাৰণী পৰিষদৰ উদ্যোগত মাজুলী জিলাৰ শিক্ষা অনুষ্ঠান সমূহত ড্ৰাগছ বিৰোধী সজাগতা সভা অনুষ্ঠিত কৰা হৈছে। স্ত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ, এটকা মহন্তৰ স্থলী মাজুলীখনক ড্ৰাগছমুক্ত জিলা হিচাপে গঢ়ি তুলি, মাজুলীৰ নৱ প্ৰজন্মক সুৰক্ষিত কৰি ৰাখিবৰ বাবে এই প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। আজি চামগুৰি সত্ৰ ৰাৰনাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখনি ড্ৰাগছ বিৰোধী সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সভাত মাজুলী জিলাৰ নিবাৰণী বিষয়া ৰূপম শইকীয়াই মাৰাত্মক ড্ৰাগছৰ ভয়াবহতা, অপকাৰিতাৰ সম্পৰ্কত ডিজিটেল মাধ্যমৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলক অৱগত কৰে। মাজুলী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰাজীব শইকীয়াই ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি সজাগতা মূলক ভাষণ প্ৰদান কৰে। উক্ত সভাত উপস্থিত থাকে ৰুনগাঁও আৰক্ষী চকীৰ বিষয়া ঋতিক কাশ্যপৰ লগতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকল। মাজুলী জিলাত এই সজাগতা অনুষ্ঠান অনাগত দিনত নৱ-প্ৰজন্মৰ সুৰক্ষাৰ স্বাৰ্থত অব্যাহত থাকিব বুলি মাজুলী জিলা আৰক্ষী প্ৰশাসনে জানিবলৈ দিয়ে।

বৰপেটা জিলাত পিএমএছএমএ সেৱাৰ ১০ বছৰ পূৰ্ণ উপলক্ষে বিশেষ এনচি শিবিৰ আৰু আয়ুষ্মান আৰোগ্য শিবিৰ উদ্‌যাপন

অসম বাৰ্তা, বৰপেটা সদৰ, ১১ জুন ঃ ৰাজ্যৰ অন্যান্য জিলাৰ লগতে বৰপেটা জিলাতো প্ৰধানমন্

লংকাত হৃদয় বিদাৰক ঘটনা

পিতৃক হত্যা কৰি থানাত আত্মসমৰ্পণ পুত্ৰৰ

অসম বাৰ্তা, লংকা, ১০ জুন ঃ লংকাৰ লংকাপট্টী ৪ নং ৰাৰ্ডত সংঘটিত এক চাঞ্চল্যকৰ পিতৃহত্যাৰ ঘটনাই সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। অভিযোগ অনুসৰি, মদ্যপান আৰু জুৱা খেলাৰ বাবে ধন নিদিয়াত পুত্ৰই নিজ পিতৃক হত্যা কৰে। মৃত ব্যক্তিজনৰ নাম উত্তম চক্ৰৱৰ্তী বুলি জানিব পৰা গৈছে। আৰক্ষীৰ সূত্ৰ অনুসৰি, অভিযুক্ত পুত্ৰ ৰাজ চক্ৰৱৰ্তীয়ে দীৰ্ঘদিন ধৰি মদ্যপান আৰু জুৱা খেলাক কেন্দ্ৰ কৰি পৰিয়ালত অশান্তিৰ সৃষ্টি কৰি আহিছিল। সোমবাৰে ঘৰৰ ভিতৰত পিতৃ উত্তম চক্ৰৱৰ্তীক ডিঙিত কাপোৰ মেৰিয়াই হত্যা কৰা হয় বুলি সন্দেহ কৰা হৈছে। ঘটনাৰ পিছতে অভিযুক্ত ৰাজ চক্ৰৱৰ্তীয়ে লংকা আৰক্ষী থানাত উপস্থিত হৈ হত্যাকাণ্ড সংঘটিত কৰাৰ কথা স্বীকাৰ কৰি আত্মসমৰ্পণ কৰে। খবৰ লাভ কৰাৰ লগে লগে আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। বিশেষকৈ মৃত উত্তম চক্ৰৱৰ্তীৰ পত্নী তথা অভিযুক্ত ৰাজ চক্ৰৱৰ্তীৰ মাতৃৰ ভূমিকা সন্দেহজনক হোৱাত আৰক্ষীয়ে তেওঁক আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে। ইফালে, মৃতদেহ উদ্ধাৰ কৰি ময়ণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। প্ৰাথমিক তদন্তত ঘটনাটো কালি সংঘটিত হোৱা বুলি সন্দেহ প্ৰকাশ কৰা হৈছে। ময়ণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন লাভ কৰাৰ পিছত ঘটনাটোৰ অধিক তথ্য পোহৰলৈ আহিব বুলি আৰক্ষীয়ে আশা প্ৰকাশ কৰিছে। এই হৃদয়বিদাৰক ঘটনাই লংকাৰ ৪ নং ৰাৰ্ডত গভীৰ শোকৰ ছাঁ পেলোৱাৰ লগতে অঞ্চলবাসীৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

"বোধ মন্থন" গোলাঘাট জিলা শিক্ষা বিভাগৰ উদ্যোগত শিক্ষাৰ এক নতুন দিগন্তৰ সন্ধান

অসম বাৰ্তা, বাদুলিপাৰ, ১০ জুন ঃ গুণগত শিক্ষাৰ উত্তৰণৰ লক্ষ্যৰে গোলাঘাট জিলা শিক্ষা বিভাগৰ উদ্যোগত আৰু অধিবিদ্যা পৰিষদৰ সহযোগত, গোলাঘাট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক হেমগিৰি নৰহদেৱৰ দুবদৰী নেতৃত্বত ৮ জুনৰ পৰা ১২ জুনলৈ 'বোধ মন্থন' নামেৰে আশাংধীয়া প্ৰচেষ্টাৰে এক শৈক্ষিক কাৰ্যসূচী আৰম্ভ কৰা হৈছে। ই সঁচাই বাস্তৱিকতাৰ পৰিপ্ৰেক্ষিতে গুণগত শিক্ষাৰ উত্তৰণৰ সম্পৰ্কে যথেষ্ট গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। নৰহদেৱৰ বিশ্বাস যে, "শিক্ষকৰ চিন্তাৰ মন্থনেই শিক্ষাৰ্থীৰ সফলতাৰ ভিত্তি। সেয়ে যদি শিক্ষকসকল গুণগত শিক্ষাৰ উত্তৰণৰ ক্ষেত্ৰত সচেতন হয়, তেন্তে বিদ্যালয় শৈক্ষিক দিশত শক্তিশালী হ'ব, বিদ্যালয় শক্তিশালী হ'লে জিলাখন আগবাঢ়িব; আৰু জিলাখন আগবাঢ়িলে অসমে লাভ কৰিব চূড়ান্ত পৰীক্ষাৰ উন্নত ফলাফল লাভৰ এক প্ৰচেষ্টাই নহয়; ই হৈছে গোলাঘাট জিলাক অসমৰ শিক্ষাক্ষেত্ৰৰ শীৰ্ষস্থানীয় জিলাসমূহৰ মাজত প্ৰতিষ্ঠা কৰাৰ অন্য এক সুদূৰপ্ৰসাৰী অভিযান। আজি শুভাৰম্ভ অনুষ্ঠানত হেমগিৰি নৰহদেৱৰ সমন্বিতে গোলাঘাট জিলাৰ অধিবিদ্যা পৰিষদৰ সাধাৰণ সম্পাদক মৃণাল খাউণ্ড ডাঙৰীয়া উপস্থিত থাকি গুণগত শিক্ষাৰ উত্তৰণৰ সম্পৰ্কে যথেষ্ট গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। নৰহদেৱৰ বিশ্বাস যে, "শিক্ষকৰ চিন্তাৰ মন্থনেই শিক্ষাৰ্থীৰ সফলতাৰ ভিত্তি। সেয়ে যদি শিক্ষকসকল গুণগত শিক্ষাৰ উত্তৰণৰ ক্ষেত্ৰত সচেতন হয়, তেন্তে বিদ্যালয় শৈক্ষিক দিশত শক্তিশালী হ'ব, বিদ্যালয় শক্তিশালী হ'লে জিলাখন আগবাঢ়িব; আৰু জিলাখন আগবাঢ়িলে অসমে লাভ কৰিব এক নতুন শিক্ষাগত দিশ।" বিশেষকৈ 'বোধ মন্থন'ৰ জৰিয়তে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মাজত শৈক্ষিক উৎকৰ্ষ, অনুশীলন, শিক্ষাৰ্থীক আত্মবিশ্বাসী জন্মোৱা কৌশল, উদ্ভাৱনীমূলক শিক্ষণ-শিকন পদ্ধতি আৰু উৎকৃষ্ট পৰীক্ষাৰ ফলাফলমূখী কৌশলসমূহ আদান-প্ৰদান হ'ব। অভিজ্ঞতা, জ্ঞান আৰু দায়বদ্ধতাৰ সমন্বয়ে শিক্ষাৰ্থীসকলৰ বাবে অধিক ফলপ্ৰসূ শিক্ষণ পৰিৱেশ গঢ়ি তোলাই এই কাৰ্যসূচীৰ মূল প্ৰয়াস। এনে গুণগত শিক্ষাৰ উত্তৰণত গোলাঘাট জিলাক অসমৰ অন্যতম অগ্ৰণী জিলা হিচাপে গঢ়ি তোলাৰ সুদূৰপ্ৰসাৰী প্ৰচেষ্টাক সকলো শিক্ষক, অভিভাৱক, শিক্ষাৰ্থী আৰু সমাজৰ সমূহ অংশীদাৰৰ সহযোগিতাৰে নিশ্চয়কৈ গোলাঘাট জিলাই শিক্ষাৰ ক্ষেত্ৰত এক নতুন ইতিহাস ৰচনা কৰিব বুলি সচেতন মহলে আশা ব্যক্ত কৰিছে।

দীৰ্ঘ বিচাৰ প্ৰক্ৰিয়াৰ অন্তত ন্যায় লাভ খালাচ অধ্যক্ষ কমল ৰায়ৰ

অসম বাৰ্তা, গোলকগঞ্জ, ১০ জুন ঃ দীৰ্ঘ সাত বছৰ ধৰি চলি অহা এক বহুচৰ্চিত গোচৰত অহাৰশেষত স্বস্তিৰ নিশ্বাস পেলালে ডিংডিঙা গাঁৱৰ "সাহিত্য বন্ধু" বটা প্ৰাপ্ত কোচ ৰাজবংশী সাহিত্যিক তথা গুৰুকুল আদৰ্শ বিদ্যালয়ৰ অধ্যক্ষ কমল ৰায় আৰু তেওঁৰ পৰিয়ালে। ধুবুৰী মুখ্য ন্যায়িক দণ্ডাধীশ (CJM) আদালতে সোমবাৰে প্ৰদান কৰা এক গুৰুত্বপূৰ্ণ ৰায়ত কমল ৰায়, তেওঁৰ পত্নী ৰুক্মিণী ৰায় আৰু মাতৃ বিনোদিনী ৰায়ক সকলো অভিযোগৰ পৰা বেকুচুৰ খালাচ দিয়ে। ২০১৯ চনত দাখিল হোৱা গোচৰটোত কমল ৰায়ৰ বিৰুদ্ধে HSLC পৰীক্ষাত উত্তীৰ্ণ কৰাই দিয়াৰ আশ্বাস দি ধন আত্মসাৎ কৰাৰ লগতে তেওঁৰ পৰিয়ালৰ সদস্যসকলৰ বিৰুদ্ধে মাৰপিট আৰু শ্লীলতা হানিৰ অভিযোগ উত্থাপন কৰা হৈছিল। তদন্তৰ অন্তত আৰক্ষী বিষয়া হাবিবৰ ৰহমান সৰকাৰে ভাৰতীয় দণ্ডবিধিৰ ৪০৬, ৩৫৪ আৰু ৩৪ ধাৰাৰ অধীনত অভিযোগনামা দাখিল কৰিছিল। কিন্তু বিচাৰকালত উপস্থাপিত সাক্ষ্য-প্ৰমাণসমূহৰ বিশাৰ পৰ্যালোচনাত আদালতে কেইবাটাও গুৰুত্বপূৰ্ণ অসংগতি পয়েছে কৰে। আদালতৰ মতে, অভিযোগকাৰীয়ে বিদ্যালয়ত নিয়মমাফিক নামভৰ্তি কৰিছিল, পৰীক্ষাৰ এডমিট কাৰ্ড লাভ কৰিছিল আৰু পৰীক্ষাত অৱতীৰ্ণও হৈছিল। আদালতে মতে, অভিযোগকাৰীয়ে বিদ্যালয়ত নিয়মমাফিক নামভৰ্তি কৰিছিল, পৰীক্ষাৰ এডমিট কাৰ্ড লাভ কৰিছিল আৰু পৰীক্ষাত অৱতীৰ্ণও হৈছিল। আদালতে মতে, অভিযোগকাৰীয়ে বিদ্যালয়ত নিয়মমাফিক মাছুলৰ বাবেই ব্যৱহৃত হৈছিল বুলি আদালতে পৰ্যবেক্ষণ কৰে। সেয়ে ধন আত্মসাৎ কৰাৰ অভিযোগ আইনৰ দৃষ্টিত প্ৰতিষ্ঠা হোৱা নাছিল। আনহাতে, মাৰপিট আৰু শ্লীলতা হানিৰ অভিযোগৰ সমৰ্থনত কোনো নিৰ্ভৰযোগ্য প্ৰত্যক্ষদৰ্শী সাক্ষ্য বা শক্তিশালী বস্তুগত প্ৰমাণ আদালতৰ সন্মুখত দাখিল কৰিব পৰা নগ'ল। অধিকাংশ সাক্ষীয়ে ঘটনাৰ প্ৰত্যক্ষ সাক্ষী নাছিল আৰু শুনা কথাৰ ভিত্তিতহে সাক্ষ্য প্ৰদান কৰিছিল। ৰায়দানত আদালতে স্পষ্টভাৱে উল্লেখ কৰে যে অভিযোগসমূহ প্ৰতিষ্ঠা কৰিবলৈ পয়ো জৰুনীয় মৌলিক উপাদানসমূহ অভিযোগকাৰী পক্ষই সন্দেহাতীতভাৱে প্ৰমাণ কৰিব নোৱাৰিলে। ফলস্বৰূপে অভিযুক্তসকলক দোষী সাব্যস্ত কৰাৰ কোনো আইনী ভিত্তিনথকাত আদালতে কমল ৰায়, ৰুক্মিণী ৰায় আৰু বিনোদিনী ৰায়ক বেকুচুৰ খালাচ প্ৰদান কৰে। দীৰ্ঘদিনীয়া এই আইনী যুঁজৰ অন্তত আদালতৰ ৰায়ে কমল ৰায় আৰু তেওঁৰ পৰিয়ালৰ ওপৰত থকা অভিযোগৰ অধ্যায়ৰ অন্ত পেলালে। সচেতন মহলে এই ৰায়ক সত্য আৰু ন্যায়ৰ জয় হিচাপে অভিহিত কৰিছে।

চতুৰ্থ বৰ্ষৰ ৰাষ্ট্ৰীয় পাঞ্জা চেম্পিয়নশ্বিপত পদকপ্ৰাপ্ত পৰিস্মৃতা গগৈক সম্বৰ্দ্ধনা অসমীয়া যুৱ মঞ্চৰ

অসম বাৰ্তা, চেলেংহাট, ১০ জুন ঃ আমগুৰি অভয়পুৰীয়া গাঁৱৰ নিবাসী তথা চতুৰ্থ বৰ্ষৰ ৰাষ্ট্ৰীয় পাঞ্জা চেম্পিয়নশ্বিপত পদক প্ৰাপ্ত পৰিস্মৃতা গগৈক অসমীয়া যুৱ মঞ্চৰ তৰফৰ পৰা অনুষ্ঠানিকভাৱে সম্বৰ্দ্ধনা জনায়। অনানুষ্ঠানিক শিক্ষা স্নাতক বৰ্ষৰ শিক্ষা গ্ৰহণ কৰি থকা পৰিস্মৃতা গগৈয়ে গুজৰাটৰ ৰাষ্ট্ৰীয় ৰক্ষা বিশ্ববিদ্যালয়ত আয়োজন হোৱা চতুৰ্থ বৰ্ষৰ ৰাষ্ট্ৰীয় পাঞ্জা চেম্পিয়নশ্বিপত যুথ শাখাৰ ৬৫ কেজিত কাপৰ মেডেল, চিনিৰেক শাখাত ৬৫ কেজিত ব্ৰঞ্জৰ মেডেলৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। অসমীয়া যুৱ মঞ্চৰ আমগুৰি আঞ্চলিক সমিতিয়ে আয়োজন কৰা সম্বৰ্দ্ধনা অনুষ্ঠানত অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় ভাৰপ্ৰাপ্ত সাধাৰণ আকাশ শইকীয়া, শিৱসাগৰ জিলা সমিতিৰ সভাপতি যদুমণি কলিতা, সাধাৰণ সম্পাদক বিষ্ণু শইকীয়া, আমগুৰি আঞ্চলিক সমিতিৰ সভাপতি আৰু সাধাৰণ সম্পাদক উপস্থিত থাকে। পৰিস্মৃতা গগৈ আমগুৰিৰ অভয়পুৰীয়া গাঁৱৰ নিবাসী দিগন্ত গগৈ আৰু জয়ালক্ষ্মী গগৈৰ জীয়াৰী।

পশ্চিম হাউলী নুৰ সমাজৰ ব্যতিক্ৰমী পদক্ষেপ

জাকাতৰ ধনেৰে দৰিদ্ৰ মহিলাক গাই গৰুৰ পোৱালি বিতৰণ

অসম বাৰ্তা, কুমুল্লী পৰা, ১০ জুন ঃ সমাজসেৱা আৰু আৰ্থ-সামাজিকভাৱে দুৰ্বল লোকসকলক স্বাৱলম্বী কৰাৰ লক্ষ্যৰে বৰপেটা জিলাৰ হাউলীৰ পশ্চিম হাউলী নুৰ সমাজে গ্ৰহণ কৰা এক ব্যতিক্ৰমী পদক্ষেপে অঞ্চলজুৰি প্ৰশংসা লাভ কৰিছে। সমাজখনৰ উদ্যোগত আজি আৰেলি অনুষ্ঠিত এক অনুষ্ঠানত জাকাতৰ ধনেৰে ক্ৰয় কৰা গাই গৰুৰ তিনিটা পোৱালি সমাজৰ তিনিজনী দৰিদ্ৰ মহিলাৰ হাতত আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হয়। জানিব পৰা মতে, ইছলাম ধৰ্মত জাকাতক কেৱল দান-অনুদানৰ মাজতে সীমাবদ্ধ নাৰাখি আৰ্থিকভাৱে পিছপৰা লোকসকলক স্বনিৰ্ভৰশীল কৰাৰ এক ফলপ্ৰসূ মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ লক্ষ্যৰে নুৰ সমাজে এই কাৰ্যসূচী ৰূপায়ণ কৰিছে। গাই গৰুৰ পোৱালি লাভ কৰা মহিলাসকলে ভৱিষ্যতে গাখীৰ উৎপাদন তথা পশুপালনৰ জৰিয়তে উপাৰ্জনৰ পথ মুকলি কৰাৰ সুযোগ লাভ কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। উল্লেখযোগ্য যে, পশ্চিম হাউলী নুৰ সমাজে ইয়াৰ পূৰ্বেও একে ধৰণৰ কাৰ্যসূচীৰ জৰিয়তে দুজনী দৰিদ্ৰ মহিলাক গাই গৰুৰ পোৱালি প্ৰদান কৰিছিল। সেই ধাৰাবাহিকতাত এইবাৰ পুনৰ তিনিজনী মহিলাক সহায় আগবঢ়াই সমাজখনে দৰিদ্ৰ পৰিয়ালসমূহৰ আৰ্থিক উন্নয়নৰ ক্ষেত্ৰত এক ইতিবাচক দৃষ্টান্ত স্থাপন কৰিছে। স্থানীয় সচেতন মহলৰ মতে, ক্ষণস্থায়ী সহায় আগবঢ়োৱাৰ পৰিবৰ্তে জীৱিকাৰ উপায় সৃষ্টি কৰি দৰিদ্ৰ লোকসকলক স্বাৱলম্বী কৰি তোলাৰ এনে প্ৰয়াস সমাজকল্যাণমূলক কামৰ এক উৎকৃষ্ট উদাহৰণ। নুৰ সমাজৰ এই মানবীয় আৰু দূৰদৰ্শী পদক্ষেপক স্থানীয় বাইজে উষ্ম আদৰণি জনোৱাৰ লগতে ভূয়সী প্ৰশংসা কৰিছে। সমাজৰ কৰ্মকৰ্তাসকলে আগন্তুক দিনতো আৰ্থিকভাৱে দুৰ্বল পৰিয়ালসমূহৰ উন্নয়ন আৰু স্বনিৰ্ভৰশীলতা নিশ্চিত কৰাৰ লক্ষ্যৰে এনে জনহিতকৰ কাৰ্যসূচী অব্যাহত ৰাখিব বুলি জানিবলৈ দিয়ে। পশ্চিম হাউলী নুৰ সমাজৰ এই পদক্ষেপে সমাজসেৱাৰ ক্ষেত্ৰত এক নতুন দৃষ্টান্ত স্থাপন কৰিবলৈ সক্ষম হৈছে বুলি বহুতে মত প্ৰকাশ কৰিছে।

তথ্য-প্ৰযুক্তিয়ে সকলো চানি ধৰাৰ পাছতো পুথিভঁৰালৰ প্ৰয়োজন আছে ঃ নৰজিৎ দাস

বৰপেটাৰ বুদৰুৰটুপ ৰাখাল থান পুথিভঁড়াল মুকলি

অসম বাৰ্তা, বৰপেটাসদৰ, ১০ জুন ঃ বৰপেটাৰ ঐতিহামণ্ডিত বুদৰুৰটুপ ৰাখালথান প্ৰাঙ্গনত আজি পদুৱে সকলৰ সুবিধাৰ্থে বুদৰুৰটুপ ৰাখালথান পুথিভঁৰালৰ শুভ উদ্বোধন কৰা হয়। পুথিভঁৰালৰ মুখ্য সম্পাদক কনজিৎ কুমাৰ দাসে আঁত ধৰা অনুষ্ঠানত ৰাখাল থানৰ ভকত বিষ্ণু দাসে বন্তি প্ৰজ্জ্বলন কৰে। ইয়াৰ পিছতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ কীৰ্তন আৰু নামঘোষা লৈ পুথিভঁৰালটোৰ দ্বাৰ উন্মোচন কৰে কেউটুকুছি মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা বৰপেটাৰ সত্ৰীয়া-সংস্কৃতি আৰু সমাজ জীৱনৰ লগত জড়িত জ্যেষ্ঠ সাংবাদিক নৰজিৎ দাসে। পুথিভঁৰালটোৰ উন্মোচন কৰাৰ পাছত নৰজিৎ দাসে কয় যে বৰ্তমান সময়তো তথ্য প্ৰযুক্তিয়ে সকলো পিনৰ পৰা চানি ধৰাৰ পাছতো পুথিভঁৰালৰ যে প্ৰয়োজন আছে বুদৰুৰটুপ ৰাখাল থান পুথিভঁৰাল তাৰে উদাহৰণ। বক্তব্যৰ মাজতে তেখেতে অসমৰ প্ৰথম পুথিভঁৰাল, আৰু প্ৰথম গ্ৰাম্য পুথিভঁৰালৰ কথা উল্লেখ কৰে। জ্ঞান আৰু বৌদ্ধিক বিকাশ মাধ্যম কৰা অন্যতম কেন্দ্ৰ, হৈছে পুথিভঁড়াল। নতুন প্ৰজন্মই আধ্যাত্মিক শিক্ষাৰে শিক্ষিত হলেহে নৈতিক চৰিত্ৰ পৰিবৰ্তন হ'ব বুলি কৈ পুথিভঁড়াল নৈতিক চৰিত্ৰ গঠনৰ এক প্ৰতিষ্ঠান বুলি কয়। পুথিভঁড়াল মুকলিৰ পিছতেই শতাধিক লোকৰ উপস্থিতিত নাম প্ৰসংগ অনুষ্ঠিত হয়। পুথিভঁড়াল উন্মোচনী সভাত চেঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক অপূৰ্ব কুমাৰ তালুকদাৰ, সমাজকৰ্মী মৃদুল তালুকদাৰ, ৰবিতা দাস, বাবাদি মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক কনজিৎ কুমাৰ দাস, হিতেশ পাটোৱাৰী, পুথিভঁৰাল সহায়ক, বশিষ্ঠ কুমাৰ দাস প্ৰমুখে কেবাগৰাকী বক্তাই ভাষণ দিয়ে।

ৰহাত অনা-অসমীয়া লোকৰ দপদপনিৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ

অসম বাৰ্তা, ৰহা, ১০ জুন ঃ গুৱাহাটীত অনা-অসমীয়া বিহাৰী লোকৰ দপদপনিৰ বিৰুদ্ধে ৰহাত তীব্ৰ প্ৰতিবাদৰ জোৱাৰ উঠিছে। অসমৰ মাটিতে থাকি অসমীয়া গ' বেক ধ্বনি দিবলৈ সাহস কৰা বিহাৰীৰ বিৰুদ্ধে জাঁৰুৱা খাই উঠিছে ৰহাৰ বিভিন্ন দল-সংগঠন। আজি সন্ধিয়া ৰহা আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ ৰহা আঞ্চলিক সমিতি, ৰহা আঞ্চলিক তিৰা ছাত্ৰ সন্থা, অসম উন্নতি সভা, ৰহা আঞ্চলিক সাংবাদিক সন্থা, মাছ ৰহা আঞ্চলিক সমিতি, মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থা ৰহা আঞ্চলিক সমিতি, ৰহা শ্ৰমিক সন্থা আৰু ৰহা ট্ৰাক চালক সন্থা একগোট হৈ অনা অসমীয়া প্ৰতিমূৰ্তি দাহ কৰি নানা শ্লোগান দি এই কাযাক গৰিহনা প্ৰদান কৰা লগতে আতি শিয়ে ইয়াৰ উচিত বিচাৰ কামনা কৰি পৰবৰ্তী সময়ত বৃহৎ আন্দোলন কৰিবলৈ বাধ্য হব বুলি হুংকাৰ প্ৰদান কৰে ইয়াৰ উপৰিও প্ৰতীকী কপত অনা-অসমীয়াৰ পুতলিকা দাহ কৰে। এনে প্ৰতিবাদকাৰীসকলে অসমীয়া জাতিবিৰোধী অনা-অসমীয়া হুচিয়াৰ আদি শ্ল'গান দি উত্তাল কৰে ৰহা। লগতে প্ৰতিবাদকাৰী সংগঠনকেইটাই চৰকাৰকো সমালোচনা কৰি অসমীয়াৰ বিৰুদ্ধে মূৰ দাঙিলৈ ধৰি সাহস কৰা অনা-অসমীয়াৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ দাবী জনায়।

হাজোৰ বিষ্ণুপুৰ নদীৰ পাৰত ভয়াবহ অগ্নিকাণ্ড

জুইত জাহ গ'ল দহ লক্ষাধিক টকাৰ সা-সামগ্ৰী

অসম বাৰ্তা, হাজো, ১০ জুন ঃ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বিষ্ণুপুৰ নদীপাৰত এক ভয়াবহ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। মনোজ দাস নামৰ এজন লোকৰ ঘৰত সংঘটিত হয় এই অগ্নিকাণ্ডৰ ঘটনা। নিমিষতে জ্বলি চাই হয় মনোজ দাসৰ পৰিয়ালৰ প্ৰায় দহ লক্ষাধিক টকাৰ সা সম্পত্তিৰ লগতে নগদ প্ৰায় ৭০ হাজাৰ টকা। জানিব পৰা মতে ৮জুনৰ আবেলি মনোজ দাসৰ পৰিয়ালৰ কোনো সদস্য নথকাৰ সময়তে সংঘটিত হয় এই ৰহস্যজনক অগ্নিকাণ্ডৰ ঘটনা। এই অগ্নিকাণ্ডত ই ৰিক্সা চালক মনোজ দাসৰ পৰিয়ালৰ সকলো সা সম্পত্তিৰ লগতে নগদ প্ৰায় ৭০হাজাৰ টকা জুইত জাহ যায়। ঘটনাৰ খবৰ পোৱাৰ লগে লগে হাজো অগ্নি নিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় ৰাইজৰ তৎপৰতাত জুই নিৰ্বাপিত কৰিবলৈ সক্ষম হয়। প্ৰাথমিক অনুসন্ধানত বৈদ্যুতিক শ্বৰ্ট-চাৰ্কিটৰ ফলত অগ্নিকাণ্ড সূত্ৰপাতৰ সন্দেহ কৰিছে আৰক্ষী তথা অগ্নি নিৰ্বাপন বাহিনীয়ে। উল্লেখ্য যে ই-ৰিক্সা চলাই কোনোমতে পৰিয়াল পোহপোষ দিয়া মনোজ দাসৰ পৰিয়ালৰ মাজলৈ এই অগ্নিকাণ্ডই নমাই আনিলে ঘোৰ অমানিশা। অৱশ্যে নিশাৰ ভাগলৈ স্থানীয় বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে ঘটনাস্থলীত উপস্থিত দুৰ্ভগীয়া পৰিয়ালটোৰ ক্ষয় ক্ষতিৰ বুজ লোৱাৰ লগতে মুখামন্ত্ৰীৰ সাহায্য পুঁজিৰ জৰিয়তে ক্ষতিপূৰণ দিয়া হ'ব বুলি আশ্বাস দিয়ে।

প্ৰতিবাদত নামিল ক্ষুব্ধ চাহ-শ্ৰমিক, আছা-আটছা

পৰিচালক পুণিত সিঙৰ স্বেচ্ছাচাৰিতাৰ বিৰুদ্ধে উত্তাল নয়া ঘগৰা চাহ বাগিচা

অসম বাৰ্তা, গহপুৰ, ১০ জুন ঃ গহপুৰৰ নয়া ঘগৰা চাহ বাগিচাত আজি এক উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে বাগিচাখনৰ চাহ শ্ৰমিক সকলে। বাগিচাখনৰ মুখ্য পৰিচালক পুণিত সিঙে খাটিখোৱা শ্ৰমিক সকলক কথা শোষণ, দমন আৰু স্বেচ্ছাচাৰিতাৰ বিৰুদ্ধে এই প্ৰতিবাদ সাব্যস্ত কৰে চাহ শ্ৰমিক আৰু আছা, আটছাই। গহপুৰৰ নয়া ঘগৰা চাহ বাগিছাত শ্ৰমিক ৰাইজে বাগিছা কৰ্তৃপক্ষৰ বিৰুদ্ধে আজি ২ঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলা পৰিলক্ষিত হয়। অসম চাহ জনজাতি ছাত্ৰ সন্থা আৰু সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ নয়া ঘগৰা প্ৰাথমিক গোটৰ উদ্যোগত আৰু ঘগৰা চাহ বাগিছা চাহ শ্ৰমিক ৰাইজৰ সহযোগত ৰূপায়ণ কৰা হয় উক্ত ধৰ্ণা কাৰ্যসূচী। নয়া ঘগৰা চাহ বাগিচাৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত ৰূপায়ণ কৰা উক্ত ধৰ্ণা কাৰ্যসূচীৰ জৰিয়তে চাহ শ্ৰমিক সকলে ভুগী থকা বিভিন্ন সমস্যা সমাধান কৰাৰ লগতে চাহ বাগিচা খনৰ পৰিচালক পুণিত সিঙে শ্ৰমিক সকলক কৰা দুৰ্ব্যৱহাৰৰ উচিত তদন্তৰ দাবী উত্থাপন কৰে। বাগিছা কৰ্তৃপক্ষই ১৫ দিনৰ ভিতৰত চাহ শ্ৰমিক সকলৰ সমস্যা সমূহ সমাধানৰ ব্যৱস্থা নকৰিলে পুনৰ তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণৰ হুংকাৰ দিছে আটছা আৰু আছাৰ নয়া ঘগৰা প্ৰাথমিক গোটৰ বিষয়ৰবীয়া সকলে। উল্লেখ্য যে গহপুৰৰ নয়া ঘগৰা চাহ বাগিছাৰ শ্ৰমিক সকলৰ বহুদিনৰ বহুদিন ধৰি ন্যূনতম মজুৰিৰে কাম কৰি থকাৰ সাম্ভৱনালভাৱে এটুপি বিশুদ্ধ খোৱা পানী, উপযুক্ত চিকিৎসা সেৱাৰ পৰা বঞ্চিত হৈ আছিছে। চাহ শ্ৰমিক সকলৰ দীৰ্ঘদিনীয়া সমস্যাৰ লগতে বাগিচা পৰিচালকৰ শোষণ, দমন আৰু স্বেচ্ছাচাৰিতাত অতিষ্ঠ হৈ এইদৰে শ্ৰমিক ৰাইজে দলে বলে ওলাই আহি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ বাধ্য হৈ পৰিছে।

প্ৰধানমন্ত্ৰী খনিজ ক্ষেত্ৰ কল্যাণ যোজনাৰ অধীনত বৰপেটা জিলা খনিজ ফাউণ্ডেশ্যন ট্ৰাষ্টৰ পৰিচালনা পৰিষদ আৰু পৰিচালনা সমিতিৰ এখন বৈঠক

অসম বাৰ্তা, বৰপেটা সদৰ, ১০ জুন ঃ প্ৰধানমন্ত্ৰী খনিজ ক্ষেত্ৰ কল্যাণ যোজনা (PMKKKY)-ৰ অধীনত বৰপেটা জিলা খনিজ ফাউণ্ডেশ্যন ট্ৰাষ্ট (DMFT)-ৰ পৰিচালনা পৰিষদ আৰু পৰিচালনা সমিতিৰ এখন বৈঠক বৰপেটাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মিলন কক্ষত অনুষ্ঠিত হয়। অসম বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসৰ পৌৰোহিত্যত অনুষ্ঠিত এই বৈঠকত মাননিয় সাংসদ ফণীভূষণ চৌধুৰী, মাননিয় বিধায়ক জাকিৰ হুছেইন শিকদাৰৰ লগতে অন্যান্য সদস্য আৰু সংশ্লিষ্ট বিষয়াসকলৰ উপস্থিত থাকে। বৈঠকত প্ৰধানমন্ত্ৰী খনিজ ক্ষেত্ৰ কল্যাণ যোজনা (PMKKKY)-ৰ ব্যৱস্থাবলী, উদ্দেশ্য আৰু ৰূপায়ণৰ নীতি-নিৰ্দেশনাসমূহৰ সদৰ্ভত বিতংভাৱে আলোচনা কৰা হয়, য'ত খনি প্ৰভাৱিত অঞ্চলসমূহৰ কল্যাণ আৰু উন্নয়নৰ বাবে জিলা খনিজ ফাউণ্ডেশ্যনৰ পুঁজিৰ কাৰ্যক্ষম ব্যৱহাৰৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। সদস্যসকলে নিৰ্ধাৰিত নীতি-নিৰ্দেশনা অনুসৰি বাৰ্ষিক কাৰ্যপৰিকল্পনা প্ৰস্তুত কৰাৰ পৰিকাঠামো আৰু অগ্ৰাধিকাৰ প্ৰাপ্ত খণ্ডসমূহৰ ওপৰত আলোচনা কৰে। অনুমোদিত নীতি-নিৰ্দেশনাৰ সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰী খনিজ ক্ষেত্ৰ কল্যাণ যোজনা (PMKKKY)ৰ অধীনত গ্ৰহণ কৰিবলগীয়া নিৰ্দিষ্ট আঁচনি আৰু প্ৰকল্পসমূহৰ ওপৰত আলোচনা তথা সেইবোৰ চূড়ান্ত কৰাৰ বাবে অতি সোনকালে এখন পৰৱৰ্তী বৈঠক আহ্বান কৰাৰ সিদ্ধান্ত লোৱা হয়।

চেলেংহাটলৈ গৌৰৱ কঢ়িয়ালে সুস্মিতা গগৈ আৰু আফ্ৰিড আলিয়ে

অসম বাৰ্তা, চেলেংহাট, ১০ জুন ঃ উত্তৰাখণ্ডত অনুষ্ঠিত ৰাষ্ট্ৰীয় ম'ৰাই থাইৰ ৰাই ক্ৰ প্ৰতিযোগিতাত সোণৰ পদক অৰ্জন কৰি যোৰহাট জিলাৰ মৰিয়নি সমন্বিত চেলেংহাট অঞ্চলৰে গৌৰব কঢ়িয়াই আনিছে সুস্মিতা গগৈ আৰু আফ্ৰিড আলিয়ে। চেলেংহাট ম'ৰাই থাই ক্লাবৰ প্ৰতিভাবান খেলুৱৈ সুস্মিতা গগৈ আৰু আফ্ৰিড আলিয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই প্ৰতিযোগিতাত উৎকৃষ্ট প্ৰদৰ্শন আগবঢ়াই সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। দুয়োগৰাকী খে